REFERENCE,
NOT FOR ISSUE
READING ONLY INSIDE LIBRARY

# Assam Legislative Assembly Debates

सत्यमेव जयते

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## JUNE SESSION

NO. 2

**The 16th June, 1992**

Price—Rs. 22·60

## CONTENTS

**June Session**

**No. 2**

**Dated, the 16th June, 1992**


| | | Page |
|---|---|---|
| 1. | Discussion on the No-Confidence Motion .... .... | 1 |
| 2. | Announcement from the Chair .... .... .... ... | 110 |
| 3. | Obituary Reference ... ... ... ... ... ... | 120 |
| 4. | Adjournment ... ... ... ... ... ... ... ... | 121 |

REFERENCE, NOT FOR ISSUE
READING ONLY INSIDE

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

**Tuesday the 16th June, 1992**

The House met at 9.30 **A. M.** of the Clock in the Assembly Chamber, at Dispur with Shri Jiba kanta Gogoi, Speaker in the Chair.

## DISCUSSION ON THE NO-CONFIDENCE MOTION

Mr. Speaker : Now Discussion on the No-Confidence Motion. I call upon mover Honourable Member Shri Prafulla Kumar Mahanta to speak.

★শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলৰ ফালৰ পৰা মুখ্যমন্ত্ৰী শ্ৰীশইকীয়াৰ নেতৃত্বৰ মন্ত্ৰী সভাৰ প্ৰতি অনাস্থা প্ৰস্তাৱ উত্থাপণ কৰা হৈছে। এই অনাস্থা প্ৰস্তাৱ উত্থাপণ কৰাৰ কাৰণ কেইবাটাও আছে । এই অনাস্থা প্ৰস্তাৱৰ জৰিয়তে চৰকাৰ যে ভাঙিবই লাগে এনে নহয়, কিন্তু এই চৰকাৰৰ বিগত পাৰ হৈ অহা সময় খিনিত যিখিনি কাম কৰিছে, সেইখিনি ৰাজ্যখনৰ জনসাধাৰণৰ হিতৰ কাৰণে নে বিপৰীতে সেইখিনি আলোচনা কৰিবৰ কাৰণে এই প্ৰস্তাৱ অনা হৈছে। আজি ৰাজ্য খনত বিদেশী নাগৰিকৰ অনুপ্ৰৱেশৰ সমস্যা, আইন শৃংখলাৰ সমস্যা, আলফাৰ সমস্যা ইত্যাদি সমস্যাবোৰৰ সমাধানৰ ক্ষেত্ৰত চৰকাৰে কি পদক্ষেপ লৈছে সেইটো স্পষ্ট নহয় । তেথেত সকলে কব পাৰে যে অ, গ, প চৰকাৰৰ দিনত কি কাম কৰিছিল ? কিন্তু অ, গ, প

---

* Speech not corrected

চৰকাৰক সমালোচনা কৰাৰ বাবে তেখেত সকলে যথেষ্ট সময় পাইছিল। মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা এই খিনিতে বিশেষ ভাবে কব খুজিছো যে যোৱা ১০ এপ্ৰিল তাৰিখে এইখন বিধান সভাৰ মজিয়াতে শ্ৰীশইকীয়াই মুখ্যমন্ত্ৰী হিচাপে বিবৃতি দিছিল যে ১৯৮৭ চনত ৩০ লাখ বাংলাদেশী বিদেশী নাগৰিক অসমলৈ অনুপ্ৰৱেশ কৰিছিল। শ্ৰীশইকীয়াই কি তথ্যপাতিৰ ওপৰত নিৰ্ভৰ কৰি এই বিবৃতি দিছিল সেইটো উল্লেখ কৰা নাই। কিন্তু হঠাতে ইয়াৰ পিচতেই, অসমত হঠাতে নতুনকৈ গঠন হোৱা 'মুছলিম ফৰাম' নামৰ এটা সংগঠনে শ্ৰীশইকীয়া চৰকাৰক ভয় খুৱালে, ৫ মিনিটৰ ভিতৰতে বিবৃতি নুঠালে শ্ৰীশইকীয়াৰ মন্ত্ৰী সভা ভাঙিব পাৰিব বুলি বা বহিস্কাৰ কৰিব বুলি। তাৰ পিচতেই সদনৰ বাহিৰত বাতৰি কাকতত বাতৰি প্ৰকাশ পাবলৈ ললে যে শ্ৰীশইকীয়াই দিয়া উক্ত বিদেশী নাগৰিকৰ তথ্য শুদ্ধ নহয়। অধ্যক্ষ মহোদয়, সদনৰ কিছুমান নীতি নিয়ম আছে। সদনত যদি কিবা বিবৃতি ৰখা হয়, যদি সেই বিবৃতি সত্য নহয়, সদন চলি থকাৰ সময়ত সদনত নতুবা সদন চলি নাথাকিলে অধ্যক্ষ মহোদয়ক লিখিত ভাবে জনাব লাগে আৰু বিধান সভাৰ বিষয়া সকলৰ জৰিয়তে মাননীয় সদস্য সকলকো এই কথা বা তথ্যৰ বিষয়ে জনাব লাগে। এইটো প্ৰচলিত নিয়ম। এই ক্ষেত্ৰত দেখা গৈছে যে এই নিয়মৰ ব্যতিক্ৰম হৈছে। অকল এয়ে নহয়, আজি এই বিদেশী নাগৰিকৰ সমস্যাটোও কেন্দ্ৰীয় চৰকাৰে স্বীকাৰ কৰিছে, গৃহ দপ্তৰে স্বীকাৰ কৰিছে। অকল অসমতে নহয়, উত্তৰ পূৰ্ব অঞ্চলতেই নহয়, নতুন দিল্লীতেই ৪ লাখ বাংলাদেশী আছে। অধ্যক্ষ মহোদয়, এইটো আপুনি জানে যে বাতৰি কাকতত আৰু এটা কথা প্ৰকাশ পাইছে যে অসমৰ মাজেদি বাংলাদেশী লোকক পঞ্জাবলৈ চালান দিয়া হৈছে, পঞ্জাবত সস্তীয়া মজুৰীতে বাংলাদেশীৰ পৰা কাম আদায় কৰি লয়। অলপতে গুৱাহাটীত ৰেল ষ্টেচনত ৪৫ জন বাংলাদেশীক গ্ৰেপ্তাৰ কৰা হৈছে, তেওঁলোকক দিল্লীলৈ পঠোৱা হৈছিল। 'বাংলাদেশ টাইমচ' কাকতে আমাৰ শ্ৰীশইকীয়া ডাঙৰীয়াক খুব ভাল পাইছে। আজি আলফাই বাংলাদেশত চেলটাৰ লৈছে। অসমৰ কোনো নাগৰিকে নিবিচাৰে বিদেশী ৰাষ্ট্ৰ এখনৰ সহায় লৈ অসমত অশান্তিৰ সৃষ্টি হওক। আমি নিবিচাৰো আলফাই বাংলাদেশত চেলটাৰ লওক। আজি বাংলাদেশ টাইমচে শ্ৰীশইকীয়া ডাঙৰীয়াক ভাল পাইছে।

★Speech not Corrected

বাংলাদেশ টাইমচত কৈছে শ্ৰীশইকীয়া ডাঙৰীয়াইহে সচা কথা কৈছে—বাংলা দেশৰ পৰা অনুপ্ৰৱেশ হোৱা নাই। কিন্তু ভাৰত আৰু বাংলাদেশৰ দুয়োজন প্ৰধানমন্ত্ৰীয়ে এই বিষয়ত কথা বতৰা পাতিছে। একৰ্ড কৰিছে। কিছু সংখ্যক চাকমা লোকক বাংলাদেশে ঘূৰাই লব। অসমলৈ বাংলাদেশী অনুপ্ৰৱেশ ঘটা নাই এই কথা সত্য নহয়। বাংলাদেশৰ বাতৰি কাকতবোৰে শ্ৰী ই কক খুউব ভাল পাইছে, তেওঁক প্ৰশংসা কৰিছে, এই কথা বাতৰি কাকতত প্ৰকাশ পাইছে। এতিয়া কথা হল শ্ৰীশইকীয়াই এই কথা অসমৰ বাইজে ভাল পাবলৈ কলে নে বাংলাদেশৰ ৰাইজে ভাল পাবলৈ কলে ?

মাননীয় অধ্যক্ষ মহোদয়, অলপতে এই চৰকাৰৰ জনসংযোগ বিভাগে বাতৰি কাকতত এটা বিজ্ঞাপন দিছে 'গোপীনাথ বৰদলৈয়ে অসমক বিশ্বাস ঘাটক কৰিলে' এই বুলি। অধ্যক্ষ মহোদয়, স্বৰ্গীয় গোপীনাথ বৰদলৈ অসমৰ প্ৰথম মুখ্যমন্ত্ৰী আছিল, তেতিয়া তেখেতক প্ৰধান মন্ত্ৰী বুলি কোৱা হৈছিল। তেখেত অসমৰ সকলোৰে নমস্য এক বৰেণ্য নেতা আছিল—যিজনে অসমৰ স্বাৰ্থৰ হকে সদায় যুঁজ দিছিল। তেখেতে কেতিয়াও অসমক বিশ্বাস ঘাটক কৰা নাছিল। এই বিজ্ঞাপনটো অসম চৰকাৰে দিছিল, কোনো বেন কৰা অৰ্গেনাইজেচনে দিয়া নাছিল। এনেদৰে বিজ্ঞাপন দি সেই মহান নেতাজনক উপলুঙা কৰা হৈছে। এই বিজ্ঞাপনটোত এটা ভৰি পাকিস্থানত দিয়া হৈছে আৰু আনটো ভৰি বাংলাদেশত দিয়া হৈছে। অধ্যক্ষ মহোদয়, এই চৰকাৰে আৰু কি কৰিছে শুনক—তেখেত সকলে এজন উকীল নিযুক্তি দিছে ধুবুৰীত। চৰকাৰী তথ্য মতে কোৱা হৈছে যে এই ব্যক্তিজনক ১৯৬৫ চনৰ ভাৰত-পাকিস্তান যুদ্ধৰ সময়ত ৰাষ্ট্ৰীয় নিৰাপত্তা আইনত গ্ৰেপ্তাৰ কৰা হৈছিল। নামটো মই কম নেকি অধ্যক্ষ মহোদয়? তেখেত সকলে এই লোকজনক নিযুক্ত দি ভাৰতৰ বিৰুদ্ধাচৰণ কৰিছে। এই চৰকাৰে কি যুক্তিত ১৯৬৫ চনত ভাৰতৰ নিৰাপত্তা আইন অনুযায়ী গ্ৰেপ্তাৰ হোৱা লোকজনক উকীল হিচাপে নিযুক্তি দিছে? এই ক্ষেত্ৰত এই অনাস্থা প্ৰস্তাৱৰ প্ৰতি আপোনালোকেও সমৰ্থন জনোৱা উচিত। অধ্যক্ষ মহোদয়, এই সম্পৰ্কত আৰু বিশদ তথ্য বাতৰি কাকতত প্ৰকাশ পাইছে মই সেইবোৰ উল্লেখ কৰিবলৈ নেযাওঁ। যোৱা কালি ১৫ জুনৰ 'আজিৰ অসম'

---

★Speech not Corrected

নামৰ বাতৰি কাকতখনত এটা বাতৰি প্ৰকাশ পাইছে—এইজনেই সেইজন শইকীয়া হয়নে নহয়? যিটো আৰ্টিকোল ইয়াৰ আগতে 'নাগৰিক' নামৰ সাপ্তাহিক খনত প্ৰকাশ পাইছিল, যিখন বাতৰি কাকত আপোনাৰেই, উক্ত আৰ্টিকোল লিখিছিল শ্ৰীহিতেশ্বৰ শইকীয়াই। উক্ত আৰ্টিকোলটো ১৫ জুনৰ 'আজিৰ অসম' বাতৰি কাকতত 'ৰিপ্ৰিণ্ট' কৰা হৈছে। তেতিয়া আৰু এতিয়া কোনজন শইকীয়াৰ কথা সঁচা? মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই এবাৰ অসমত অবৈধ বিদেশী নাগৰিকৰ অনুপ্ৰৱেশ এবাৰ স্বীকাৰ কৰি পিচ পাকতে মূৰ পোলোকা মাৰি অসমত বিদেশী নাই বুলি কবৰ প্ৰয়াস পালেও তেওঁ এদিন স্বীকাৰ কৰিছিল যে এই সমস্যাই তেতিয়াই মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহৰ নেতৃত্বাধীন চৰকাৰ খনক সততে উদ্বগ্ন আৰু চিন্তিত কৰিছিল। ১৯৭৯ চনৰ বিদেশী বহিষ্কাৰ ব্যাপক গণ-আন্দোলন আৰম্ভ হোৱাৰ সময়তে তেতিয়াৰ ক্ষমতাধীন দলৰ সভাপতি শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্যদেৱে অভিযোগ কৰিছিল যে কংগ্ৰেছ চৰকাৰে বিদেশী চিনাক্তকৰণ, বহিষ্কৰণ বা অনুপ্ৰৱেশ ৰোধ কৰাৰ বাবে যথোচিত ব্যৱস্থা লোৱা নাছিল বাবে সমস্যাৰাজি জটিল হৈ পৰিছিল।

মাননীয় অধ্যক্ষ মহোদয়, অসমত কিমানজন বিদেশী নাগৰিক আছে সেইটো স্পষ্ট ভাৱে কব লাগে। বিদেশী নাগৰিক সমস্যাটো ভাৰত চৰকাৰেও স্বীকাৰ কৰিছে। ভাৰতৰপৰা কিমানজন বিদেশী নাগৰিক বিতৰণ কৰা হল সেইটো স্পষ্টভাৱে লিখিব লাগে। আজি কাগজে কলমে লিখিছে যে অসমত বিদেশী নাগৰিক নাই। আকৌ তেখেতেই কৈছে আমি ৩ লাখ বাংলা দেশী বিদেশী খেদিলো। ইয়াৰে কোনটো সঁচা আৰু কোনটো মিছা। চৰকাৰৰ বক্তব্যত যদি এনেদৰে লৰচৰ হৈ থাকে তেতিয়া হ'লে জনসাধাৰণে তেখেতসকলৰ ওপৰত বিশ্বাস ৰাখিব নোৱাৰে। এই চৰকাৰে শান্তিৰ প্ৰচেষ্টা চলাইছে। মই এতিয়া বিত্তীয় বিষয়ৈলৈ আৰু বিদেশী নাগৰিকৰ বিষয়টোলৈ আহিছো। আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী আৰু ডিফেঞ্চ মিনিষ্টাৰেও বিদেশী নাগৰিকৰ সমস্যাটো স্বীকাৰ কৰিছে। কিন্তু আমাৰ মুখ্যমন্ত্ৰীয় ভাবুকি পাই সদনত দিয়া বিবৃতি দি মূৰ পুলুকা মাৰিছে। এই বিষয়ে তেখেতে পুণৰ বিবেচনা কৰিব বুলি ভাবো। চৰকাৰে প্ৰচাৰ চলাইছে অসমত আইন শৃংখলা পৰিস্থিতি উন্নত হৈছে। যদি আইন শৃংখলা পৰিস্থিতি

★Speech not Corrected

প্ৰকৃততে উন্নতি হৈছে তেতিয়াহলে অসমৰপৰা সামৰিক বাহিনী প্ৰত্যাহাৰ কৰিব লাগে। প্ৰত্যাহাৰ কিয় নকৰে? আজি কেইদিনমানৰ আগতে গুৱাহাটীৰ ডিষ্ট্ৰিক জেইলৰ পৰা আলফা ৪ জন পলাই গৈছে। তেখেতে কৈছে আলফা নেতা কেইজন পলাই গলেও আলোচনাত ব্যাঘাত নজন্মে। আজিৰ বাতৰি কাকতত ওলাইছে চক্ৰ গোহাঁই বৰ্তমান ডেপুটি কামাণ্ডাৰ এণ্ড চিফ নহয়। তেতিয়াহলে চৰকাৰে কাৰ লগত আলোচনা লুকা ভাকু কৰিবলৈ বিচাৰিছে। তেখেতে কি ভিত্তিত কাৰ লগত আলোচনা কৰিব বিচাৰিছে সেই কথা স্পষ্ট ভাবে কোৱা উচিত।

মাননীয় অধ্যক্ষ মহোদয়, মহানগৰীত অপৰাধ বৃদ্ধিৰ কথা আৰক্ষী অধিক্ষকে স্বীকাৰ কৰিছে। যোৱা এমাহত মহানগৰীত অপৰাধৰ সংখ্যা তুলনামূলক ভাৱে হ্ৰাস পাইছে। মহানগৰীত ১ এপ্ৰিল '৯১ ৰ পৰা ৩০ ছেপ্তেম্বৰ '৯১ লৈ ৬ মাহ সময়ছোৱাৰ বিপৰীতে তাৰ পিচৰ ১ অক্টোবৰৰ '৯১ ৰ পৰা ৩০ মাৰ্চ' ৯২ পৰ্যন্ত পিছৰ ৬ মাহত তথা চলিত মে মাহত সংঘটিত অপৰাধসমূহৰ পৰিসংখ্যাও তেওঁ আগবঢ়াইছে। সেইমতে ওপৰত উল্লেখিত প্ৰথম ৬ মাহত ডকাইতিৰ ঘটনা ২৩ টাৰ বিপৰিতে পিছৰ ৬ মাহৰ মহানগৰীত ৩৮ টা ডকাইটিৰ ঘটনা সংঘাটিত হয়। সেই কথা আৰক্ষী অধিক্ষকে স্বীকাৰ কৰিছে। মই এতিয়া দুখন চিঠি দিল্লী আৰু বোম্বাই ক্ৰাইম-চিটৰ কথা কবলৈ বিচাৰিছো। ১-১-৯১ তাৰিখৰ পৰা ৩০-১১-৯১ তাৰিখত ডকাইটি দিল্লীত আছিল ৩০ আৰু বোম্বাইত আছিল ১০৯ টা। মাৰ্দাৰ আছিল দিল্লীত ৪৬৬ আৰু বোম্বাইত ৪২৯ টা। এটেমপ্ট টু মাৰ্দাৰ দিল্লীত ৪৫৬ আৰু বোম্বাইত ২৪৫। ৰবাৰী দিল্লীত ২৫৫ আৰু বোম্বাইত ৯৬৫। ৰেপ দিল্লীত ৩০২ আৰু বোম্বাইত ২০৩। বাগলাৰী দিল্লীত ১৪৭৫ বোম্বাইত ২৪২১। চিটিং দিল্লীত ১২৪০ আৰু বোম্বাইত ১১৪৬ টা। ক্ৰিমিনেল ব্ৰীচ অব ট্ৰাষ্ট দিল্লীত ৫০১ আৰু বোম্বাইত ৬২৫ সেইদৰে ৰেপ দিল্লীত ১৮৫ আৰু বোম্বাইত ১০৪। আডাৰ আই, পি, চি দিল্লীত ২৭০৫২ আৰু বোম্বাইত ৩০২২৮। ঠিক তেনেধৰণে ক্ৰাইম চিট চলি আছে। অসমত শান্তি শৃংখলা নোহোৱাৰ কাৰণে এ, জি, পি, চৰকাৰ ভাঙিলে। কিন্তু ত্ৰিপুৰাত কিয় ৰাষ্ট্ৰপতি শাসন দিয়া নাই? তাতো ক্ৰাইম হৈছিল। ত্ৰিপুৰাৰ ক্ৰাইম চিটখন মই দিছো—

★Speech not Corrected

ক্ৰাইম চিট—

| | ১৯৮০ | ১৯৮১ | ১৯৮২ | ১৯৮৩ | ১৯৮৪ | ১৯৮৫ | ১৯৮৬ | ১৯৮৭ | ১৯৮৮ | ১৯৮৯ | ১৯৯০ | ১৯৯১ |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| ডকাইটি | ১৫৮ | ১৫৭ | ১৯৯ | ২৭২ | ২৮৪ | ২১২ | ১২০ | ৪৯ | ৬১ | ৯৬ | ৯৩ | ১০৪ |
| মাৰ্দাৰ | ২২২ | ৯১ | ১০৮ | ১২৫ | ১১৮ | ১৫০ | ১৩৭ | ১৪২ | ১৪১ | ১৫৪ | ১৫৮ | ১৫০ |
| ৰবাৰী | ১৩৬ | ১৫৫ | ১৬৩ | ১৯১ | ২৫৫ | ২১৮ | ১৩৭ | ৮৪ | ১১১ | ১২০ | ১৭০ | ১৯১ |
| বাৰ্গলাৰী | ১২২৫ | ১২৬৯ | ১০২৪ | ১১০৫ | ১১৮৯ | ৯৫৫ | ৪৪৯ | ৬৫৩ | ৮২১ | ৬৮৩ | ৭২৩ | ৫৮৫ |
| আই. পি. চি | ২৩২৭ | ২৭৩১ | ১৯৯৬ | ২৪৭৬ | ২৫২৮ | ১৯৭৩ | ১৯৯৩৩ | ২২৭৬ | ২৭৫৮ | ২৭৭৪ | ২৯০১ | ২০৬৩ |

মাননীয় অধ্যক্ষ মহোদয় মই আৰু বেছি কথা কবলৈ নেযাও। ৮/২/৯২ তাৰিখে ছেন্টিনেল্স কাকতত প্ৰকাশ পাইছে গুৱাহাটীত ১৯৯১চ নত পপুলেচন গ্ৰোথ ১,২৩,৭৮৩ জন আৰু ১৯৯১ চনত বাঢ়ি গৈ ৫,৭৭,৫২৬ জন হ'লগৈ। চৰকাৰে শান্তিৰ বাবে প্ৰচাৰ কাৰ্য্য চলাইছে কিন্তু উচ্চতম নেতৃবৃন্দ আলফাৰ কৰ্মী পলাই গৈছে। মই আজি চৰকাৰক সুধিব বিচাৰিছোঁ যে উচ্চতম নেতাক গ্ৰেপ্তাৰ কৰিছিল কলিকতাত টাডা আৰু এন, এচ, চি আইনৰ অধীনত। তেওঁলোকক গ্ৰেপ্তাৰ কৰি উৰিষ্যালৈ পঠিয়াইছে। আমাৰ এডভকেট জেনেৰেলে ফাইট কৰি তেওঁলোকক ৰিলিজ কৰালে। তেওঁলোকৰ টাডা কেচ ক'লৈ গ'ল। এই চৰকাৰে এইবিলাক গোপন কৰি ৰাখিছে। এই ক্ষেত্ৰত এডভকেট জেনেৰেল চুপ্ৰিম ক'ৰ্টৰ পৰা ওৱাৰণিং পাইছিল।

মাননীয় অধ্যক্ষ মহোদয়, মই লামডিঙৰ ঘটনাৰ কথা ক'বলৈ নেযাওঁ। সেই ঘটনাত আমাৰ ডেপুটি স্পীকাৰ জড়িত আছে বুলি ওলাইছে। এইটো মই ক'বলৈ নেযাওঁ। মই পাইছোঁ যে তাত এটা ক্লাব আছে। সেই শ্বহীদ ক্লাবটোৰ নেতৃত্বত আমাৰ শাসক দলৰ কোনো নেতা জৰিত আছে। এইটো এনকুৱাৰী কৰিব লাগে। আৰু এটা কথা যে নগাওঁৰ ঘটনা কাগজে-পত্ৰে ওলাইছে। নগাওঁৰ ঘটনাত আমাৰ ৰাজহ মন্ত্ৰীৰ বিৰুদ্ধে অভিযোগ উঠিছে। তেখেতৰ লেফটেন্ট গোটেই ঘটনাটো ঘটাইছে। ইয়াৰ ফটো মই দিব পাৰো। ছাটিৰ তলত মজিবুৰ ৰহমান আছে। ২৭ মে' তাৰিখত মই নগাওঁৰ চাৰ্কিট হাউচত আছিলো। পঞ্চায়ত ইলেকচনৰ সময়ত এ, জি, পিৰ চাপৰ্টাৰ কেইজন-মানক শাসক দলৰ কৰ্মীয়ে থ্ৰেটনিং দিছিল। চাৰ্কিট হাউচত হুলস্থুল হৈছিল। তেখেত সকলে পিষ্টল লৈ আহিছিল। তাৰ ফটো মই দিব পাৰো।

অধ্যক্ষ মহোদয়, সেই সময়ত তাত এজন মানুহে পিষ্টল হাতত লৈ মানুহক ভিতি-প্ৰদৰ্শন কৰা বুলি বাতৰি ওলাইছে। অতি আচৰিত কথা যে যি জন আৰক্ষি বিষয়া নিৰাপত্তাৰ দায়িত্বত আছিল তেওঁ তেতিয়া ছুটীত আছিল আৰু সেই সময়ত এচ, পি জনো হেনো ছুটীত আছিল। ইয়াৰ কাৰণ কি ?। পিষ্টল লোৱা মানুহজন যুৱক কংগ্ৰেছৰ মানুহ। আজি যিটো সময়ত তেওঁলোকে আৰ্মচ্ চাৰেণ্ডাৰ কৰিব লাগিছিল সেই সময়ত তেওঁলোকৰ হাতত পিষ্টল থাকিল

★ Speech not Corrected·

কেনেকৈ ? অকল সেয়ে নহয়—ইয়াত কৰ্মৰত পুলিচ বিষয়াই গাড়ীৰ ভিতৰত বহি ল'ৰা টানিছে। মুজিবুৰ ৰহমান ডাঙৰীয়াই ক'ব পাৰিবনে যে মই সেই সময়ত তাত উপস্থিত নাছিলো। এই কৰ্মী সকলক পুলিচে লৈ যোৱা নাছিল। লৈ গৈছে যুৱক কংগ্ৰেছৰ ব্যক্তিয়ে। সেই সময়ত পুলিচৰ হাতত পিষ্টল নাছিল, পিস্তল আছিল মন্ত্ৰীৰ পুতেকৰ হাতত। এনেকৈ শান্তি ঘূৰি আহিব নেকি ? মই সেই ল'ৰাজনৰ নাম আজি নকওঁ, তদন্ত কৰিলে ইয়াৰ প্ৰমাণ ওলাব। এই অৱস্থাত পুলিচ নীৰৱ-দৰ্শক হৈ বহি আছে। নগাওঁ চাৰ্কিট হাউচটো এটা আড্ডাত পৰিণত হৈছে। তাত বৰ্তমান কি ঘটি আছে সেইবোৰ তদন্ত কৰিলে ওলাব। এই অশান্তি পৰিস্থিতি বোৰৰ মাজত কোন জড়িত হৈ আছে সেই কথা আজি ৰাইজে জানিব পাৰিছে। ইয়াৰোপৰি অসমৰ বিভিন্ন ঠাইত কিছুমান ঘটনা ঘটি আছে। ৰাজ্য সভাৰ সদস্য মাতঙ্গ সিঙৰ হতুৱাই শান্তিৰ শোভাযাত্ৰা কৰিছে সেইটো ভাল কথা। কিন্তু এইটো চৰকাৰে কৰিছে নে পাৰ্টিয়ে কৰিছে ? যদি কোনো দলে এই শোভাযাত্ৰা কৰিছে তেনেহ'লে ৰাইজৰ পইচা খৰচ কৰিছে কিয় ?

*শ্ৰীজয়চন্দ্ৰ নাগবংশী : অধ্যক্ষ মহোদয়, শান্তিযাত্ৰা কংগ্ৰেছ (ই) য়ে কৰিছে মাতঙ্গ সিঙে কৰা নাই।

★শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, যদি কংগ্ৰেছে এই শান্তিযাত্ৰা কৰিছিল তেনেহ'লে খৰচৰ দায়িত্ব আছিল দলৰ। যোৱা ১৩ জুন তাৰিখৰ 'আজিৰ অসম' বাতৰি কাকতত এটা বাতৰি প্ৰকাশ পাইছে যে শান্তি আৰু একতাৰ প্ৰতি ৰাজ্যখনৰ জনসাধাৰণক সচেতন কৰা উদ্দেশ্যে অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে আয়োজন কৰা শান্তি আৰু একতাৰ যাত্ৰাৰ দলটো যোৱা ৭ জুনত ধেমাজী নগৰত উপস্থিত হৈছিল। উল্লেখযোগ্য যে এই শান্তি আৰু একতাৰ যাত্ৰাৰ দলটোৱে ৰাজ্যজোৰা ভ্ৰমণ কালত চৰকাৰী ধন কিমান অপ-ব্যৱহাৰ কৰিলে তাৰ হিচাপ কংগ্ৰেছ (ই) দলে অথবা ৰাজ্য চৰকাৰেহে দিব পাৰিব। কিন্তু ধেমাজীত এই দলটোক অভ্যৰ্থনা জনাবলৈ ধেমাজী অসামৰিক প্ৰসাশনে উঠি-পৰি লাগিছিল আৰু প্ৰতিজন বিষয়াক অতি কমেও পাঁচশ টকাকৈ দিবলৈ উপাযুক্ত গৰাকীয়ে মৌখিক নিৰ্দেশ দিছিল। এই সন্দৰ্ভত এজন বিষয়াই

---

★Speech not Corrected.

উক্ত পাঁচশ টকা ক'ৰপৰা দিয়া হ'ব বুলি প্ৰশ্ন কৰাত উপায়ুক্ত গৰাকীয়ে কাৰ্য্যালয়ৰ নৈমিত্তিক খৰচত ধৰিবলৈ কয়। এই কথাই স্পষ্ট প্ৰমাণ কৰে যে প্ৰতিটো জিলা সদৰত এই শান্তি আৰু একতাৰ যাত্ৰাৰ নামত লাখ লাখ টকা অপচয় ঘটিছে।

অধ্যক্ষ মহোদয়. ইয়াৰোপৰিও আৰু কিছুমান ঘটনা ঘটি আছে।

★শ্ৰীগোমেশ্বৰ পেগু (ৰাজ্যিক মন্ত্ৰী, ৰাজহ বিভাগ) : অধ্যক্ষ মহোদয়. মহন্ত ডাঙৰীয়াই ধেমাজী সম্পৰ্কত যিটো বাতৰিৰ কথা উল্লেখ কৰিছে সেইটো অসত্য।

★শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : অধ্যক্ষ মহোদয়, যোৱা ৮ মাৰ্চত মৰিগাওঁত সহকাৰী অভিযন্তা ভৱানী দাসক পৰিয়ালসহ এজন বিহাৰী লগুৱাই হত্যা কৰাৰ চাঞ্চল্যকৰ তথ্যৰ উদ্‌ঘাটন নৌহওঁতেই মৃতকৰ বাসভৱনৰ পৰা অলপতে ভালেমান সম্পত্তি দুৰ্বৃত্তই চুৰি কৰি নিয়ে। বিহাৰী লগুৱাই হত্যাকাণ্ড সংঘটিত কৰাৰ দিন ধৰি এই বাতৰি লিখাৰ পৰলৈকে অনুসন্ধানৰ সুবিধাৰ কাৰণে মৃত দাসৰ চৰকাৰী বাসভৱনটো মৰিগাওঁ পুলিচে নিজৰ জিম্মাত ৰাখে। কিন্তু পুলিচে সেই ঘৰটো পহৰা দি ৰখা অৱস্থাতে তাৰ পৰা কেনেকৈ দাসৰ মাল-বস্তুবোৰ চুৰি হ'ল ? সেই সময়ত তাৰ অ, চি, জন ছুটিত আছিল। তেওঁ ঘূৰি আহি দেখে যে দাসৰ ঘৰত চুৰি হৈছে। গোটেই ঘটনাটো বাতৰি কাকতত প্ৰকাশ পাইছে। এই ঘটনাত জড়িত লোক সকলক চৰকাৰে ধৰিবলৈ কিয় প্ৰচেষ্টা হাতত লোৱা নাই ? পুলিচৰ পহৰাত থাকোঁতেই যদি এনে ধৰণে জনসাধাৰণৰ সম্পত্তিৰ নিৰাপত্তা নোহোৱা হয় তেনে অৱস্থাত অসমত সৈন্য বাহিনী বা পাৰা মিলিটেৰী দি থোৱা অৱস্থাত যে আন ডাঙৰ ঘটনা হ'ব নোৱাৰিব তাৰ কি গেৰেণ্টি আছে ? ইয়াৰ বাহিৰেও বিভিন্ন বাতৰি সম্পৰ্কে বাতৰি কাকতত বাতৰি প্ৰকাশ পাইছে সেইবোৰৰ সম্পৰ্কত চৰকাৰে আমাক স্পষ্টিকৰণ দিব লাগে।

শিক্ষা বিভাগৰ ক্ষেত্ৰটো বহুত কথাই প্ৰকাশ পাইছে। সেই ক্ষেত্ৰত মই অলপ ক'ব খুজিছো। যদি নকওঁ বহু কথাই আধৰুৱা হৈ ৰ'ব। শিক্ষা বিভাগে অলপতে জিলা আৰু মহকুমাত থকা শিক্ষা উপদেষ্টা সমিতিবোৰ ভঙ্গ কৰি দিছে। এই সমিতিবোৰত কংগ্ৰেছ (ই) দলৰ পৰাজিত প্ৰাৰ্থীবোৰৰে অধিক সংখ্যক সদস্য আছিল। এই বোৰ্ডবোৰ ভাঙি আজি তেওঁলোকক চৰকাৰে মাৰিলে কিয় ? শিক্ষা বিভাগত আজি যিবোৰ শিক্ষকৰ পদ পূৰণ কৰা হৈছে

★Speech not Corrected.

সেইবোৰত প্ৰায়ে টকা-পইচাৰ লেন-দেন হোৱা বুলি অভিযোগ শুনা যায়। অলপতে শিক্ষামন্ত্ৰী মহোদয় ভ্ৰমণলৈ যাওঁতে তেওঁৰ দলৰে এজন যুৱকক তেওঁৰ খবৰ সোধাত ক'লে যে তেওঁৰ এতিয়াও কোনো চাকৰি-বাকৰি হোৱা নাই। এনেয়ে ঘৰতে বহি আছে। তেতিয়া মন্ত্ৰী ডাঙৰীয়াই ক'লে যে মোৰ তালৈ আহিবা, মই কিবা এটা কৰি দিম। কেইদিনমান পিছত সেই যুৱকজন মন্ত্ৰীৰ ওচৰলৈ আহোঁতে যুৱকজনৰ দৰখাস্তত জেনুইন কেচ হিচাপে তেওঁক নিযুক্তি দিব লাগে বুলি তলৰ বিষয়ালৈ লিখি পঠাওতে বিষয়াজনে ক'লে যে চাকৰি সম্পৰ্কত আমাৰ এটা ৰেট আছে। আপুনি যিহেতু মন্ত্ৰীৰ মানুহ আপুনি ১০ হাজাৰ টকা দিব লাগিব। তাৰ পিচত যুৱকজন আহি যেতিয়া এই ঘটনা সম্পৰ্কে মন্ত্ৰীক জনালে তেতিয়া মন্ত্ৰীয়ে হেনো ক'লে—মই যিহেতু এপইণ্টমেণ্ট লেটাৰ ইচু নকৰো, গতিকে তেওঁলোকে যি ধৰণে কৈছে তেনে ধৰণে কিবা এটা কৰি কামটো কৰি লৈ যোৱা। গতিকে এই ঘটনাটো বিভাগীয় মন্ত্ৰী মহোদয়ে তদন্ত কৰা ভাল। প্ৰাৰ্থীজন কোন সেইটো এতিয়া মই নকওঁ।

★শ্ৰীভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই ঘটনা সম্পৰ্কত মোৰ কোনো নাই। মাননীয় সদস্য গৰাকীয়ে প্ৰাৰ্থীজন কোন ক'লে ভাল হয়। মই এনকুৱাৰী কৰি ব্যৱস্থা লম।

★শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : অধ্যক্ষ মহোদয়, আপুনি যদি তেওঁৰ চাকৰি নাথাও বুলি গেৰাণ্টি দিয়ে তেনেহ'লে মই তেওঁৰ নামটো কম।

অধ্যক্ষ মহোদয়, কংগ্ৰেছৰ শাসন কালত অসমৰ শিক্ষা-নীতিকে ধৰি বিভিন্ন কাম-কাজবোৰৰ আৰু বহুতো ঘটনা কাকতত প্ৰকাশ পাইছে। শইকীয়া নেতৃত্বত কংগ্ৰেছ দলে অসমৰ জনসাধাৰণৰ হৈ কাম কৰিব বুলি ৰাইজক যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি তেওঁলোকে ৰক্ষা কৰিব পৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, অসমৰ জনসাধাৰণৰ কাৰণে চৰকাৰে যি প্ৰতিশ্ৰুতি দিছিল, সেই প্ৰতিশ্ৰুতিবিলাক তেখেতসকলে ইচ্ছাকৃতভাৱে নকৰাকৈ আছে। মই আশা কৰিছো চৰকাৰে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা লব পাৰে। আৰ, চি, পি, আই পাৰ্টিক গ্ৰেপ্তাৰ কৰা পিচত কি কাৰণ থাকিব পাৰে। ঘটনাটোত কি থাকিব পাৰে। দেশত চৰকাৰে শান্তি সম্প্ৰীতি ঘূৰাই আনিবলৈ বিচাৰিছে। এই শান্তি যাত্ৰা ব্যাহত হৈছে কিয় ? ৰঙিয়া, ৰঙাপাৰা আৰু নলবাৰীত কি হৈছে ? অসমৰ

★ Speech not Corrected.

সকলো জনসাধাৰণে শান্তি সম্প্ৰতি ঘূৰি অহাটো বিচাৰে। পঞ্চায়ত নিৰ্বাচনত কি অৱস্থা হল ? নিৰ্বাচনৰ পিচত কোনো ব্যৱস্থা লোৱা হোৱা নাই আঞ্চলিক পঞ্চায়তক আজিলৈকে কিয় দায়িত্ব দিয়া নাই ?

★শ্ৰীআফজলুৰ ৰহমান (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে অৰ্ডাৰ চাৰ্কোলাৰ দেখা নাই। টেণ্ডাৰ কৰিবলৈ দিয়া হৈছে।

( সদনত হুলস্থুল হয়, কাৰো মাত শুনা নাযায় )।

Mr. Speaker : Order order, please sitdown.

★শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মই কবলৈ বিচাৰিছো সকলোকে দায়িত্বভাৰ কিয় দিয়া নাই। কিছুমানে ৩৩ টা লব পাৰে ৩৭ টা লব পাৰে লওক। অধ্যক্ষ মহোদয়, আজিৰ বাতৰি ২৫/২/৯২ তাৰিখত লিখিছে অসমৰ, পঞ্জাব আৰু কাশ্মীৰৰ যুৱকে হাতত বন্দুক তুলি লোৱাৰ কিছুমান ন্যায়সংগত কাৰণ আছে বুলি কেন্দ্ৰীয় তীথা দপ্তৰৰ মন্ত্ৰী সন্তোষ মোহন দেৱে স্বীকাৰ কৰিছে। যোৱা ২২ ফেব্ৰুৱাৰীত ইয়াত ইণ্ডিয়ান টি এচোছিয়েচনৰ সুৰমা ভেলী শাখাৰ ৯১ তম বাৰ্ষিক অধিবেশনত ভাষণ দি দেৱে কয় যে, এই সমস্যাবোৰৰ বিশ্লেষণ কৰি চৰকাৰে সমাধানৰ চেষ্টা কৰিব। বৰাক উপত্যকাৰ উন্নয়নত চাহ ব্যৱসায়ী-সকলেই কোনো সহযোগ কৰা নাই বুলি অভিযোগ কৰি তেওঁ চাহ ব্যৱসয়ী-সকলৰ এই সতৰ্কবাণী শুনাই যে, যদিহে তেওঁলোকে উপত্যকাটোত এইভাবে প্ৰৱঞ্চনা কৰি থাকে তেন্তে এই ধুমায়িত লোভে এদিন বিস্ফোৰক হিচাপে দেখা দিব আৰু তাৰ পৰা চাহ ব্যৱসায়ী গোষ্ঠীয়ে মুক্তি পোৱাটো কঠিন হ'ব। সভাত উপস্থিত থকা কাছাৰৰ জিলাউপায়ুক্ত অৰুণ কুমাৰেও দেৱৰ সুৰত সুৰ মিলাই কয়, ব্ৰহ্মপুত্ৰ উপত্যকাত বিভিন্ন চাহ বাগানৰ পাশ্ববৰ্তী ৮২ খন গাঁৱৰ 'আদৰ্শ গ্ৰাম' কৰি গঢ়ি তুলিছে, বিপৰীতে বৰাক উপত্যকাৰ চাহ বাগান কৰ্তৃপক্ষই তেনে কৰা বাদেই, আনকি বাগানৰ ওপৰেদি বৈদ্যুতিক লাইন টানি পাশ্ববৰ্তী গাঁৱলৈ বিদ্যুত সৰবৰাহ কৰাতো বাধাৰ সৃষ্টি কৰিছে। এইটো সত্য আৰু কেন্দ্ৰীয় মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে। আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে হাতত বন্দুক লোৱাৰ ন্যায়সংগত কাৰণ আছে। এইটো এটা ডাঙৰ কথা। অধ্যক্ষ মহোদয়, ইয়াৰ বাহিৰেও কো-অপাৰেটিভ মিনিষ্টাৰৰ দায়িত্বত পৰিব। তৃপ্তিৰ কথা কওঁ। অসমত উৎপন্ন হোৱা তৃপ্তি অসমৰ মানুহে খাবলৈ পোৱা নাই।

★ Speceh not Corrected

লক্ষ্মৌৰ মানুহক খুৱাইছে। ১ কেজি তৃপ্তি ষ্টেটফেডত বিক্ৰী হৈছে ৪৬ টকা। লক্ষ্মৌৰ লগত ব্যৱসায় কৰা কাৰণে মই সমালোচনা কৰিবলৈ নাযাওঁ। ইয়াৰ উপৰিও অধ্যক্ষ মহোদয়, মেডিকেল কলেজৰ চিকিৎসালয়ৰ বিষয়ে কবলৈ নাযাও, মাননীয় সদস্যসকলে জানেই। চিকিৎসালয়ত চিটৰ সম্পৰ্কে জানেই। চৰকাৰে শ্বেতপত্ৰসকলৰ স্থিতি লৈ শ্বেতপত্ৰসকলে স্পষ্টভাৱে কৈছে যে এ, জি, পি, চৰকাৰৰ দিনত ৩০ লাখ বিদেশী নাগৰিক সোমাইছে। সকলোৰে কাৰণে চৰকাৰৰ দৃষ্টিভঙ্গী সমান হব লাগে। নগাওঁৰ লামডিংত যি ঘটনা সংঘটিত হল তাৰ এটা ন্যায়িক তদন্ত হব লাগে। অসমৰ জনসাধৰণৰ যি অধিকাৰ ইয়াৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। অসমৰ জনসাধাৰণৰ যি সাংবিধানিক ক্ষমতা সেই ক্ষমতা চৰকাৰে খৰ্ব কৰিছে। অনাস্থা প্ৰস্তাৱটো উৎথাপন কৰি সকলোকে ধন্যবাদ জনাই ইমানতে মোৰ বক্তব্য সামৰণি মাৰিলো।

★ লক্ষ্মীপ্ৰসাদ বৰগোহাঁই : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বহুদিনিয়া অশান্তিৰ পৰিবেশৰ মাজেদি অসমীয়া মানুহে সন্ত্ৰস্থ হৈছিল। অসমতে অসমীয়া মানুহে জীৱনৰ প্ৰমাদ গণিছিল। তেনেকুৱা এটা পৰিবেশ কেনেকৈ অন্ত পেলাব পাৰে তাৰ কাৰণে তেওঁলোকে পুৱা গধূলি ফুৰিবলৈ, যাবলৈ যাওঁতে ভগৱানক কাকুতি মিনতি কৰিব লগীয়া হৈছিল।

( ভইচ— এইবোৰৰ পুৰণা কথা )

'পুৰণিৰ ওপৰত নতুনৰ সৃষ্টি', পুৰণিলৈ ওভতি যাব নোৱাৰিলে নতুনৰ সৃষ্টি কৰিব নোৱাৰি'। এনেকুৱা এটা অৱস্থাত আমাৰ কংগ্ৰেছ দলক ৰাইজে শাসনস প্ৰতিষ্ঠিত কৰিলে।

( ভইচ— মাত্ৰ ২৮ পাৰচেণ্ট। )

যি পাৰচেণ্টে নহওক, ৰাইজে সংখ্যা গৰিষ্ঠ দল হিচাবে আমাক নিৰ্বাচিত কৰিছে। আগৰ চৰকাৰৰ জনসাধাৰণে শাসনৰ গাড়ীত প্ৰতিষ্ঠিত কৰিছিল যদিও পাচ বছৰৰ ভিতৰত ৰাইজে কেনেকৈ বিসৰ্জন দিলে সেইটো চিন্তা কৰিবলগীয়া কথা। তেওঁলোকৰ বিগত দিনবোৰৰ কথা চিন্তা কৰা উচিত। মই সেইবুলি তেওঁলোকক দোষাৰোপ কৰিবলৈ যোৱা নাই। আমাৰ দলে ৰাইজক যি প্ৰতিশ্ৰুতি দিছিল চৰকাৰে সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ দৃঢ়তা অৱলম্বন কৰিছে। আপোনালোকে নিৰ্বাচনৰ সময়লৈ উভতি যাওঁক তেতিয়া ৰাইজে 'ত্ৰাহি মধুসূধন' দোখছিল। সেই সময়ত ৰাইজৰ নিৰাপত্তা

---

0 Speech not Corrected

আছিল নে নাই কোৱাটো টান। ৰাতি ৯ বজালৈকে বজাৰ সমা[illegible] বুঢ়াৰ নোৱাৰিছিল। বজাৰলৈ আহিলে ঘৰলৈ ঘূৰি যাব নোৱাৰিছিল। [illegible]।

অধ্যক্ষ মহোদয়, আজি এইখন ৰাজ্যত শান্তি ঘূৰি আহিছে। আজি শান্তিৰ খাটিৰতে বিৰোধী পক্ষৰ ব্যক্তিয়ে কৈছে যে ইয়াত তুলনামূলক ভাবে বোম্বে, দিল্লী এই বিলাকতকৈ অসমত আমাৰ অশান্তিৰ পৰিবেশ বেছি হৈছে। ডকাইটি, হত্যা, লুণ্ঠন এইবিলাকৰ সংখ্যা বাঢ়িছে। এইবিলাক অশুদ্ধ কথা এতিয়া হত্যা, লুণ্ঠন, ডকাইটি আদি বহু পৰিমাণে কমি গৈছে। তেওঁলোকৰ পাচ বছৰীয়া শাসন কালত দুহেজাৰ পলিচ টা ধৰ্ষন হৈছিল। সেই দৰে হত্যা, লুণ্ঠন আদিৰ কথা যদি আপোনালোকে মনত পেলায় সেইবিলাক পাব। তেওঁলোকে যেতিয়া শাসনৰ গাদীলৈ আহিছিল অসমত অসমীয়াত্ব বজাই ৰখাৰ কথা কৈছিল। কলা সংস্কৃতি ৰক্ষণাবেক্ষন দিয়াৰ কথা কৈছিল, সেই বিলাক দূৰৰ কথা অসমত জাতীয় ঐক্য বিভিন্ন জনগোষ্ঠী লগ লাগি যেতিয়া গঢ়ি উঠিছিল, সেইটো থানবান কৰিছে। তেওঁলোকে বড়ো, কাৰ্বি আদিকে ধৰি বিভিন্ন জাতি উপজাতি বিলাকক অসমীয়া বুলি ধৰি নললে আৰু তেওঁলোকক কোনো সুযোগ দিব নোৱাৰিলে। বড়ো সকলৰ সমস্যাৰ বিষয়ে আলোচনা কৰিবলৈ নগৈ তেওঁলোকৰ ওপৰত অত্যাচাৰ কৰিছিল, সেই অত্যাচাৰৰ নমুনা অসম বুৰঞ্জীত নাই। তেওঁলোকে চাউল, দালি আদিত কেৰাচিন মিহলাই খোৱাইছিল। ঘৰত জুই দিব পাৰিছিল। একে দিনাই হত্যাকাণ্ড কৰিব পাৰিছিল। ধনশিৰি নৈত একেই দিনাই ৭টা মৃতদেহ উটুৱাই দিব পাৰিছিল। আজি তেওঁলোকে যি অশান্তি, আইন শৃঙ্খলা কথা কৈছে সেইটো সচা নহয়। কিন্তু কংগ্ৰেছ দলে ৰাইজক যি ধৰণে প্ৰতিশ্ৰুতি দিছিল সেইটো পালন কৰিবলৈ যত্ন কৰিছে। চাকৰি বাকৰিৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যি প্ৰতিশ্ৰুতি দিছিল তাক পূৰণ কৰিবলৈ আমাৰ চৰকাৰে চেষ্টা কৰি আছে। বছৰত দুই লাখ নিবনুৱাক কৰ্ম সংস্থান দিয়াৰ কথা আছিল যদিও সুবিধা পোৱা নাই, তথাপি কিছুমান যুবক যুবতীক কৰ্মসংস্থান নিদিয়াকৈ থকা নাই। এবছৰত দহ লাখ নিবনুৱাক চাকৰি দিব নোৱাৰিলেও দহ লাখ নিবনুৱাক কৰ্মসংস্থানৰ যি প্ৰতিশ্ৰুতি দিয়া হৈছে তাক পাচ বছৰত পূৰণ কৰা হ'ব। এই বছৰত দুই লাখ নহলেও অহা বছৰত তিনি লাখ দিব পাৰে। আজি আমাৰ মুখ্য মন্ত্ৰী মহোদয়ৰ বিৰুদ্ধে যিটো হই হাল্লা কৰিছে সেইটো ঠিক নহয়, মুখ্যমন্ত্ৰী মহোদয়ে যি বিবৃতি দিছিল ৩০ লাখ বিদেশী

( সদনত হুলস্থুল )

যি সময়ত এ, জি, পি, চৰকাৰ গঠন কৰিছিল তেতিয়া বিদেশী বহিষ্কাৰ কৰিম

বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু তেওঁলোকৰ শাসন কালত মাত্ৰ ছয়শ আৰু কেইজনমানকহে বহিষ্কাৰ কৰিছিল।

যি সকল এ, জি, পি এ চৰকাৰ গঠন কৰি বিদেশী বহিস্কাৰ কৰাৰ কথা কৈছিল। সেই সকলেই শাসনত বহি যোৱা পাচ বছৰে শাসন কালত মাত্ৰ ৬০০ জন বিদেশী হে বিচাৰি পাইছিল। মাননীয় অধ্যক্ষ মহোদয়, অসমীয়া জাতি গঠনত অসমৰ শান্তি প্ৰতিস্থা কৰাৰ ক্ষেত্ৰত আমাৰ দলৰ যি ভূমিকা সেই ভূমিকা তেওঁলোকৰ লগত তুলনাই নহয়। আজি অসমীয়া জাতি অধঃপতনে গৈছে। বা যাব ধৰিছে। আন্দোলনৰ সময়ত দেশৰ সম্পূৰ্ণ ৰূপ সলোৱাৰ ফান পতা হ'ল। বাছ বা ৰেলত উঠিব যাব নোৱাৰি। তাৰা ভাবি জোতা খুলিব লগা হয়। জোতা পালিচ কৰিব লগা হয়। অসমীয়া লৰাই জোতা পালিচ কৰে। বিদেশী খেদে। বিহাৰী, বঙালী, বাংলা দেশী মুছি অসমৰ পৰা খেদি পঠিয়াই। তেওঁলোকে এটা কথা বুকুত হাত দি কব পাৰে নে যে বাৰী পাচত ৮০ টা তামূল হৈছে বাৰীৰ পাচত গৈ ওপৰলৈ গলে ৰদে চকুত ধৰে। তামূল কেইটা পাৰিব নোৱাৰে। তেওঁলোকে আকৌ বিদেশী খেদে বোলে। যিবিলাকে হাতত কাচি খন বা দা খন লৈ গাওঁৰ চোকে কোনে ঘূৰি ফুৰে আৰ বাৰীৰ তামোল তাৰ বাৰীৰ কাম নকৰিলে নহয়েই তেওঁলোকক আৰু বিদেশী বুলি খেদি পঠিয়াই সোণৰ অসম গঢ়। তেওঁলোকে শাসনত বহি সকলোকে ত্ৰাহি সোধন দেখুৱালে। সেই বিলাক উকতিব নাযাওঁ। তেওঁলোকক কলে তেওঁলোকে বেয়া পাব। মন্ত্ৰী সভাত কি কৰিলে, মানস সৰোবৰত কি কৰিলে, মোৰ ওচৰত সকলো বিলাক ৰিপোৰ্ট আছে। প্লেনৰ পৰা কেনেকৈ নামি আহিব লগা হ'ল সকলো বিলাক জানো কিন্তু নকওঁ কলে বেয়া পাব। খুচৰিলে গোন্ধ ওলাব আৰু সেই গোন্ধত তেওঁলোকেই থাকিব নোৱাৰিব। এই খিনিতে আকৌ মহিলা সংগঠনৰ কথাটো মনত পৰিল। আমাৰ চৰকাৰে যদি দেশৰ শান্তি আইন শৃংখলা ঘূৰাই আনিবৰ কাৰণে বা নিৰ্মূল কৰিবৰ কাৰণে কৰিবলৈ যাওঁতে কিছু বিজুতি ঘটিব পাৰে সেইটো স্বাভাৱিক কিন্তু তাৰ বাবে নাৰী সমদল সৃষ্টি কৰিব লগা হ'ল কিয়। আইন শৃঙ্খলাৰ খাতিৰত সন্ত্ৰাসবাদী দমন কৰাৰ বাবে অথবা দেশৰ দুস্কৃতিকাৰী সকলক দমন কৰাৰ বাবে দুটা এটা একা চেৰেকা হ'ব পাৰে। গাৰ পৰা কাইট এডাল গুচাবলৈ হ'লেও গাৰ তেজ ওলাৰ পাৰে সেই বুলি গাৰ কাইট গাতে ৰাখিব নোৱাৰি। সেই বুলি আহ অ' আহ ওলাই আহ বুলি ক'লে ঘৰৰ বাহী বন এৰি আহিলে ন'হব। এই খিনিতে মই এটা কথা কওঁ—এদিন এজন

বুঢ়াই ঘৰৰ আগ ফালে বহি চিঞৰিলে, কাউৰীয়ে পতাগুটি নিলেঅ'। বুঢ়াৰ তিনিজনী বোৱাৰীয়েকৰ ভিতৰত দুজনী দোৰী আছিল কিন্তু এগৰাকী নাছিল। বুঢ়াই ক'লে বোৱাৰী তই দেখোন নাহিলি। বোৱাৰীয়েকে ক'লে, কাউৰীয়ে পতাগুটি নিব নোৱাৰে বুলি মই জানো। সেয়ে যোৱা নাই। কথাটো হ'ল সকলো কথা ভাবি-চিন্তি চাইহে কৰিব লাগে। কোনোবাই উচতাই দিলেই কৰিব নালাগে। বুঢ়াই সেই কাৰণে সেইজনী বোৱাৰীয়েকক ক'লে হয় তইহে আচল বোৱাৰী, আচল গৌৰৱ। হৈ-হাল্লা কৰি নেতাগিৰি কৰিব আছিলে নহয়। অসমৰ মাটিত খাপ খোৱা কামহে কৰিব লাগিব। যোৱা পাঁচ বছৰে সকলোৱে সকলো কাম দেখিছে। হৈ-হাল্লা কৰি নেতা হ'লে দেশ চলাব নোৱাৰে। মাননীয় অধ্যক্ষ মহোদয়, বুঢ়া মানুহ এজনে কৈছিল– ব্ৰহ্মাই জীৱন দান দিওঁতে এটা কুকুৰক ৪০ বছৰ দিব বিচাৰিছিল। কিন্তু কুকুৰে ক'লে প্ৰভু, মোক ১০ বছৰ দিলেই হ'ব। মানুহে ক'লে বাকী ৩০ বছৰ মোকেই দিয়ক। গৰুক জীৱন দান দিওঁতেই গৰুৱেও ১০ বছৰ ল'লে বাকী ৩০ বছৰ মানুহে খুজি ল'লে। গতিকে মানুহৰ ৬০ বছৰ হ'ল। তাৰ পাচত ফেঁচাইও ১০ বছৰেই খুজি ল'লে বাকী খিনি মানুহেই ল'লে। এতিয়া কথা হ'ল লাইফ বিগিন এটা ৪০। অৰ্থাৎ ব্ৰহ্মাই যি ৪০ বছৰ দিলে সেইখিনি উম্ভওালিৰ কাৰণে। বাকী ২০ বছৰ দায়িত্ব পালনৰ বাবে। ৬০ বছৰত বুঢ়াজন কুকুৰৰ দৰে ঘৰ ৰখিবলৈ। আৰু ৮০ বছৰত ফেঁচাৰ দৰে চাই থাকিবলৈ অৰ্থাৎ টোপনিয়াই থাকিবলৈ। গতিকে এই ক্ষেত্ৰত এ-জি-পিৰ শাসক দলৰ তেওঁলোকৰ গাত কোনো দোষ নাই, তেওঁলোকৰ বয়সৰ দোষ। দুই-এজন বিধায়ক আমাৰ লগতো আছে শিকিবলৈহে ৰাজ্য চলাবলৈ নহয়।

মাননীয় অধ্যক্ষ মহোদয়, তেখেত সকলে পঞ্চায়তৰ কথা কৈছিল কিন্তু পঞ্চায়ত গঠন কৰিব নোৱাৰিলে। পঞ্চায়ত কৰিব বুলি ৰাইজক ভুৱা দিলে। পিচত ৰাইজসকলে কথাৰ ধাৰ বুজি পালে। গৰখীয়াই বাঘে খালে বুলি চিঞৰাত প্ৰথমবাৰ ৰাইজৰ সহানুভূতি পালে, কিন্তু যেতিয়া সঁচাকৈয়ে বাঘে গৰখীয়াক খালে তেতিয়া কিন্তু ৰাইজৰ সহানুভূতি নাপালে। ধোবাই ঘৰিয়ালে খালে বুলি চিয়ৰাত প্ৰথমবাৰ ৰাইজ চাপি গ'ল, পিচৰবাৰ ৰাইজৰ সহানুভূতি নাপালে। আপোনালোকে ৰাইজক প্ৰতিশ্ৰুতি দিছিল, কিন্তু ডেকা তেজৰ পিৰ-পিৰণিত কাম কৰিব নোৱাৰিলে, প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিলে। গতিকে ৰাইজে আপোনালোকক স্পেয়াৰ নকৰিলে। আজি আমি শইকীয়াৰ নিচিনা

নেতা পাইছোঁ। তেখেত অকল আমাৰ কংগ্ৰেছৰেই মূৰব্বী নহয়, আপোনা-লোকৰো মূৰব্বী, দেশৰ সকলোৰে মূৰব্বী। আজি দেখা গৈছে যে ভাৰত-বৰ্ষত নোহোৱা বস্তু মহাভাৰতত নাই আৰু মহাভাৰতত নোহোৱা বস্তু ভাৰত-বৰ্ষত নাই। এই দেশত ৰত্নাকৰ বাল্মিকী হৈছে। এইবিলাক কথা উপলব্ধি কৰাৰ বাবে আজি আমাৰ ৰাজ্যলৈ শান্তি নামি আহিছে তাৰাতাৰিকৈ। যিটো শুনি আপোনালোক বিৰোধী পক্ষৰ টোপনি খটি হৈছে। যদি অসমত শান্তি প্ৰতিষ্ঠা হয় তেনেহ'লে আপোনালোকৰ ৰাজনীতি কৰা স্থল হেৰাই যাব। ভৰিৰ তলৰ পৰা পৃথিৱী এৰাই যাব। আজি দেখা গৈছে যে আলফাই আমাৰ মুখ্যমন্ত্ৰী পৰিয়ালৰ ৫ জন লোকক হত্যা কৰিলে। আপোনালোকৰ এ-জি-পি চৰকাৰে ইয়াৰ কোনো বিচাৰ বিবেচনা নকৰিলে, কাকো কৰায়ত্ব নকৰিলে। কিন্তু তেখেত প্ৰতিশোধ-পৰায়ণ নহৈ আলফাৰ লগত বাৰে বাৰে আলোচনাত বহিছে, কথা পাতিছে। আলফাক ঘিণা নকৰি আলফাৰ চৰিত্ৰৰ শুদ্ধ-অশুদ্ধ বিচাৰ কৰি বিবেচনা কৰি আলফাক হিংসাৰ পথ ত্যাগ কৰিবলৈ বিচাৰিছে। যিসকল ডেকা ল'ৰাক আপোনালোকে আলফা বনাই তেওঁলোকৰ মূৰত নাৰিকল ভাঙিলে সেইসকলক কিন্তু শুদ্ধ পথে আনিব নোৱাৰিলে। আপোনালোকৰ ৬ বছৰীয়া শাসন কালত ৰাইজক মাথো প্ৰতাৰণা কৰিলে। গতিকে আপোনা-লোক পাপী নহৈ কোন পাপী হ'ব ? আলফাৰ আত্মীয়তাবোধ দেশপ্ৰেম বহুত বেছি। তেওঁলোকে জ্বাৰক জ্বাৰ নুবুলি, বৰষুণক বৰষুণ নুবুলি ৰ'দক ৰ'দ নুবুলি হাতত হাতীয়াৰ লৈ আৰ্মিৰ বিপৰীতে যুদ্ধ কৰিবলৈ সক্ষম হৈছে। এইটো কম প্ৰসংশনীয় কথা নহয়। তেওঁলোকৰ দেশাত্মকবোধ অতি বেছি। মেঘ ফুকন, অচ্যুৎ গগৈ এনেধৰণৰ যিবিলাক ল'ৰাই মিলিটেৰীৰ লগত যুঁজ কৰি প্ৰাণ বিসৰ্জন দিলে সেই সকলৰ আত্মাক আমি সন্মান জনালোঁ। তেওঁলোকৰ দেশাত্ম-বোধ, সাহস আৰু ত্যাগ স্বীকাৰ নকৰি নোৱাৰো। এনেকুৱা এচাম দেশপ্ৰেমী লোকক যদি আমি শুদ্ধ পথেৰে আগুৱাই আনিব পাৰোঁ তেনেহ'লে আমি নিশ্চয় সোণৰ অসম গঢ়িব পাৰিম। যেতিয়া তেওঁলোকে ভুল পথেৰে পৰিচালিত হৈ জংঘলত শিবিৰ পাতি, বনাঞ্চলত প্ৰশিক্ষণ লৈ আছিল তেতিয়া আপোনালোকে তেওঁলোকক বুজাই-বঢ়াই ক'ব পৰা নাছিল, কিন্তু তেওঁলোকৰ লগত হাত উজান দিছিল। এনেকুৱা দেশদ্ৰোহী কাম কোনোবাই কৰিব পাৰেনে, ৰান্ধনী উচতাই জোল বোৱা কাম কৰিছে। ইয়াতকৈ পাপীষ্ঠ কোন হ'ব পাৰে ? অধ্যক্ষ

মহোদয়, মই বেছি নকও। এ, জি, পিয়ে আলফাক উচতাই দি ইমান দিনে জোল খালে। অধ্যক্ষ মহোদয়. এই ডেকা ল'ৰা সকলক শুদ্ধ পথলৈ অনাৰ ব্যৱস্থা কৰিব লাগিব। তেওঁলোকৰ একাংশই আজি তেওঁলোকৰ ভুল বুজিব পাৰি চৰকাৰৰ লগত হাত মিলাই চৰকাৰৰ ওচৰত আত্ম-সমৰ্পণ কৰিছে। চৰকাৰৰ লগত আলোচনা মাধ্যমেৰে সমস্য সমাধানৰ বাবে আগ বাঢ়িছে। চৰকাৰে তেওঁলোকক সংস্থাপনৰ ব্যৱস্থা কৰি শান্তিপূৰ্ণ ভাৱে জীৱন নিৰ্বাহ কৰিবলৈ দিব বুলি আশ্বাস দিছে। এনে এখন চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ অনাটো কম দুৰ্ভাগ্যৰ কথা নহয়নে? যোৱা ৫ বছৰত আপোনালোকে ৰাইজক প্ৰতাৰণা কৰিলে। আজি অসমত পঞ্চায়ত আঞ্চলিক গঠন কৰা হ'ল। আপোনালোকে এখন পঞ্চায়তো গঠন কৰিব নোৱাৰিলে। আজি জি, পি, গঠন কৰা হ'ল। আজি এইবিলাক ৰাইজে আদৰি ল'লে। আপোনালোকে কৈছে আপোনালোকে ২৭ শতাংশ ভোট পাইছে কিন্তু আমি ৮২ শতাংশ ভোট পাইছো। ৰাইজৰ সমৰ্থন আমি পাইছোঁ।

গতিকে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে আজি মই মাননীয় বিধান সভা পৰিষদৰ সকলো সদস্যকে আহ্বান কৰিব বিচাৰিছো আৰু অনুৰোধ কৰিব বিচাৰিছোঁ, তেখেত সকলে যেন বিৰোধী দলৰ খাতিৰত বিৰোধীতা নকৰি পুংখানুপুংখ ৰূপে বিষয়টি বিবেচনা কৰি চিন্তা কৰক। তেখেত সকলে কথাটো ভাল ধৰণে চিন্তা কৰি এই অনাস্থা প্ৰস্তাৱটো নিশ্চয় উঠাই ল'ব। বিষয়টি ভাল ধৰণে চিন্তা কৰি পুনৰ বিবেচনা কৰিবৰ কাৰণে আহ্বান জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*Sri Parameswar Brahma : Mr. Speaker Sir, in the House we have supported the No confidence motion against the Government. We have reasons why we supported this no confidence motion against the Government that we have been negotiating with the Goverment for an amicable settlement of the Bodoland Issue. But till today, Assam Goverment has not come out with a concrete policy to solve the burning Bodoland issue. Time and again this Government both in the

★Speech not corrected.

Centre and the State promised to solve this burning problem but practically what we have seen the role played by the State Government is not sincers, and this Government practically does not want to solve this problem. Now, to solve this Bodo problem we have seen that Government has taken different propaganda and anti Bodoland movement activities. Even it is seen that Government is helping indirectly the anti Bodoland movement process and this is retarding the process of solving this problem. We think that this is a new turn to complicate solution of Bodoland issues amicably. I can cite the incident of panbari carnage where Bodo people and Tea Garden tribes have been made to find against each other. It is the Government's intention to divert the Bodoland issue and even different areasw the Bodo movement supporters are called miscreants. It is also the interntion of the Government, that it does not want to solve this problem. This Government has now put different contradictory arguements against the legitimate demands of the Bodoland issue. I also told yesterday that this Government, is putting down the legitimacy of the demand of the Bodoland issue by putting the question of majority and minority issue and it is the trick of the Government to incite the people so that it can create communal riots or mis-understanding between the different people of the State of Assam. Regarding the area of the Bodoland, in the All party meeting also the Chief Minister of Assam attempted to mislead the Members of all parties so that a negative opinion can be raised against the Bodoland movement and its legitimate demands. We

have only demanded 2540 square Kilometres north of the Brahmaputra valley under the foothills of Bhutan and Arunachal Pradesh. But the Chief Minister of Assam attempted to mislead the people that the Bodoland movement leaders are demand the entire areas of the Brahmaputra vally right from the north bank of the Brahmaputra river. This is not at all true. We are demanding only the Bodo and other tribes dominated concentrated areas. So Sir, with respect to the area of the Bodoland there cannot be any dispute and that cannot be challenged. We have 67 lakhs and 60,000 population and of all these population the Bodoland constitute 27 lakhs and other tribes altogether constitute 47 lakhs and the total population constitute 71% So it is legitimate. We are not against the interest of any community. The demand for separate State is itself there in the Constitution and it is justified and legitimate and so this cannot be discarded as a majority and minority issue. The policy taken bythe subsequent Governsts of Assam and its machinery is evolving a policy of how these people can be extinguished by different measures like administrative suppression and socio-cultural aggression. We are opposed to this policy. We want to enjoy the rights given to the citizens of the country. But the State Government and the Chief Minister is misleading the people of the State on the basis of area and population. We are demanding only the concentrated and dominated tribal areas and Bodo areas where we have been living from time immemorial. But in connection with the putting questions of majority and minority, I would request all the indegineous people

to think over it. Since the matter is under consideration and justification and legitimacy than the entire demographic sphere of the State may be changed and as a result of which the consequence may be against the interest of the indegineous people of the State. Those who have love for Assam for the interest of the people of the State. Now, the poticy taken by the State Government to solve the Bodoland issue is not going to solve this problem. We want to ask the State Government that the Government should adopt such a policy to solve such problems in the State by which peace and normalcy can be restored in the State, with the aboriginal Bodo people of the State, so that the standard of living and the rise of the tribal people can be ascertained. By adopting some dilatory tactics adopted by the State Government it can do nothing. We have no love for the State Government. Regarding the other problems, mainly with reference to the negotiotians with the State Government, and to look into some immediate problems of the Bodo people so that they can also go ahead along with others, we have only found that the State Government have only encluraged in discreminatory and policies and exploiting the situations and always creating hindrenees in the way of development of the tribals living in the State.

In the case of appointment the backlong in respect of tribals in the ACS cadres have not so far been filled up. The Chief Minister, in the last session of the Assembly has assured us that a few posts of Translators in the Assembly Secretariat will be created. But nothing has been done in this respect so far. Chief Minister also assured that he will

also look into the demands of the BPAC in setting up of a Central University in Kokrajhar. But nothing has been done at all. But all these things have been only on communal consideration and on political consideration only to deprive the rights and developments of the aboriginal tribal people. Their thinking is that to make them backward will be easy for exploitation. In case of education, to meet the crying needs of the Bodo medium schools is to provide posts of School teachers in the Elementary and Higher Secondary Schools He assured us that in the last academic session Bodomedium Teachers will be appointed in the Guwahati University also. The practice of illegal lands to non-tribals are still encouraged. It is very much dangerous for the tribal people. We also demanded for creation of a separate Directorate of Education solely meant for the tribal people of the State. It has not been done, because they donot like the development of the Bodo people. They have no sincerity at all for the welfare of education among the tribes. In this way, we people have been discreminated against always in implementation of all the developmental programmes of the Government. So, we have no alternative but to support this Motion of No-confidence against the Government. This has demoralised the moral value of the State. The rate of corruption and ints increase has demorlised the entire fabric of the moral value of the people in our society. The functioning of the State Government is very much undemocratic in so far as the last Panchayat elections are concerned. Even some members of candidates have been kidnapped and show of brute forces have been

displayed. The life of the people have been vitiated with communal colours. Prices of daily consumption and essential commodities have been always increasing which cannot be aforded by the common people. The price rise could not be checked. The common people have been the victims. I would like to draw your attention to a small point, i. e the TSP. Under this scheme only 20 schools have been covered for provincialisation in Bodo areas. But I know there are mix schools of mix population in Bodo areas also. But misteriously enough, this Government is provincialising all the ME Schools of Assamese medium, but only the Bodo medium schools are not provincialised, in places like Barpeta, Rangia Sonitpur, etc. We requested the hon Chief Minister time and again that they should consider the matter dispassionately regarding the educational problems of the tribals and to help them solve their problem. But all these promises of the Chief Minister and the Government has always remained only as problems. Because of all these reasons and particularly for the dilatory tactics of the Government of Assam who has misled the entire people of the country about the demands of a separate State of Bodoland, we whole heartedly support the No-confidence Motion against this Government.

★ Shri Abu Saleh Nizamuddin : Mr. Speaker Sir, the opposition has moved a No-Confidence Motion in this August House at the beginning of the journey of our new Government. I am really estonished to say how the opposition could go against the popular Government which

★Speech not Corrected

has brought peace to the entire state which has so far been engulfed with chaos and distabilisation. I would like to draw attention of the leader of the opposition, Shri P.K. Mahanta who have raised the point on deterioration of law and order in the state during the period of 300 days' administration led by Honourable Shri Hiteswar Saikia. Shri Mahanta has placed some relevant data on the law and order situation. But the has altogether forgotten the situation prevailing during his time. The normal life of the people, particularly the ethnic groups was misearable. Even a child not speak out freely. The Congress workers and even the Congress MLA s could bring out any procession and raise any voice of protest. The opposition has now perhaps forgotten the incident of Karimganj on 21st July, 1988 when 11 persons were killed on the ground that the young students of Karimganj came to submit only the Memorandum to the Chief Minister. Similar is the situation at Sutarkandi border where the Police created terror amongst the people. Sir, as you are aware, this Government came to power at the time of volcanic erruption and intolerable chaos in the public life in the State. It is really creditable on the part of our leader Shri Saikia to give a real break to the situation prevalent so far. The Saikia Government started its journey with the good-will mission of releasing the detenus arrested under TADA.

The Government has been trying its best to bring back the normalcy and to create new hope and confidence amongst the people of the State. We have arranged Panchayat elections, we have arranged Municipal elections and elections in all the autonomous bodies. is it not the popular

feeling of the Government ? I hope the smiling leaders of the opposition will not criticise for the sake of opposition only. In our journey, there may be some omission or commission here and there, but we have our honest intention to do good to the people. We have created thousand of jobs for the unemployed youths. We have assisted the young entrepreneurs to start small industries for self employment. We have stared development of agriculture and the system of education in the State. We have invited the World Bank to take up various projects in the sphere of Agriculture. So, I want to point out is it not a well beginning ? They may consider how we are moving to do something good to the people of the State. The earlier Government made a commitment for Sonar Asom, but it has remained a slogan only. We have also a commitment to do good to the people, and in this regared, we have started our journey, the journey for creating civil society. We have started the work for development of Agriculture, education and irrigation etc. The opposition move is just to mislead the people of Assam by bringing a motion of No-Confidence against the Government. I would request the opposition to let us continue for another 600 days to bring to end to our journey. Now, I like to draw attention of the preceding speaker who have raised the question of Bodoland. The parties like AGP and CPI have also extended their support to this demand. I would like to draw attention of the August House that this demand was not supported by AGP during its regime. I would like to draw attention of the Honourable Member, Shri Brahma that it is because of Shri Saikia, the Bodoland issue is taken

up sincerely by the Government. Similarly, some other tribal issues have received proper attention and negotiation has been started with them. Considering all these aspects, I hope the Honourable Members in the opposition will withdraw the No-Confidence Motion and allow us to continue to do good to the people of Assam.

Honourable Speaker : Now Honourable member Shri Haliram Terang.

* শ্ৰীহলিৰাম টেৰাং : শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, আজি সদনত যি অনাস্থা প্ৰস্তাৱ অনা হৈছে সেই প্ৰস্তাৱক আমি এ, এচ, দি, চি লেজিচলেচাৰ পাৰ্টিয়ে সম্পূৰ্ণ সমৰ্থন জনাইছোঁ। ইতিমধ্যে আলোচনাত বহুটো বিষয় অনা হৈছে তাৰ ভিতৰত কোন চৰকাৰৰ দিনত কিমান হত্যাকাণ্ড কোন চৰকাৰৰ দিনত কিমান নাৰী ধৰ্ষণৰ ঘটনা হ'ল সেইবিলাক কথা আলোচনা কৰিছে। এইটো থিক যে স্বাধীনতাৰ পাছত যি চৰকাৰেই নাহক কিয় কিছু পৰিবৰ্ত্তন আহিছে। মোগলৰ দিনতকৈ বৃটিশৰ ৰাজত্ব কিছু ভাল আছিল আৰু বৃটিশৰ পাছত আজিৰ দিনটোলৈ কিছু ভাল কাম হৈছে। বৰ্তমান এইখন চৰকাৰে শাসনভাৰ গ্ৰহণ কৰাৰ পাছতে যিবিলাক ৰাজনৈতিক সমস্যা আলফা, বড়োলেণ্ড আৰু কাৰ্বি আংলং সেইবিলাকলৈ কিছু মনোনিবেশ আৰম্ভনিতে কৰিছিল। আলফাৰ হাতত বৰ্তমান অস্ত্ৰ আছে নে নাই নাজানো কিন্তু বৰ্তমান হত্যা, লুণ্ঠন কৰা দেখা নাই কিন্তু আলফা সমস্যাটোক লৈ এটা অনিশ্চয়তাৰ সৃষ্টি হৈছে। আজি আলফাৰ মাজত বিভাজন হৈছে, এটা আলোচনাপন্থী হৈছে আনটো আলোচনা বিৰোধী । আলোচনা পন্থীৰ মাজতো আকৌ বহুত বহুত ভাগ হৈছে। গতিকে এই বিষয়টো ওপৰত চৰকাৰে এটা স্পষ্ট নীতি ঘোষণা কৰা অতি দৰ্কাৰ হৈ পৰিছে। কিন্তু এইটো ঠিক যে অসমৰ শান্তি বিৰাজ কৰিবলৈ হলে অসমৰ ৰাইজৰ যিটো জাতীয় আকাঙ্খা তাক স্বীকৃতি দিবই লাগিব। আজি ভাৰতবৰ্ষৰ সকলো ঠাইতে এই জাতীয়তাবাদী আকাংখাই গা কৰি উঠিছে। ছোভিয়েট ইউনিয়নেই কওক, পূৰ্বইউৰোপেই কওঁক বা ভাৰতৰ বিভিন্ন প্ৰান্তৰ কথাকে কওঁক সকলোৱে এই জাতীয় আকাংখাত লিপ্ত।

---

★ Speech not correced.

আজি আলফাই কৰ্ত্তৃক বা জনজাতি ডিমাছাৰ সমস্যাই কৰ্ত্তৃক সকলোৰে সেই একে সমস্যা জাতীয় আকাংখা। আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে কৈছে যে কেন্দ্ৰীয় চৰকাৰে বিছৰাতকৈ বেছি দি আছে। কিন্তু এইটো যদি সচাঁ হয় তেনেহলে অসমৰ জাতীয়তাবাদৰ যিটো আকাংখা তাক নাকচ কৰা হৈছে। মই ব্যক্তিগতভাবে বা কোনো এটা ব্যক্তিক কেন্দ্ৰ কৰি কবলৈ নাযাওঁ কিন্তু অসমৰ যি কেইটা মূল সমস্যা তাৰ বিষয়ে কব বিচাৰিছোঁ। বড়ো সমস্যাটো সমাধান কৰাত আমাৰ মুখ্য মন্ত্ৰী মহোদয় আৰম্ভনীতে আগ্ৰহী আছিল, তাৰ কাৰণে ভাল পাইছোঁ। তেখেতে যথেষ্ঠ প্ৰচেষ্টা হাতত লৈছিল আনকি বড়ো নেতা সকলে কেন্দ্ৰত গৈ কেন্দ্ৰীয় নেতা সকলৰ লগত মুকলিভাবে আলোচনা কৰিবলৈ তেখেতে মুখ্য মন্ত্ৰী নোহোৱাতেই সহায় কৰিছিল বুলি তেখেতে এই বিধান সভাতে সদৰি কৰিছে। আৰম্ভনীতে বহুতবিলাক ক্ষেত্ৰতে আৰু বিএপিচিয়ে কংগ্ৰেছ আইকে সমৰ্থন কৰিছিল কিন্তু এতিয়া তেওঁলোকেই এই চৰকাৰৰ বিৰুদ্ধে কবলৈ আৰম্ভ কৰিছে, আজি তেওঁলোকে অনাস্থা প্ৰস্তাৱ সমৰ্থন কৰিছে আৰু এই চৰকাৰৰ বিৰুদ্ধে অহা ১৭ জুন তাৰিখে জজ খেল পথাৰত চেণ্ট্ৰেল ৰেলী কৰিব। আৰম্ভনীতে এই চৰকাৰে এই সমস্যাটোৰ সমাধান কৰিব বিচাৰিছিল মানে তেওঁলোকৰ যিটো আন্দোলন সেই আন্দোলনক ভাঙি চিঙি মহিমুৰ কৰাৰহে প্ৰচেষ্টা চলাইছিল। এই চৰকাৰৰ আশ্বাসৰ কাৰণেই তেওঁলোকৰ আন্দোলনৰ কাৰ্যসূচী বাদ দিছিল, অৱশ্যে তাৰ পৰা হত্যা লুণ্ঠন কমিছে কিন্তু এই চৰকাৰৰ মনত কিন্তু সদিচ্ছাৰ অভাৱ। অৰ্থাৎ জাতীয় যিটো আকাংখা নেচনেল এস্পাইৰেচন সেইটোক অৱজ্ঞা কৰা হৈছে। আজি বড়ো, বা জনজাতিৰ বালক সকলক ভূমিপুত্ৰ বুলি কয় অৰ্থাৎ ভূমিৰ ওপৰত এওঁলোকেই পুত্ৰ সেই হিচাবে তেওঁলোকে অধিকাৰ দাবী কৰিছে। কিন্তু এই ক্ষেত্ৰত ৩ জনীয়া কমিটিৰ যি প্ৰতিবেদন সেই প্ৰতিবেদন লজ্জাজনক। এই ৰিপোৰ্ট বড়ো বুলিয়ে নহয় কোনো মানুহে মানি লব নোৱাৰে। তেওঁলোকে দাবী কৰিছিল বেলেগ ৰাজ্য কিন্তু প্ৰতিবেদনে দিছে ঠায়ে ঠায়ে এপেক্স কাউন্সিল বা অন্য কাউন্সিল যাৰ কোনো কতৃত্ব নাই। কোনো এক নিৰ্দ্দিষ্ট ভৌগলিক পৰিসীমাৰ মাজত তেওঁলোকক ৰাজনৈতিক অধিকাৰ সহ সম্পূৰ্ণ কৰ্তৃত্ব দিয়া উচিত। যদিও ৩ জনীয়া প্ৰতিবেদনৰ ওপৰত চৰকাৰে কোনো মন্তব্য ৰখা নাই আমি ভাবো এই বিষয়টোৰ ওপৰত চৰকাৰে স্পষ্ট বক্তব্য ৰাখিব। স্বায়ত্ব শাসিত ৰাজ্য দাবী কমিটিয়ে দাবী কৰা মতে সমস্যাটোৰ ওপৰত মুখ্য মন্ত্ৰীয়ে বৰ্ত্তমানলৈ লৈ

থকা ব্যৱস্থাৱলীলৈ আমি আদৰণি জনাইছোঁ।এই সম্পৰ্কত চৰকাৰে বক্তব্য ৰাখিলে আমি ভাল পাম। এই ক্ষেত্ৰত যিখন জিলা প্ৰশাসন পৰিষদৰ যি বিলাক কৰ্তৃত্ব সেই কৰ্তৃত্ব বিলাক চৰকাৰে পিছ দুৱাৰেদি টানি আনিছে।

অধ্যক্ষ মহোদয়, আপুনি জানে যে ৬ষ্ঠ অনুসূচীত এল, পি, স্কুলৰ সকলো নিয়ন্ত্ৰণ জিলা পৰিষদৰ হাতত দিয়া আছে। কিন্তু এতিয়া ইয়াৰ পৰা অৰ্ডাৰ গৈছে যে জিলা পৰিষদক বাদ দি এল, পি স্কুলত শিক্ষকৰ নিযুক্তি দিছে। আজি চৰকাৰে এ, এচ, ডি, চিৰ লগত কাৰ্বি আংলঙৰ সমস্যাৰ সম্পৰ্কে আলোচনা কৰি আছে। আনহাতে জিলা পৰিষদৰ 'ইনহেৰেণ্ট পাৱাৰ' চৰকাৰে কাঢ়ি নিয়াৰ ব্যৱস্থা কৰিছে। আজি কংগ্ৰেছ (আই) দলৰ এচাম নেতাই কাৰ্বি আংলঙত কৈ ফুৰিছে যে জিলা পৰিষদক অটনমাছ পাৱাৰ দিয়া নহয়, কিবা এটা দি থোৱা হ'ব। চাৰ আমি আশা কৰো যে সচাকৈয়ে এইখন চৰকাৰে ৰাজ্যখনলৈ শান্তি আনক, আমাৰ জিলালৈকো শান্তি আহক আমি এইটো কামনা কৰো। কিন্তু সৰু সুৰা কিবা এটা আমাক দি ঠাণ্ডা কৰি দিয়াৰ মনোভাব যাতে মনত নানে। এটা কথা চাব লাগে যে কোন জাতিৰ জনসংখ্যা কিমান, কোন কিমান ডাঙৰ, বা কিমান সৰু। যদি চৰকাৰ সচাকৈয়ে শান্তি আনিবলৈ বিচাৰে, তেনেহলে জনগোষ্ঠী সমূহৰ মনৰ কথা বুজিবলৈ চেষ্টা কৰক। নহলে শান্তিৰ আবহনে হিংসা আহিবই। অধ্যক্ষ মহোদয়, আমি এই চৰকাৰৰ এই দলে অসমত শান্তি যাত্ৰা পাতিছে, আমি ভাল পাইছোঁ কিন্তু কিছুদিন আগতে হোজাই আৰু লামডিঙত যি সংঘৰ্ষ সৃষ্টি হৈছিল তাত দুয়োটা ঘটনাতে শাসনাধিষ্ঠ দলৰ বিধায়ক আছিল। ইয়াৰ কাৰণে তেওঁলোকৰ মুৰ কামোৰণি হয়নে নহয় নেজানো। হোজাইত গণ্ডগোল হলে তাৰ পৰা মানুহবোৰ বৈঠালাংচুলৈ পলাই আহে। আৰু লামডিঙত গণ্ডগোল হলে ডিফুলৈ পলাই আহে। আমি তেওঁলোকক খেদি দিব নোৱাৰো, কাৰণ তেওঁলোক ভাৰতৰ নাগৰিক, একেখন অসমৰ ৰাইজ। আমি বিচাৰো তাতো শান্তি বিৰাজ কৰিব লাগে। আমি লামডিঙলৈ যাওঁতে দেখিছো তাত কেইজনমান গুণ্ডা আছে এই গুণ্ডাবোৰে তাত সন্ত্ৰাসৰ ৰাজত্ব কৰিছে, বন্দুক হাতত লৈছে, ধৰ্ষণ কৰিছে। আমি ধৰ্ষিতা তিৰোতা এগৰাকীৰ ওচৰলৈও গৈছিলো। আমি তালৈ কেইবাটাও বিৰোধী দলৰ সমস্যা লৈ গৈছিলো। তাৰ ৰাইজে এই গুণ্ডাৰ ৰাজত্ব ভাল পোৱা নাই। তাত গুণ্ডাৰ ৰাজত্ব শেষ কৰিব লাগে। অধ্যক্ষ মহোদয়, আজি শ্ৰমিকৰ হত্যা কৰা হৈছে। বোকাজান থানাৰ অন্তৰ্গত নামবৰ

চাহ বাগিচাৰ ৩ জন শ্ৰমিকক পুলিচে লৈ যায়, তেওঁলোকে হেনো কিবা চুৰ কৰিছিল। এই বছৰ মে মাহৰ শ্ৰমিক দিৱসৰ দিনা শ্ৰমিকৰ আগতে এজন শ্ৰমিকক পুলিচে পিটি পিটি হত্যা কৰিলে। আৰু পুৰস্কাৰ হিচাপে এই মৃতদেহটো তেওঁলোকক গতাই দিলে। শ্বহীদৰ দিনটোত তেওঁলোকক বনাচ হিচাপে নহয় মৃত দেহটোৱে গতাই দিলে। এতিয়ালৈকে মৃত শ্ৰমিক জনৰ পৰিয়াললৈ চৰকাৰে কোনো সাহায্য দিয়া নাই। আৰু এতিয়ালৈকে সেই দোষী পুলিচ বিষয়াৰ ওপৰত কোনো শাস্তিৰ ব্যৱস্থা লোৱা নাই। ঘটনাটোৰ বিষয়ে দণ্ডাধীশ পৰ্য্যায়ৰ তদন্ত হৈছে বুলি জানো। আৰু সচাকৈয়ে যদি এই তদন্ত নিৰপেক্ষ হৈছে তেন্তে চৰকাৰে সোনকালে সেই তদন্তৰ ৰিপোৰ্ট গ্ৰহণ কৰি দোষী বিষয়াৰ ওপৰত শাস্তি দিব লাগে। মই বিশ্বাস কৰোঁ সেই তদন্তৰ ৰিপোৰ্ট মতে দোষী বিষয়াক শাস্তি দিব তাত কোনো বেলেগ কনচিদাৰেশ্বন হব নেলাগে। চাৰ লাকুৱাত শ্ৰমিকক হত্যা কৰা হৈছে। শ্ৰমিকে কেৱোল চুই থাকোতে চি, আই, এচ, এফৰ মানুহ আহি চোৰ বুলি পিটিলে আৰু দুজনৰ মৃত্যু হ'ল। পিচত চি, আই, এচ, এফৰ লোকৰ গুলি চালনাত আৰু দুজন শ্ৰমিকৰ মৃত্যু হ'ল। মুঠ ৪ জন লোকৰ মৃত্যু হ'ল। এই ঘটণা লৈ আজি অসমৰ সকলো চাহ জনগোষ্ঠী লোক বিক্ষুদ্ধ হৈ পৰিছে। যদি শাসক দলৰ এই গোষ্ঠীৰ লোক বিক্ষুদ্ধ হোৱা নাই মই নেজানো। কিন্তু এই নিৰীহ ৪ জন লোকক হত্যা কৰাটো কোনো মানুহে সহ্য কৰিব পৰা নাই। আজি এইখন চৰকাৰে শান্তি আনিব, শান্তিৰ যাত্ৰা কৰিছে, কৰক। কোনোবা মাতংগ সিঙেই হওঁক বা যি কোনো সিঙেই হওঁক যদি তেওঁলোকৰ যাত্ৰা সৎ তেন্তে তেওঁলোকক আমি গীতেৰে, নৃত্যৰে আদৰিম। কিন্তু তেওঁলোকে যদি অশান্তি সৃষ্টি কৰিবলৈ আহে তেন্তে আমি তাত বাধা দিম। তেওঁলোক কাৰ্বি আংলঙলৈ যাব নোৱাৰে। কিয়নো তেওঁলোকে কৈছে যে কাৰ্বি আংলঙত এ, এচ, ডি, চিৰ মানুহে হত্যা কৰিছে, লুণ্ঠণ কৰিছে, ধৰ্ষণ কৰিছে, এই দলে লিখিত ভাৱে বক্তব্য দিছে। গতিকে আমি তেওঁলোকক কাৰ্বি আংলঙত সোমাবলৈ দিয়া নাই। আজি কাৰ্বি আংলঙত নতুনকৈ সৃষ্টি হোৱা চি, আৰ, পি, এফ নামৰ সংগঠনে তেওঁলোকৰ ছপা পেদত ডিফুৰ ব্যৱসায়ীলৈ ৫ লাখ ১০ লাখ টকা বিচাৰি চিঠি দিছে। পুলিচে তেওঁলোকক ধৰিব নোখোজে, আমি দেখুৱাই দিলেও নধৰে। (সময় সংকেত) আৰু অকণমান সময় দিয়ক চাৰ। মই চমু কৰিবলৈ চেষ্টা কৰিম।

মাননীয় অধ্যক্ষ : আপোনাক ১২ মিনিট দিয়া হৈছে।

*শ্ৰীহলিৰাম টেৰাং : অধ্যক্ষ মহোদয়, চি. আৰ. পি. এফ বাহিনীৰ লোকে ৫-১০ লাখ টকা দাবী কৰিলেও তেওলোকক পুলিচে নধৰে, আমি নাম দিলেও কামত নাহে। দিলীপ টেৰাং নামৰ এজন এই বাহিনীৰ লোক। তেও ডিফু চৰকাৰী কলেজত ফিজিকচ বিভাগত লেবৰেটৰী এচিচটেন্ট কাম কৰে। তেও এনে চিঠি লৈ আহিছিল। তেওক পুলিচে গ্ৰেপ্তাৰ কৰি এৰাতি থানাত ৰাখিছিল কিন্তু পিচদিনাই ৰিলিজ কৰি দিলে। তেওৰ হাতত অস্ত্ৰ শস্ত্ৰ থকাৰ প্ৰমাণ নাছিল। দিশপুৰৰপৰা এজন মন্ত্ৰীয়ে শ্ৰীটেৰাঙক এৰি দিবলৈ ডি. চিক ফোন কৰিলে, ডি. চিয়ে উপায় নাপায় এৰি দিলে। চাৰ আমি প্ৰমাণ দিব পাৰো এই দিলীপ টেৰাঙৰ দৰে মানুহৰ হাতত লাইচেন্স বিহীন বন্দুক আছে। তেও গাড়ীত কোনো অস্ত্ৰ শস্ত্ৰ কোনোবা ঠাইৰ পৰা লৈ আহিলেও পুলিচে তেওক নধৰে। কিন্তু এ. এচ, ডি, চিৰ কৰ্মীক পুলিছে ধৰি ৩ মাহটো এৰি নিদিয়াকৈ ৰাখে। আমাৰ নেতাসকলৰ নামত ১০—১২ টাকৈ কেচ আছে— মোৰো নামত আছে। যিসকলে হাতত বন্দুক লৈ সংগ্ৰাম কৰি আছে, যিসকলে ব্যৱসায়ীৰ পৰা ১০—৫ লাখ টকা দাবী কৰিছে তেওলোক সন্ত্ৰাসবাদী নহয়, আমিহে সন্ত্ৰাসবাদী। শেষত এটা কথা কওঁ চৰকাৰে যদি সঁচাকৈয়ে শান্তি বিচাৰে, আমিও বিচাঁৰো। চৰকাৰে সোণৰ অসম কৰিব বিচাৰিছে, আমিও বিচাৰো সোণৰ নহলেও মাটিৰ সুন্দৰ অসম হওক। ইয়াত যিসকল জনগণ আছে তেওলোকৰ আশা আকাংখা পূৰণ হওক। আমাৰ এ, এচ, ডি, চিয়ে কাৰ্বি আংলঙত যিসকল বড়ো, টিৱা জন-গোষ্ঠীৰ লোকক এচ, টি হিচাপে ধৰা হোৱা নাই, তেওলোকক এচ, টি মৰ্য্যাদা দিবলৈ ডি, চি, আৰু চৰকাৰলৈ লিখিতভাবে অনুৰোধ জনাইছোঁ। কিন্তু এই চৰকাৰে সেইখন চিঠিৰ প্ৰতি কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। শেষত এটা কথা কওঁ যে এ, এচ, ডি, চি আৰু কে, এচ, ইউৰ লগত অসম চৰকাৰে কাৰ্বি আংলঙৰ সমস্যাৰ বিষয়ে আলোচনা কৰি আছে। বৈঠালাংচু আৰু নগাওঁ জিলাৰ মাজত এটা চেক গেট আছিল, সেইটো পুলিচে গৈ ভাঙি দিছে— এইটো বাংলাদেশ বা পাকিস্থানৰ বৰ্ডাৰ নহয়, নগাও আৰু কাৰ্বি আংলং জিলাৰ মাজৰ চেক গেটহে। এইবোৰ কাৰণতে আমি এই অনাস্থা প্ৰস্তাৱ আনিছোঁ।

---

★ Speech not Corrected.

*শ্ৰীকোযেশ্বৰ বৰুৱা: মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ মাননীয় সদস্য সকলে যি অনাস্থা প্ৰস্তাৱ আনিছে আৰু আমাৰ এগৰাকী নেতাই আৰম্ভনিতে যিখিনি অভিযোগ আনিছে সেইখিনি শুনি হতাশ হলো। মই ভাবিছিলোঁ তেখেতে এটা সাংঘাটিক অভিযোগ আনি আমাৰ চৰকাৰখন ভাঙি দিব। যিবিলাক কথা তেখেতে প্ৰকাশ কৰিছে সেইবিলাক কথা সদায় বাতৰি কাকতত ওলোৱা কথা, সদনত সদায় কৈ থকা কথা। মই আচৰিত হৈছো যে এনে অনাস্থা প্ৰস্তাৱে নিটিকে।

মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছোঁ অৱশ্যে আগৰ চৰকাৰে কি কৰিলে নকৰিলে সেইবিলাক কথা নকওঁ। ৰাইজে জানি শুনি আমাক শাসনৰ গাদীলৈ পঠিয়াছে, চৰকাৰ সজনি কৰিছে। আগৰ চৰকাৰে কি কি কাম কৰিলে সেইবিলাক কথা মই কবলৈ যোৱা নাই। কিন্তু আমি কি কি কাম কৰিবলৈ বিচাৰিছোঁ তাৰ ওপৰতহে কবলৈ বিচাৰিছোঁ। এই এবছৰে আমি কি কি কৰিছো ৰাইজ সন্তুষ্ট হৈছে নে নাই সেইবিলাক কথাৰ ওপৰতেই কব বিচাৰিছো। আমাৰ চৰকাৰৰ কাম কাজৰ ওপৰত আজি সুদৃষ্টি ৰাখিছে এই কথা সকলোৱে জানে। শান্তিৰ দিশত বিশেষকৈ উত্তৰ পূৰ্ব্বাঞ্চলত অসম চৰকাৰৰ ভূমিকা সকলোৱে সুদৃষ্টি আকৰ্ষণ কৰিছে আৰু শান্তিৰ ৰাইজৰ মাজলৈ ঘূৰি আহিছে। এই শান্তি সম্প্ৰীতি ৰক্ষা কৰাৰ ক্ষেত্ৰত অসম চৰকাৰৰ ভূমিকা ভাৰত চৰকাৰৰ আৰু অন্যান্য চৰকাৰৰ সুদৃষ্টি পৰিছে। তেনে ক্ষেত্ৰত আজি অনাস্থা প্ৰস্তাৱ আনিছে। ৰাইজে গাৱে-গাৱে থাকি গম পাইছে আমি কি কি কাম কৰিছোঁ। আমাৰ চৰকাৰে উন্নয়ণমূলক দিশত বহুতো কাম হাতত লৈছে আৰু সেই মতেই কাম-কাজ কৰিছে। মোৰ গড়পুৰ সমষ্টিতেই যোৱা চৰকাৰে ৭ লাখ টকাৰ আৰ. এল, এ, জি, পি আৰু এন, আৰ, ই, পি আঁচনিত কাম কৰিবলৈ লৈছিল কিন্তু সেই ৭ লাখ টকাৰ ভিতৰত এক লাখ টকাৰো কাম নহল। সেই টকা কলৈ গ'ল। আগৰ চৰকাৰৰ দিনৰ এটা কামৰ নমুনা মই দিব বিচাৰিছোঁ। এটা আলি বাটত এখন চাইনবোৰ্ড আছে। যিফালে কাম কৰিছে সেই ফালৰ চাইনবোৰ্ডৰ আখৰ কেইটা লিখা আছে আৰু যিফালে কাম হোৱা নাই সেইফালে চাইনবোৰ্ডৰ আখৰ কেইটা গোবৰৰে মোহাৰি দিছে। গতিকে এই বিলাক কথা চাব লাগে।

---

★ Speech not Corrected.

মাননীয় অধ্যক্ষ মহোদয়, তাৰ পিচত আৰু এটা কথা উত্তৰ পূৰ্ব্বাঞ্চলত ৰাজনৈতিক পৰিস্থিতি বহুত দিন ধৰি বিৰাজ কৰিছে। আজি আমি কোনোবা মন্ত্ৰীৰ ওচৰলৈ গলে জানিব পাৰো সেই বিভাগত ৩৫ কোটি টকা ধাৰ। ৩০ কোটি টকা ধাৰ। এইদৰে প্ৰত্যেক বিভাগৰ মন্ত্ৰীয়ে কয়। কিন্তু আমাৰ চৰকাৰে যি পৰিমাণৰ টকা খৰচ কৰিছে সেই অনুপাতে কামো হৈছে। উদাহৰণ স্বৰূপে মোৰ সমষ্টিৰ বান নিয়ন্ত্ৰণ বিভাগত ২ কোটি টকাৰ প্লেন লৈ কাম কৰিছে। সেইটো ৰাইজে দেখি ভাল পাইছে। গতিকে তেওঁলোকে অৰ্থাৎ আজি বিৰোধী সদস্যসকলে অনাস্থা প্ৰস্তাৱ আনি নাইকিয়া কৰিব পাৰিব জানো? সাংস্কৃতিক দিশতো ভাৰসাম্য ৰক্ষা পৰিছে। আমি হাফলংলৈ যেতিয়া শান্তি যাত্ৰাত গৈছিলো তেতিয়া তাত নাচ-গান দেখিছিলো আৰু এই নাচ-গানৰ লগত সম্প্ৰিতিৰ বান্ধ জৰিত হৈ আছে। আমাক গড়পুৰতো শান্তিৰ যাত্ৰা পাৰ্টিটোক আদৰি নিছিল। গতিকে আজি সদনত অনাস্থা প্ৰস্তাব আনিলে কি হ'ব? ৰাইজৰ আমাৰ প্ৰতি আস্থা আছে। তেওঁলোকে আমাক লক্ষ্য কৰি আছে। আমি আগতে য'ত সভা-সমিতি কৰা নাছিলো তাত আমি সভা-সমিতি কৰিব পাৰিছোঁ। ৰাইজে আমাক আদৰণি জনাইছে। স্কুল-কলেজৰ ল'ৰা-ছোৱালীবিলাকে আমাক নিমন্ত্ৰণ কৰিছে। তেওঁলোকৰ আশ্বাস আছে, প্ৰিঞ্চিপালবিলাকৰ আশ্বাস আছে, তেনে স্থলত আপোনালোকে অনাস্থা প্ৰস্তাৱ আনিলে কি হ'ব?

মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ কেইজনমান মাননীয় সদস্যই কৈছে যে আজি বড়োসকলৰ একো সমস্যা সমাধান হোৱা নাই। জনজাতীয়সকলৰ একো হোৱা নাই। কিন্তু মোৰ সমষ্টিৰ কথাই মই কব বিচাৰিছোঁ যে আমাৰ চৰকাৰে যি ১২ খন স্কুল চৰকাৰীকৰণ কৰিছে তাৰে ২ খন বড়ো মাধ্যমৰ স্কুল। তাত বড়ো জনজাতী লোকসকলেই চাকৰি পাইছে। আকৌ পঞ্চায়ত নিৰ্বাচনৰ কথা কৈছে যে তাত গণ্ডগোল হৈচে। আমি কব বিচাৰো যে অ: গ: প: চৰকাৰৰ দিনত এই নিৰ্বাচন পাতিব পৰা নাছিল। শেষত আমাৰ চৰকাৰৰ দিনত এই নিৰ্বাচন পাতিবলৈ লোৱা হল আৰু সেই মতেই পতা হৈছে। মোৰ সমষ্টিত বিৰোধী পক্ষৰ পাৰ্টিয়ে ৮ টা সমষ্টি পাইছে আৰু আমি পাইছো ২৮ টা। ১৪ বছৰে পঞ্চায়ত নিৰ্বাচন পাতিব পৰা নাছিল কিন্তু আমাৰ চৰকাৰে পাতিলো সেইবিলাক আমাৰ চৰকাৰৰ এচিভমেণ্ট নহয় জানো। আজি মহিলাসকলক আমাৰ চৰকাৰে যথেষ্ট সুবিধা দিছে। তেওঁলোকৰ মাজত বোৱা-কটা আচ-ৰাবকে আদি

কৰি সকলো সামগ্ৰী যোগান ধৰিছে য'ত নেকি তাৰ পৰা তেওঁলোক লাভবান হৈছে।

তাৰ পিচত ৰাজহ আদালত, বড়োলেণ্ড সমস্যা, এ, এচ, ডি, চি আদি কৰি যিবোৰ সমস্যাৰ কথা আছে সেইবোৰৰ বিষয়ে আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে কব। মই এটা কথা মন কৰিছোঁ যে আজি গোটেই ভাৰতবৰ্ষতে কংগ্ৰেছৰ নিচিনা আন এটা দল নাই যি টা দলে সকলো জাতি-উপজাতিকে সামৰি লৈছে। আজি যিবোৰ দলে বিভিন্ন জনগোষ্ঠিক এটাৰপৰা আনটোক আতঁৰাই নিব বিচাৰিছে কংগ্ৰেছ দলে সেই আটাইবোৰকে একেলগ কৰাৰ কাৰণে প্ৰচেষ্টা হাতত লৈছে আৰু সেই কাৰণে সকলোবোৰ সমস্যা ৰাজনৈতিক মাধ্যমেৰে সমাধান কৰাৰ কাৰণে এই দলে ইতিবাচক প্ৰচেষ্টা হাতত লৈছে। এই চৰকাৰৰ দিনতে চুতীয়া, মৰাণ, মটক আদি লোকসকলৰ বাবে আসন সংৰক্ষন কৰাৰ ব্যৱস্থা হাতত লৈছে আৰু অতি সোনকালে এই ব্যৱস্থাৰ বিষয়ে ঘোষণা হলেই এই সম্প্ৰদায়ৰ লোকসকলে নানা সুবিধা পাব বুলি মই দৃঢ়ভাবে কব পাৰো। এই ক্ষেত্ৰত মই এটা কথা উল্লেখ কৰিব খোজো যে আমাৰ বিৰোধী দল বিলাকে আজি চৰকাৰক যি ধৰণে সহায় আগ বঢ়াব লাগিছিল তাকে নকৰি তেওঁলোকে কিছুমান নেতিবাচক নীতি গ্ৰহণ কৰি আছে। তেওঁলোকে বিভিন্ন সময়ত চৰকাৰে কৰিবলৈ লোৱা কাম কাজবোৰত বিধি পথালি দি তেওঁলোকৰ নিজৰ দলৰ মুনফা আদায় কৰাৰ বাবে ৰাজনীতি কৰাত ব্যস্ত হৈ পৰিছে। যোৱা ১৯৭১ চনৰ পৰা অসমত যি তীব্ৰ আন্দোলন হৈছিল সেই আন্দোলন নেতিবাচক আন্দোলন আছিল কাৰণেই সম্পূৰ্ণ বিফল হল। সেই আন্দোলনত যিসকল লোক শ্বহীদ হ'ল তেওলোক শ্বহীদ হৈয়ে থাকিল, তাৰ পৰা অসমৰ জনসাধাৰণে কোনো সুফল নাপালে। সেই কাৰণে মই বিৰোধী দলৰ সদস্য সকলক অসমৰ সমূহীয়া উন্নয়নৰ কাৰণে ধ্যান দিব বুলি অনুৰোধ জনালোঁ। আৰু আজি যিটো অনাস্থা প্ৰস্তাৱ আনিছে সেইটো উঠাই লব বুলি আশা কৰিলো। আজি কংগ্ৰেছ দলৰ চৰকাৰে অসমৰ উন্নয়নৰ কাৰণে যি প্ৰচেষ্টা হাতত লৈছে সেই কামবোৰ কৰিবলৈ সকলোৱে চৰকাৰক সুবিধা দিয়ক। এই চৰকাৰে অহা দিনবোৰত অসমত এখন স্থায়ী চৰকাৰ দিব পাৰিব আৰু অসমৰ বিভিন্ন সমস্যাবোৰৰ স্থায়ী সমাধান কৰিব পাৰিব। সেই কাৰণে বিৰোধী দলৰ সদস্য সকলে তেওলোকৰ নেতিবাচক দৃষ্টিভংগী প্ৰত্যাহাৰ কৰি ইতিবাছক দৃষ্টি ভংগী

গ্ৰহণ কৰক। আজি এই চৰকাৰৰ প্ৰতি ৰাইজৰ আস্থা বাঢ়িছে। তেনে ক্ষেত্ৰত এই চৰকাৰখনক ব্যাতিব্যস্ত কৰি তুলিবৰ কাৰণে যিটো অনাস্থা প্ৰস্তাৱ আনিছে তাৰ কাৰণে বিৰোধী দ'ল বিলাকক অসমৰ ৰাইজে বেয়া পাব। গতিকে তেখেত-সকলে এই অনাস্থা প্ৰস্তাৱটো উঠাই লৈ চৰকাৰে লোৱা প্ৰচেষ্টাবোৰত সহায় সহযোগ আগ বঢ়াব বুলি অনস্থা প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

★ শ্ৰীভৃগু কুমাৰ ফুকন : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ মজিয়াত বিৰোধীদলৰ পক্ষৰপৰা যি অনাস্থা প্ৰস্তাব উৎথাপন কৰা হৈছে সেই প্ৰস্তাৱৰ প্ৰতি মই সমৰ্থন আগবঢ়াই মোৰ বক্তব্য দাঙি ধৰিব খুজিছোঁ। এটা কথা ঠিক যে বিৰোধী ৰাজনৈতিক দ'ল হিছাপে আমাৰ প্ৰত্যেকৰে একো একোটা সামাজিক দায় বদ্ধতা আছে আৰু যিহেতু আমি একো একোটা অঞ্চলৰ প্ৰতি-নিধি হিচাপে বিধান সভালৈ নিৰ্বাচিত হৈ আহিছো গতিকে সেই দায়বদ্ধতাৰ ক্ষেত্ৰত আমি এই অনাস্থা প্ৰস্তাৱৰ জৰিয়তে চৰকাৰৰ দৃষ্টি ভঙ্গীৰ প্ৰতি ৰাইজৰ মনোযোগ আৰু তেওঁলোকৰ আশা আকাংখাৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিব বিচাৰিছোঁ। সংসদী শাসন ব্যৱস্থাৰ জৰিয়তে বিৰোধী দলবিলাকে এটা অনাস্থা প্ৰস্তাব উৎথাপন কৰা বিষয়টো একো আচৰিত কথা নহয়, কিন্তু অনাস্থা প্ৰস্তাবৰ জৰিয়তে যিখিনি কথা উত্থাপন কৰা হয় সেই ক্ষেত্ৰত চৰকাৰে কি কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰে সেইটোহে লক্ষনীয় বিষয়। আজি অসমৰ বিভিন্ন সমস্যাবোৰৰ সমাধানৰ ক্ষেত্ৰত যি ধৰণৰ পদক্ষেপ লব লাগিছিল তেনে ধৰণৰ পদক্ষেপ লোৱাত চৰকাৰ নিশ্চিত ভাবে ব্যৰ্থ হোৱা আমি দেখিবলৈ পাইছোঁ। উদাহৰণ স্বৰূপে যিদিনাৰ পৰাই এই চৰকাৰ প্ৰতিস্থিত হ'ল সেই দিনাৰ পৰাই বাতৰি কাকতত প্ৰচাৰ কৰা হল যে আলফাকে ধৰি অসমৰ বিভিন্ন সমস্যাবোৰ অতি সোনকালে সমাধান কৰা হ'ব আৰু বিভিন্ন সংগঠনবোৰকো তেওঁলোকৰ সমস্যাবোৰ আলাপ আলোচনাৰ মাজেদি সমাধান কৰিব লাগে বুলি প্ৰচাৰ কৰা হ'ল। কিন্তু তাৰ পিচতে অসমৰ সমস্যা সমাধানৰ নামত সৈন্য বাহিনী জাপি দিয়া হ'ল আৰু এই সৈন্য বাহিনীৰ দ্বাৰা কেইবাজনো লোকক হত্যা কৰা হ'ল। নানা লোকৰ সা-সম্পত্তি ধ্বংস কৰা হ'ল। তাৰ পিচতে আলোচনাৰ কথা উত্থাপিত হোৱাত কিছুমান বিৰোধী ৰাজনৈতিক দলে এই আলোচনাত বাধা দিয়ে বুলি কোৱা হ'ল। তাৰ ফল স্বৰূপে ৰাজনৈতিক

★Speech not Corrected

নেতাৰ লগতে একজন সংবাদিক আৰু এজন অধিবক্তাকো গ্ৰেপ্তাৰ কৰা হ'ল। সেই কাৰণে মই ইয়াৰ আগৰ বাৰ বিধান সভাতে চৰকাৰক এটা কথা কৈছিলো যে চৰকাৰ আৰু আলফাৰ মাজত যি আলোচনা হৈছে সেই বিষয়ে অসমৰ ৰাইজক জনাব লাগে। ইয়াৰ মাজতে নলবাৰী জিলাত ৮ জন পাৰা মেলিটেৰীৰ জোৱানক নৃসংশ ভাবে হত্যা কৰা হল। এই ঘটনা অসমৰ কোনো মানুহে ভাল পোৱা নাছিল আৰু এই ঘটনাত জড়িত ব্যাক্তিসকলক শাস্তি দিব লাগে বুলি সকলোৱে দাবী কৰিছিল। কিন্তু দোষী ব্যাক্তি বিচৰাৰ নামত নলবাৰী জিলাৰ ৰাইজৰ ওপৰত এক জঘন্য অত্যাচাৰ কৰা হ'ল— মানুহক ৰাজ পথৰ ওপৰেৰে চোঁচোৰাই নিয়া হল।

মাননীয় অধ্যক্ষ মহোদয়, নিৰিহ জনসাধাৰণক ৰাজ পথলৈ চোঁচোৰাই নি জঘন্য অত্যাচাৰ চলালে। ঘৰত ল'ৰ-তিৰোতা থাকিব নোৱাৰা পৰিবেশ সৃষ্টি হল। নলবাৰীত ৮০-৮২ বছৰীয়া আবাল বৃদ্ধাই এই অত্যাচাৰৰ বলী হবলগীয়া হ'ল। জনসাধাৰণক শত্ৰু হিচাবে গন্য কৰি যি অত্যাচাৰ চলালে সেইটো একো আচৰিত হবলগীয়া কথা নহয়। ৰাজ্যখনক শান্তিৰ পথলৈ আগুৱাই নিব লাগিব বুলি মুখ্য মন্ত্ৰী ডাঙৰীয়াই ৰাজহুৱাভাৱে প্ৰকাশ কৰিছিল— ৰাজনৈতিক স্বৰ্থ বা মুনাফা আদায় কৰাৰ কাৰণেহে। আমাৰ ভৰিৰ তলত যি মাটি আছে সেই মাটিৰ ওপৰত ভৰ দি আমি ৰাজনীতি কৰিছো। কিন্তু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ভৰিৰ তলত মাটি আছে। তেখেতে সেই মাটিৰ ওপৰত ভৰ নিদি ব্লেকেটৰ মাজত সুৰক্ষিত হৈ কিয় ৰাজনীতি কৰিছে। তেখেতে ব্লেককেট এৰি ৰাইজৰ মাজলৈ ওলাই আহক। মুখ্যমন্ত্ৰী আসনৰ পদমৰ্যাদাক বিৰোধী দল হিচাবে আমি কেতিয়াও নিবিচাৰো। মাননীয় অধ্যক্ষ মহোদয়, থিক সেইদৰে অসমৰ সমস্যা, বড়োলেণ্ডৰ সমস্যা আৰু কাৰ্বি আংলং সমস্যা আমি দেখিছো। বিৰোধী দলবিলাকৰ লগত আলোচনা কৰিছে যদিও চৰকাৰে কি কৰিব বিচাৰিছে একো জনোৱা নাই। ৰাজ্যখনত শান্তিযাত্ৰা আৰম্ভ হল। তাত আমাৰ কবলগীয়া একো নাই। আমি কেবল কব বিচাৰিছো অসমত সম্পূৰ্ণভাৱে শান্তি প্ৰতিস্থা কৰাটো। অসমত অশান্তি সৃষ্টি কৰিবলৈ লোৱা লামডিঙৰ ঘটনাই শাসনৰ স্পষ্ট প্ৰমান আমি পাইছো। মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা সুধিব বিচাৰিছো টাইমচ্ অব ইণ্ডিয়া ৭ তাৰিখৰ কাকতত— No illegal migrans in State আনহাতে ৬ তাৰিখৰ পেপাৰত কৈছে— Influx creation Security problem.

মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে দুমুখীয়া নীতি লৈছে। ভিতৰত এটা কয় আ'নহাতে বাহিৰত এটা কয়। প্ৰথমতে কলে ৩০ লাখ বিদেশী নাগৰিক আছে। পিচত কৈছে অসমত এজনো বিদেশী নাগৰিক নাই। ৫ বছৰীয়া শাসনৰ সময়ত বহুতো কাম কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু কোনো এটা সমস্যাৰে সমাধান কৰিব পৰা নাই। এই সমস্যাবিলাক সমাধান নকৰি ইজনে সিজনক কিয় দোষাৰূপ কৰিছে। সমস্যা সমাধান নহয়। ই এটা ব্যাধিহে। সমগ্ৰ দেশত, সমগ্ৰ বিশ্বত কেনেকৈ সমস্যা সমাধান কৰিব পাৰে সেই কথা চিন্তা কৰাৰ প্ৰয়োজন আছে বুলি মই ভাবো। মাননীয় অধ্যক্ষ মহোদয়, মূল্য বৃদ্ধিৰ বিষয়ে অলপ কব বিচাৰি ছোঁ —মূল্য বৃদ্ধিয়ে জনসাধাৰণৰ জীৱন অতীষ্ঠ কৰি তুলিছে। আই কংগ্ৰেছ শাসনৰ পিচত এনেকুৱা অৱস্থা হৈছে প্ৰতিবিধ বস্তুৰ যি চৰা দাম হৈছে জনসাধাৰণৰ জীৱন নিৰ্বাহ কৰাটো কঠিন হৈ পৰিছে। আচৰিত কথা হৈছে বস্তুৰ মূল্য নিয়ন্ত্ৰণ কৰিবৰ যোগান বিভাগ আছে। যোগান বিভাগটো মন্ত্ৰীয়ে চলাইছে নে ব্যৱসায়ীয়ে চলাইছে এই বিষয়ে চৰকাৰৰ পৰা জানিব বিচাৰিছোঁ। কবলৈ লাজ লাগে আই কংগ্ৰেছ দুৰ্নীতিৰ কথা জানিব পাৰি। অন্য বিভাগ যিয়ে নহওক অন্ততঃ শিক্ষা-বিভাগটোত দুৰ্নীতি হব নালাগে। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনালোকৰ ভালৰ কাৰণে কৈছো চৰকাৰে ১০ লাখ নিবনুৱাক চাকৰি দিম বুলি কৈছে। কিন্তু ১০ লাখ নিবনুৱাক চাকৰি দিব নোৱাৰে। সেই নিবনুৱাসকলেই হাতত বন্দুক লবই। চৰকাৰৰ ভুল নীতিৰ কাৰণে যুৱক-যুৱতী সকলৰ এই অৱস্থা হৈছে। সেইবুলি মই উচতাই দিবলৈ যোৱা নাই। মেডিকেল কলেজৰ দুৰ্নীতিৰ কথা কব বিচাৰিছোঁ— কোনো বাচনি পৰীক্ষা নোহোৱাকৈ ৪০ জন লোকক নিযুক্তি দিয়া হৈছে। তেওঁলোকক দিয়া কাৰণে মেধাবী ছাত্ৰ-ছাত্ৰীসকল বঞ্চিত হবলগীয়া হৈছে। সেই সিদ্ধান্ত বাতিল কৰিবৰ কাৰণে দাবী জনাইছোঁ আৰু অনুৰোধ কৰিছোঁ। এইখিনি কথা আনুষ্ঠানিকভাৱে উৎথাপন কৰি পুনৰ সমৰ্থন জনাই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছোঁ।

Mr. Speaker : Honourable Member Anjan Dutta.

( Debate continues with Mr. Deputy Speaker in the Chair.

★শ্ৰীঅঞ্জন দত্ত : মাননীয় অধ্যক্ষ মহোদয়, আজি বিৰোধী দলে যি অনাস্থা প্ৰস্তাৱ আনিছে তাৰ মই ঘোৰ বিৰোধিতা কৰিছো আৰু বিৰোধী দলৰ মাননীয়

---

★Speech not Corrected,

সদস্য সকলক অনাস্থা প্ৰস্তাৱ উঠাই লবলৈ অনুৰোধ কৰিছোঁ। আজি যি পৰিবেশৰ সৃষ্টি হৈছে এই সময়ত অনাস্থা প্ৰস্তাৱ অনাটো ঠিক নহয়। দেশখনত ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক সুস্থিৰতাত ব্যাঘাট জন্মোৱাৰ কাৰণে এই অনাস্থা প্ৰস্তাৱ অনা হৈছে। মাননীয় সদস্য শ্ৰীভৃগু কুমাৰ ফুকনে আইন শৃংখলাৰ ওপৰত সমালোচনা কৰিছে। এই বিধান সভাত তেখেতে দিয়া বিবৃতিত কৈছিল এই সময় চোৱাৰ ভিতৰত ১৭১ জনক হত্যা কৰা হৈছে, ৰাজধানী চহৰত বহুত সংখ্যক হত্যা ডকাইতি হৈছে, অসম বন্ধ বিভিন্ন সংগঠনে পালন কৰিছিল, তাৰ ভিতৰত এ, জি, পি, ও আছিল। মাননীয় সদস্য শ্ৰীভৃগু কুমাৰ ফুকন গৃহ মন্ত্ৰী হৈ থাকোতে আইন শৃংখলা কেনেকুৱা আছিল তাৰ বিষয়ে অসমৰ প্ৰাক্তন মুখ্য মন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহ দেৱে বাতৰি কাকতত লিখিছিল। আনহাতে প্ৰাক্তন মুখ্য মন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ কথা কৈছে যে নিজৰ গৃহ মন্ত্ৰী জনক মুখ্য মন্ত্ৰীয়ে নিজে দোষাৰোপ কৰিছে। এই কথা প্ৰাক্তন মুখ্য মন্ত্ৰী শ্ৰীসিংহদেৱে কৈছিল। এনে পৰিস্থিতি অসমখনত গঢ়ি উঠিছিল। আজি অসমত শান্তিৰ পৰিবেশ ঘূৰি আহিছে তাক স্বীকাৰ কৰিব লাগিব। আগতে দেশখনক ভাল পাওঁ বুলি আন্দোলন গঢ়ি তুলিছিল। প্ৰকৃত অসমীয়া বুলি কৈ দেশখনক থানবান কৰি পেলাইছিল। অসমীয়া জাতিক গঢ়িবলৈ গৈ জাতিটোক কিছু নিশেষ কৰি পেলাইছিল। আমি তেনে অসমীয়া নহওঁ, আমি আহোম ৰজা চুকাফাৰ অসমীয়া, সুদূৰ আৰব দেশৰ পৰা আহি জিকিৰ গাই ফুৰা আজান ফকিৰৰ অসমীয়া, অসমৰ সংস্কৃতিক সঞ্জিৱিত কৰি তোলা সেই জ্যোতি প্ৰসাদ, বিষ্ণু ৰাভাৰ অসমৰ আমি সেই অসমীয়া। শঙ্কৰ মাধৱে প্ৰজ্বলিত কৰা অসমৰ আমি সেই অসমীয়া। যি আন্দোলনৰ দ্বাৰা অসমৰ বিভিন্ন জনগোষ্ঠী অসমীয়া জাতিক থানবান কৰিলে সেই আন্দোলনকাৰী অসমীয়া আমি নহওঁ। যিখিনিৰ দ্বাৰা এই জাতি নিচিহ্ন হয় সেইখিনি আমাক নেলাগে। আজি বড়ো সকলে কাৰ্বি সকলে ৰাজ্য দাবী কৰিছে। তেওঁলোকে কৈছে অসমে শোষন কৰিছে আৰু শাসনৰ গাড়ীত থকা সকলে কৈছিল কেন্দ্ৰই শোষন কৰিছে। ইয়াৰ বাবে দায়ী কোন? এই পৰিস্থিতি কিহৰ বাবে হব লাগিছে? বাতৰি কাকতৰ যোগেদি চৰকাৰক সমালোচনা কৰি অসমীয়া সমাজখনক দুৰ্ব্বল কৰিব দিব নোৱাৰি। অসমৰ যুৱকৰ হতাশা আৰু ক্ষোভৰ কথা কোৱা হৈছে। এইটো কিহৰ বাবে সৃষ্টি হৈছে। ইয়াৰ বিশ্লেষণ কৰিবৰ বাবে সময় পাৰ হৈ গৈছে। যি সকল ছাত্ৰ আজি অৰ্দ্ধশিক্ষিত হল, যি সকলৰ

সংস্থাপন নহল, যি সকলৰ নিৰাপত্তা নাই সেই সকলে আজি ক্ষোভ কৰিছে। যোৱা পাচ বছৰে অসমৰ যুৱক সকলক কোনো সংস্থাপন দিব নোৱৰিলে, ইয়াতকৈ আৰু দুখৰ কথা নাই। এই ক্ষেত্ৰত আমি গঠনমূলক সমালোচনা বিচাৰোঁ। অলপ আগতে এজন মাননীয় সদস্যই কৈছে যে বয়স হোৱা নাই কাৰণে মন্ত্ৰী হব পৰা নাই। এই ভাৱ কোনো যুৱকৰে থাকিব নালাগে। এনে ক্ষেত্ৰত মই নিজকে যুৱক বুলি চিনাক্তি দিবলৈ লজ্জা বোধ কৰো। মন্ত্ৰী বিধায়ক হৈ সমাজৰ মাজত গৈ গামোছা, আই সকলৰ উৰুলি আদি লৈ নানা কথাৰ অৱতাৰণা কৰা হয়। এইটোৱে সমস্যাৰ আচল সমাধান নিদিয়ে। এই ধৰণে কাম কৰাৰ ফলস্বৰূপে আজি অসমীয়া সমাজখন খানবান হৈ গল। আজি বড়ো সকলৰ দৰে মিচিং আদি সকলো জনজাতীয় লোকে যদি সুকীয়া ৰাজ্য বিচাৰে তেতিয়া অসমখন থাকিব কত। যোৱা পাঁচ জুলাই বাতৰি কাকতত সেই সময়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীপুলকেশ বৰুৱাই কৈছিল—

'Referring to the ULFA problem, Mr. Pulakesh Barua (Ex-Speaker) said that it is an outcome of the Assam agitation. All the front line leaders of then All Assam Students Union became Ministers, M.L.A.'s after the agitation and started to live luxuriously while thousands of youths remained unemployed. He stated 'frustation has led to their taking up arms'.

আলফা সংগঠনক উচটনি দিছিল আমি আজি সেই সকল যুৱকক হতাশ বুলি কৈছো। আলফাক উচটনি দি শান্তিৰ বাতাবৰণ নষ্ট কৰিছে। এতিয়া আলোচনাৰ সৃষ্টি হৈছে, আলোচনাৰ মেজলৈ আনিবলৈ চেষ্টা কৰা হৈছে। কাৰোবাৰ প্ৰতি হতাশা আনিবলৈ আমাৰ আক্ৰোশ ভাৱ নাই। আপোনালোকে জানে যে আমাৰ মাননীয় মুখ্য মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া ডাঙৰীয়াৰ পৰিয়ালৰ পাচজনৰো অধিক লোকক হত্যা কৰা হ'ল। আই, এন, টি, ইউ, চি, ৰ সভাপতি মানবেন্দ্ৰ শৰ্মাক হত্যা কৰা হৈছিল। তেতিয়া তেওঁৰ পত্নীয়ে মুখ্য মন্ত্ৰীক কৈছিল যে সেই লৰাবোৰক শাস্তি দিব নেলাগে, তেওঁলোকক আলোচনালৈ আনিব লাগে। মুখ্য মন্ত্ৰী ডাঙৰীয়াই কোনো প্ৰতিশোধ মূলক ভাব নলৈ তেওঁলোকক আলোচনাৰ মেজলৈ অনাৰ যি চেষ্টা কৰিছে, তালৈ আমি আদৰণি জনোৱা উচিত।

মই ভাবো এই ক্ষেত্ৰত আমাৰ চৰকাৰ সফল হৈছে। যেতিয়া মুখ্য মন্ত্ৰী মহোদয়ে বিহু সন্মিলন আদিলৈ যায় লাখ লাখ জনসাধাৰণৰ ভিৰ হয়। ইয়াৰ পৰা বুজা যায় অসমত শান্তিৰ বাতাবৰণ হৈছে।

অসম বন্ধ বহুত হৈছে। এই অসম বন্ধই ৰাইজৰ বহুত অনিষ্ট কৰিছে। এই বন্ধত যিবিলাক চৰকাৰী কৰ্মচাৰী বিষয়া সকলে ভাগ লৈছিল তেওঁলোকৰ দৰমহা কৰ্ত্তন কৰা হৈছিল। পাচত অৱশ্যে তেওঁলোকক দৰমহা ঘূৰাই দিলে তাৰ বাবে ধন্যবাদ জনাইছোঁ। কিন্তু যিবিলাক দুখীয়া নিচলা মানুহে দোকান পোহৰ আদি দি কোনো মতে জীয়াই আছিল তেওঁলোকৰ এই বন্ধ বিলাকত কিমান ক্ষতি হ'ল কোনে হিচাব ৰাখিছে। যিবিলাক ডেকাই বেংকৰ পৰা ঋণ লৈ কিবা এটা সংস্থান বিচাৰি সৰু সুৰা উদ্যোগ বা দোকান আদি আৰম্ভ কৰিছিল তেওঁলোকৰ এই বন্ধৰ ফলত কি দুৰ্গতি হৈছিল সেইটো কোনে হিচাব ৰাখিছে। ব্যৱসায় চলাব নোৱাৰি, বেংকৰ ঋণ দিব নোৱাৰি তেওঁলোকৰ কি গতি হ'ল সেইটো কোনে জানে। তাৰোপৰি যিবিলাকে দিন হাজিৰা কৰি কোনো মতে ভাত মুঠি মোকলাই আছিল এই বন্ধৰ ফলত কি গতি হ'ল কিমান দিন লঘোনে থাকিল সেই খবৰ জানো কোনোবা নেতাই ৰাখিছিল ? এই আন্দোলনত সমৰ্থন কৰা কোনোবাই প্ৰতিবাদ কৰিছে নে ? এতিয়াৰ দৰে তেতিয়া ২ টকাত চাউল পোৱাৰ ব্যৱস্থা নাছিল। সেই দুখীয়া নিচলা সকলৰ প্ৰতি এতিয়া কংগ্ৰেছ দলৰ নেতা সকলে বহল দৃষ্টিত ৰাখিছে আৰু সুদৃষ্টি ৰাখিছে। তেওঁলোকৰ সমস্যা সমাধান কৰিবলৈ চেষ্টা চলাইছে। যিসকল নিবনুৱা ডেকা আছে তেওঁলোকক সংস্থান দিবলৈ চেষ্টা কৰা হৈছে। আমি বহুতো সমস্যাৰ সন্মুখীন হব লগা হৈছে। আমি যদি দেশক ভাল পাওঁ আমি যদি অসমীয়াক ভাল পাও, তেন্তে আমাৰ অসমীয়াৰ স্বাৰ্থৰ খাটিৰত মই কব খোজো আমাৰ নিচিনা ডেকা গাভৰু আৰু অসমত নালাগে। বিএ, ফেল বিএ পাচ বা মেট্ৰিক পাচ লৰা ছোৱালী আৰু আমাক নালাগে। আমাক লাগে মেধাবী ছাত্ৰ। তেওঁ লোকক আৰু আন্দোলন মুখী কৰিব নালাগে। ছাত্ৰ সকলে পঢ়ক। বিৰোধীতা যি কোনো সময়ত কৰিব পাৰে স্কুল চুটিৰ পাচত বা বন্ধত। কিন্তু স্কুল কলেজ বন্ধ কৰি আন্দোলন কৰিব নালাগে। আমাৰ দৰে নেতা আৰু আমাৰ প্ৰয়োজন নাই। দেশৰ স্বাৰ্থত কাম কৰিব লাগে অসমত মেডিকেল কলেজত নাম ভৰ্ত্তিকৰণৰ কথা কৈছে। এই ক্ষেত্ৰত মই দেখিছো যোৱা বাৰ যিটো পৰীক্ষা পাতিছিল

শতকৰা ৭৪ পোৱা সকলেও চিটি পোৱা নাই। অধ্যক্ষ মহোদয় আইনখন আচৰিত হব যি জনে শতকৰা ৮০ পাইছে আৰু যি জনে শতকৰা ৭৪ পাবে এমাহৰ পাচত পৰীক্ষা পাতিলে ৮০ নম্বৰ পোৱা জনে কম নম্বৰ পায়। যি সকল মেধাবী ছাত্ৰ তেওঁলোকে এডমিচন পাইছে বা ব্যৱস্থা লৈছে, চিট বঢ়াইছে ভাল কথা তাক কোনেও নুই কৰিব নোৱাৰে। ছাত্ৰ সকলক আন্দোলন মুখী হবলৈ উচতনি দিয়াৰ কোনো যুক্তি নাই। মেডিকেল কলেজত কোন ছাত্ৰক এডমিচন দিয়া হ'ল এই বিষয়ে ছাত্ৰ সকলৰ চোৱা কোনো প্ৰয়োজন নাই। সেই বিলাক চাবলৈ আমাৰ ন এ, জি, পি, দলৰ নেতা হিতেশ ডেকা আছে আৰু অন্যান্য নেতা সকল আছে। শিক্ষাৰ পৰিবেশ কেনে ধৰণে গঢ়ি তুলিব পাৰি তালৈকে আমি চাব লাগিব। বিৰোধী দলৰ সদস্য সকলোকো এই ক্ষেত্ৰত মনোনিবেশ কৰিবলৈ মই অনুৰোধ জনাইছোঁ। আমাৰ চৰকাৰে এই ক্ষেত্ৰত পলিচি লৈছে। ছাত্ৰ ছাত্ৰীক শিক্ষাত মনোনিবেষ কৰিবলৈ পৰিবেশ গঢ়ি তুলিব লাগিব আমাৰ সদস্য সকলে। কাৰোবাৰ কবলগীয়া থাকিলে বা স্পষ্টিকৰণ লাগিলে বিধান সভা বা আমাৰ মূখ্য মন্ত্ৰী আছেই। আমাৰ দৰে উশৃংখল যুৱক যুৱতি আৰু আমাৰ অসমত নালাগে। আমাৰ দৰে অৰ্ধ শিক্ষিত নেতাৰ আৰু প্ৰয়োজন নাই। এই ক্ষেত্ৰত মই কাকো দোষাৰূপ কৰিব খোজা নাই। দেশৰ পৰিস্থিতি, হতাশা আৰু ক্ষত্ৰতে এই পৰিবেশৰ সৃষ্টি কৰিছে। গতিকে তাৰ আমি সংশোধনি কৰিব লাগিব আৰু সংশোধন হব লাগিব। আমি যদি সচঁকৈ দেশ খনক ভাল পাও আমি যদি সচাঁকে দেশ খন সমৃদ্ধীশালী কৰি গঢ়ি তুলিব বিছাৰিছো তেন্তে শুদ্ধ ভৱিষ্যত গঢ় দিবলৈ হলে আন্দোলন পৰিহাৰ কৰিব লাগিব। আৰু শিক্ষাত মনোনিবেশ কৰিব লাগিব। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত ১০ জনো শিক্ষক নিযুক্তি হোৱা নাই বুলি কৈছে। মই জনাত ইতিমধ্যে বহু সংখ্যক শিক্ষক নিযুক্তি হৈছে। ইয়াৰ হিচাব মুখ্য মন্ত্ৰীয়ে দিব। শিক্ষা ক্ষেত্ৰত আমাৰ অসম আগবাঢ়ি গৈছে। কেৱল এটা পৰিৱেশ গঢ়ি তুলি, সমাজৰ প্ৰতি দায়বদ্ধতা ৰাখি ছাত্ৰ-ছাত্ৰীসকলে দেশৰ ভৱিষ্যতৰ প্ৰতি দায়বদ্ধ হৈ সৰ্বভাৰতীয় প্ৰগতিত অংশ গ্ৰহণ কৰিব পৰা কৈ আগ বাঢ়ি যাব লাগিব। যিবিলাক সৰ্বভাৰতীয় প্ৰতিযোগিতা মূলক পৰীক্ষা পাতে সেইবিলাকত অংশ গ্ৰহণ কৰিব পৰা হ'ব লাগিব। নহলে আমাৰ ৰাজ্য প্ৰগতিৰ পথত আগ বাঢ়িব নোৱাৰে। আমাৰ বহু সমস্যা আছে। বিৰোধী দলৰ সদস্যসকলে অপপ্ৰচাৰ চলাই আছে। যোৱা বাৰ বিধান সভাত আমগুৰিত গেচ ভিত্তিত বিদ্যুৎ প্ৰকল্প এটা প্ৰতিষ্ঠা কৰিব বুলি বিদ্যুৎ মন্ত্ৰীয়ে

ঘোষণা কৰিছে। কিন্তু বিৰোধী সদস্যসকলে অপপ্ৰচাৰ চলাই তাৰ পৰা উঠাই বেলেগত পাতিব। তেওঁলোকে আম একচন কমিটি গঠন কৰিছে। তাৰ পাছত শিৱসাগৰ বন্ধৰ ঘোষনা কৰিছে। এইদৰে তেওঁলোকে আন্দোলন কৰাৰ সুযোগ গ্ৰহণ কৰিছে। তিনি জুনৰ দিনা চাৰিং মহাবিদ্যালয়ত মুখ্য মন্ত্ৰীয়ে এই বিষয়ে জনাইছে। তাৰ পাছতো আন্দোলনৰ কাৰ্য্যসূচী হাতত লৈছে। শোভাযাত্ৰা আদি কৰি ৰাইজক ব্যতিব্যস্ত কৰিছে। মই ভাবো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়ে ঘোষনা কৰিব। এনে ধৰণে অপপ্ৰচাৰ চলাই এই অপপ্ৰচাৰৰ যোগেদি অসমৰ ৰাইজক অসমৰ ভৱিষ্যতৰ ছাত্ৰ-ছাত্ৰীক পথভ্ৰষ্ট কৰি গভীৰ ষড়যন্ত্ৰ চলাই ৰাজনৈতিক সুযোগ গ্ৰহণ কৰি আছে। আমি সমালোচনা কৰিব লাগিব। কিন্তু গঠনমূলক সমলোচনা হ'ব লাগিব।

উপাধ্যক্ষ মহোদয়, আজিৰ এই অনাস্থা প্ৰস্তাৱ কিয় আনিছে আমি বুজি পোৱা নাই। যোৱা ৫ টা বছৰত শ্ৰীঅজিত শৰ্মা, কনকসেন ডেকা, গোলাপ বৰবৰা, গৌৰীশংকৰ ভট্টাচাৰ্য্য, নন্দেশ্বৰ তালুকদাৰ, শৰৎ চন্দ্ৰ সিংহ, সবিতা গোস্বামী আদিয়ে বিভিন্ন বাতৰি কাকতত বিভিন্ন কথা প্ৰকাশ কৰিছে। যিসকল বড়ো, কাৰবিয়ে অসম আন্দোলনত অংশ গ্ৰহণ কৰিছিল সেইসকলেও আজি স্বায়িত্ব শাসিত ৰাজ্য বিচাৰিছে। আজি বিভিন্ন জনগোষ্ঠীৰ মাজত বিভিন্ন ভাৱ গঢ়ি উঠিছে। গতিকে কোচৰাজবংশী, মিচিং, অসম টাই পৰিষদে যে সুকীয়া ৰাজ্য নিবিচাৰিব তাৰ কোনো মানে নাই। তেনেহলে অসম কত থাকিব অসমীয়া মানুহ কোন হব ? এইখিনি কথা আমি লক্ষ্য কৰিব লাগিব। সমিল মিলৰ মাজেৰে চুকাফাৰ মনৰ সপোন, শংকৰদেৱৰ আদৰ্শেৰে অনুপ্ৰানিত হৈ অসমীয়া সমাজ গঢ়ি তুলিব লাগিব। আমি অসম বিধান সভাৰ বিধায়কসকল একত্ৰিত হৈ যদি আমি সচাকৈয়ে অসমক ভাল পাওঁ, অসমীয়া সমাজক ভাল পাওঁ তেনেহলে একত্ৰিত হৈ অসমৰ উন্নতিৰ কাৰণে কাম কৰিব লাগিব। নহ'লে আমাৰ নাতি পুতিসকলে ইতিহাসত অসমীয়াৰ নাম বিচাৰি নাপাব। গতিকে বিৰোধী দলক এই অনাস্থা প্ৰস্তাৱ উঠাই লোৱাৰ বাবে মই অনুৰোধ কৰিছোঁ। আমাৰ দেশখনত বহুতো সমস্যা আছে, এই সমস্যাবিলাক একে সময়তে সমাধান কৰা সম্ভৱ নহয়। আমাৰ অসম চুক্তিৰ সম্পৰ্কত সেই সময়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ দেৱে কি কৈছে...... ৰাজ্য চৰকাৰে বিদেশী চিনাক্ত কৰি বহিষ্কাৰ কৰাত হোৱা ব্যৰ্থতা ঢাকিবলৈ অবৈধ প্ৰব্ৰজনকাৰী ( ন্যায়াধিকৰণৰ দ্বাৰা চিনাক্তকৰণ )

আইনখন ( আই, এম, দি, টি, এক্ট ) বাতিল বা সংশোধন কৰাৰ আইনখন সংশোধন কৰাৰ প্ৰশ্ন তুলিছে। বিদেশী চিনাক্তকৰণ আৰু বহিষ্কাৰৰ সুবিধাৰ বাবে এবাৰ আইনখন সংশোধনও কৰা হ'ল। অসম গণ পৰিষদৰ দ'ল আৰু চৰকাৰ এই সংশোধনীৰ অংশীদাৰ। অসম চৰকাৰে চুক্তি ৰূপায়ন কৰোতে পোৱা কিছুমান বাধা আতঁৰ কৰাৰ বাবে এই সংশোধনীৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু অসম চুক্তি ৰূপায়নৰ বাবে আজিৰ চৰকাৰে যি ব্যৱস্থা লৈছে যোৱা ৫ টা বছৰত চুক্তিৰ সফল ৰূপায়ন কৰিব নোৱাৰা বাবে দোষাৰোপ কৰিম কাক? বিভিন্ন মত প্ৰকাশ কৰিছে। গতিকে বিৰোধী দলে অনাস্থা অনাৰ বাবে যুক্তি বিচাৰি পোৱা নাই। গতিকে বিৰোধী দ'লৰ মাননীয় সদস্যসকলক অনাস্থা প্ৰস্তাৱ উঠাই লৈ চৰকাৰৰ সমৰ্থন জনোৱাতো উচিত বুলি অনুৰোধ জনাই মোৰ বক্তব্য সমৰণি মাৰিলো।

★ শ্ৰীশশকমল সন্দিকৈ : মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ সদনত বিৰোধী দলৰ সদস্যসকলে যি অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিছে আৰু তাৰ লগতে আমি আজিৰ দিনটোত অসম চৰকাৰৰ বিৰুদ্ধে যি অনাস্থা প্ৰস্তাৱ আনিছে তাত ভাৰত চৰকাৰৰ যিটো শিল্প নীতি, উদ্যোগ নীতি এই নীতিৰ বিৰুদ্ধে সমগ্ৰ ভাৰতবৰ্ষতে শ্ৰমিকসকলে ধৰ্মঘট পালন কৰিছে। স্বাভাৱিকতে এই অনাস্থা প্ৰস্তাৱ সমৰ্থন কৰিছো। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে আত্মসমৰ্পন কৰা আলফাৰ পুনৰ সংস্থাপনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা ১১০ কোটি টকা আনিছে। আনহাতে অসম পেট্ৰকেমিকেলটো এটা লাভজনক উদ্যোগ। এই উদ্যোগ এক্সপানচন কৰাৰ বাবে ১২ কোটি টকাৰ প্ৰয়োজন। ইয়াৰ বাবে ইনডাষ্ট্ৰীয়েল দেভেলপমেণ্ট বেংকে ৭॥ কোটি টকা, অসম পেট্ৰকেমিকেলচে ২॥ কোটি টকা দিব। আৰু বাকী ২ কোটি টকা অসম চৰকাৰে বিনিয়োগ কৰিব লাগে। সেইটো নকৰি হিমতসিংকাক অংশীদাৰ হিচাপে লবলৈ বিচাৰিছে। ভাৰতচৰকাৰৰ যিটো শিল্প নীতি সেইটো আজি ব্যক্তিগত ব্যৱসায়ীৰ হাতত তুলি দিবলৈ বিচাৰিছে। হস্তান্তৰ কৰিবলৈ ওলাইছে। গতিকে আজি আমি অনাস্থা প্ৰস্তাৱ সমৰ্থন কৰিবলৈ বাধ্য হৈছো। অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা পায় আৰু কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক মাহী আইৰ চকুৰে চোৱা নাই। অসমৰ মূল শিল্প হৈছে চাহ শিল্প। কিন্তু আমাৰ এই চাহ শিল্পৰপৰা আমি কি পাওঁ? ১২ শ কেজি চাহ

★Speech not Corrected

বিক্ৰি কৰা হয় তাৰ বিনিময়ত কেন্দ্ৰীয় চৰকাৰে প্ৰায় ১৮০০ টকা আৰু অসম চৰকাৰে পায় ১৮০ টকা। মাটি আমাৰ, শ্ৰমিক আমাৰ, অথচ আমি ১৮০ টকাহে পাওঁ। তাৰোপৰি ১৯৯১ চনতে কেন্দ্ৰীয় চৰকাৰে অসমক শ্লিপাৰ যোগান দিবলৈ কৈছিল। তাৰবাবে অসম চৰকাৰক পইচাও দিছে। কিন্তু ৩৯ হাজাৰ শ্লিপাৰ যোগান ধৰিলে অসমে কিন্তু তাৰে ৮০ শতাংশই কাঠ বেয়া বুলি ৰিজেক্ট কৰা হ'ল। আনহাতে যোগানকাৰীক পেমেণ্ট কৰাও হল। এতিয়া ৮০ শতাংশ কাঠৰ টকা কেন্দ্ৰীয় চৰকাৰক ঘূৰাই দিব লাগিব। সেই টকা অসমৰ ৰাজকোষৰ পৰাই যাব। তাৰ বাবে অসম চৰকাৰে কি ব্যৱস্থা লৈছে। মাননীয় মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই যিদিনা শপত গ্ৰহন কৰিছিল সেইদিনাই মূল্যবৃদ্ধি হ্ৰাস কৰিম বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু কি কৰিব পাৰিলে প্ৰতিশ্ৰুতি প্ৰতিশ্ৰুতি হৈয়ে থাকিল।

মাননীয় উপাধ্যক্ষ মহোদয়, কেইমাহ মান আগতে চাউলৰ দাম ৩·৫০ পৰা ৪ টকা আছিল আৰু আজি চাউলৰ দৰ কিমান? আজি বজাৰত চাউলৰ দৰ ৭·৫০ পইচাৰ পৰা ৮ টকালৈকে হৈছেগৈ। এই চৰকাৰেই নিৰ্বাচনৰ আগত বস্তুৰ মূল্য প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত ৰাইজক প্ৰতিশ্ৰুতি দিছিল যে নিত্য ব্যৱহাৰ্য্য বস্তুবোৰৰ মূল্য ৰোধ কৰা হ'ব, কিন্তু ক'তা আজি বস্তুৰ দাম কমিল জানো? গতিকে যি চৰকাৰে প্ৰতিশ্ৰুতি দি ৰাখিব পৰা নাই আচলতে সেই চৰকাৰৰ শাসনত থকাৰ অধিকাৰ নাই। তাৰ পাছত কৈছিল বৃদ্ধ-বৃদ্ধাক পেনশ্যন দিব, বিধবা মহিলা সকলক পেনশ্যন দিব কিন্তু আজি সেইটো কাৰ্যকৰী নহ'ল। তাৰ পাছত নদী নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত আৰু গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হ'ব কিন্তু সেই প্ৰতিশ্ৰুতিও ৰক্ষা কৰা নহ'ল। আনকি যোৱা ২৫ তাৰিখে দলং ভাঙি সমস্ত চৌখোৱা মৌজাটো আজিও প্লাবিত হৈ আছে। সেই অঞ্চললৈ মন্ত্ৰী ভাঙৰীয়া হেনো গৈছিল আৰু কৈছিল যে ১৫ দিনৰ ভিতৰত কেম্পত থকা শৰণাৰ্থী সকল নিজৰ নিজৰ ঘৰলৈ ঘূৰি আহিব পাৰিব, কিন্তু আজিও মেৰামতিৰ কাম বিলাক সম্পূৰ্ণ হৈ নুঠিল ফলত সেই অঞ্চলৰ মানুহ বিলাক ভিলেজ কেম্পতে থাকিব লগীয়া হৈছে। তেওঁলোকৰ খেতিৰ মাটি এতিয়া প্লাবিত হৈছে গতিকে তেওঁলোকৰ খেতি-বাতি কৰাৰ কোনো উপায় নোহোৱা হৈছে। এতিয় ৰিলিফৰ নামত ৰাজকোষৰ পৰা হাজাৰ হাজাৰ টকা খৰচ হৈ আছে। সেই অঞ্চল অতি উৰ্বৰা অঞ্চল, ভাত

উৎপাদন বেছি হয় কিন্তু যদি মঠাউৰীটো বান্ধি নিদিয়ে সেইটো যদি ভাঙি যায় তেতিয়া হ'লে সমগ্ৰ অঞ্চলেই নদীৰ বুকুতে জাহ যাব। সেই অঞ্চলৰ ৰাইজে আজি ৰিলিফ বিচৰাতকৈ তেওঁলোকে বিচাৰে মঠাউৰীটো বান্ধি দিয়া আৰু ব্ৰিজ বান্ধি দিয়া আৰু তেওঁলোকে নিজে ভাত পৰিশ্ৰম কৰি সেই নিৰ্মাণ কাৰ্যত দেহে-কেহে লাগি যাব, ৰাইজে বিচাৰিছে তেওঁলোকক এই বানপানী গৰাখহনীয়াৰ পৰা ৰক্ষা কৰিব লাগে। অধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণ বিভাগৰ প্ৰধানকৈ দুটা কৰ্তব্য আছে, নদী নিয়ন্ত্ৰণৰ লগে লগে সীমা ৰক্ষা কৰাটোও এই বিভাগৰ দায়িত্ব। প্ৰতি বছৰেই লুইতে গৰাখহনীয়াৰ সৃষ্টি কৰি আমাৰ সীমাৰ মাটি খহাই আনিছে আৰু আন হাতেদি অৰুণাচলৰ সীমা বৃদ্ধি কৰি আনিছে সেইদৰে কৰিমগঞ্জত কুচিয়াৰা নদীয়ে ভাৰত বৰ্ষৰ সীমাৰ মাটি খহাই আনিছে আৰু বাংলাদেশৰ সীমা বৃদ্ধি কৰি আনিছে। এই বিলাক প্ৰতিৰোধৰ ব্যৱস্থা বান নিয়ন্ত্ৰণ বিভাগে কৰিব পাৰে। নহলে আমাৰ সীমাত গৰাখহনীয়াৰ প্ৰকোপ চলি আমাৰ সীমা সংকুচিত হৈ আহিব। উপাধ্যক্ষ মহোদয়, আইন-শৃংখলাৰ কথা মই নকওঁ, আমাৰ পৰৱৰ্তী সদস্য সকলে কৈ গৈছে। কিন্তু বিগত দিনবোৰত আমাৰ মহিলা সকলৰ ওপৰত অকথ্য অত্যাচাৰ লাঞ্ছনা হৈ গৈছে। দেবযানী দাসৰ মৃত্যু, আৰু যোৱা ১৫ তাৰিখে সেনাবাহিনীৰ হাতত আন এগৰাকী মহিলা ধৰ্ষিতা হৈ লাজ-অপমানত আজিও নিৰুদ্দেশ হৈ আছে। অসমৰ ৰাইজ ভয় আৰু ত্ৰাসত মৰ্মাহত হৈছে। গতিকে মাননীয় শাসক দলৰ সদস্য সকলে এই কথা চিন্তা কৰি অনাস্থা প্ৰস্তাবৰ প্ৰতি সমৰ্থন জনাব বুলি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★শ্ৰীচন্দন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ বিৰোধী দলৰ সদস্য সকলে আমাৰ চৰকাৰৰ ওপৰত যি অনাস্থা প্ৰস্তাৱ আনিছে তাৰ ওপৰত বিৰোধিতা কৰি মই দুই-চাৰিটা কথা কম। চাৰ, আপুনি ইতিমধ্যে লক্ষ্য ৰাখিছে যে অসমত কংগ্ৰেছ চৰকাৰ চলা মাত্ৰ কেইমাহ মান হৈছে. এতিয়াও এবছৰ হোৱা নাই অসমৰ ৰাইজে এই কংগ্ৰেছ দলক শাসনত অধিস্থিত কৰা আৰু এই কম সময়ৰ ভিতৰতে মাননীয় বিৰোধী পক্ষৰ বিশেষকৈ অ, গ, প দ'লৰ সদস্য সকলে এই চৰকাৰৰ ওপৰত অনাস্থা প্ৰস্তাৱ আনিছে, কি কি কাৰণত তেওঁলোকে অনাস্থা প্ৰস্তাৱ আনিছে, তেওঁলোকে কৈছে যে দুৰ্নীতি

* Speech not corrected

হৈছে, আইন-শৃংখলৰ অৱনতি হৈছে, আৰু ৰাজ্যখনৰ কোনো ভাল কাম কৰিব পৰা নাই, ইত্যাদি বিলাক দোষ জাপি দিছে, এই সম্পৰ্কত মই সকলো কথা নকওঁ. এটা কথা বিশেষ মন কৰিব লগীয়া যে প্ৰাক্তন গৃহমন্ত্ৰীয়ে এবাৰ কথা কৈছে যে আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ ভৰিৰ তলত মাটি নাই। (ভইচ— মই তেনেকৈ কোৱা নাই)। এই ক্ষেত্ৰত মই ক'ব বিচাৰিছো, প্ৰাক্তন গৃহ-মন্ত্ৰীয়ে অনুভৱ কৰা উচিত যে আজি অসমৰ হাজাৰ হাজাৰ জনসাধাৰণে আজি এমূৰৰ পৰা একেবাৰে সিমুৰলৈ সকলোৱেই সমৰ্থন কৰিছে আৰু তেঁৱেই এই সমস্ত ৰাইজক নেতৃত্ব দিছে আৰু সকলোৱে তেখেতৰ নেতৃত্ব মানি লৈছে। কাৰণ আজি অসমত বহু দিনৰ বিৰতিৰ পিছত মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াৰ নেতৃত্বত ৰাজ্য খনত শান্তি প্ৰতিস্থিত হৈছে। কিন্তু যোৱা ৫ বছৰ আগতে এই ৰাজ্যখনত শান্তিৰ কি ব্যৱস্থা হৈছিল সকলোৱে জানে। প্ৰাক্তন মুখ্যমন্ত্ৰীৰ নেতৃত্বত ৰাজ্য খনত কি ঘটিছিল অসমৰ বিভিন্ন অঞ্চল বিলাকত অস্ত্ৰ, বোমা, বন্দুক বনোৱাৰ কাৰখানা গঢ়ি তুলিলে. অস্ত্ৰ-শস্ত্ৰৰ ট্ৰেইনিং চলিল. ৰাজ্যখনৰ চাৰিও ফালে সন্ত্ৰাসবাদৰ সৃষ্টি হ'ল, মানুহৰ নিৰাপত্তা নোহোৱা হ'ল আনকি আমাৰ মানুহ বিলাকে বিশেষকৈ কংগ্ৰেছৰ মানুহ বিলাকে গধুলি ৫ বজাৰ পাছত বাহিৰত থাকিব নোৱাৰা হ'ল। যোৱা ৫টা বছৰে ৫ বজাৰ আগতে ঘৰৰ ভিতৰত ভয় আৰু আশংকাৰে দিন পাৰ কৰিব লগীয়া হ'ল। কংগ্ৰেছ দলৰ সদস্যক গুলীয়াই মৰা হ'ল। যোৱা ৫টা বছৰত বিভিন্ন ব্যৱসায় গোষ্ঠীৰ পৰা ২০/২৫ লাখ টকা জোৰ-জবৰদস্তি কাঢ়ি নিয়া হ'ল। আন নালাগে আপোনাৰ বৰপেটা ৰ'ডত থকা বঙ্গালী, মাৰোৱাৰীৰ ব্যৱসায়ীৰ পৰা লাখ লাখ টকা জোৰ কৰি আদায় কৰিলে, ফলত বৰপেটা ৰোডৰ পৰা বেছিভাগ ব্যৱ-সায়ীয়ে শিলিগুৰীলৈ গুচি গ'ল। এনেদৰে যোৱা ৫টা বছৰ অসমৰ ৰাইজে সন্ত্ৰাসবাদৰ ভয়ত ভয়াবহ দিন বিলাক পাৰ কৰিব লগীয়া হৈছিল। ৰাজ্যখনৰ চাৰিওফালে অশান্তি আৰু ভাবুকিয়ে জনসাধাৰণক বিতস্ত কৰি তুলিছিল। যোৱা ৫টা বছৰত ৰাইজে অতিষ্ঠ হৈ পৰিছিল আৰু কংগ্ৰেছ চৰকাৰক শাসনত অধিষ্ঠিত কৰিলে যাতে ৰাজ্যখনত অতি সোনকালে শান্তি ঘূৰাই আনিব পাৰে। কিন্তু কংগ্ৰেছ আই চৰকাৰ শাসনত আহিয়েই আগৰ অ, গ, প, চৰকাৰে সৃষ্টি কৰা জঞ্জাল বিলাক, বোমা, বন্দুক, বাৰুদ বিলাক চাফা কৰিব লগীয়া হৈছে। মই নিজেও আছু কৰিছিলো, কিন্তু যেতিয়া দেখিলো অৰাজনৈতিক সংগঠন কৰি

---

Speech not Corrected

পিছত যেতিয়া প্ৰফুল্ল মহন্ত, প্ৰাক্তন মুখ্যমন্ত্ৰীয়ে ৰাজনৈতিক সংগঠনৰ সৃষ্টি কৰিলে তেতিয়া গোলাই অ হি লা আৰু কংগ্ৰেছ আই দলত সোমালো। প্ৰথমতে অৰাজনৈতিক সংগঠন কৰি পিছত আছুৰে এ. জি, পি কৰিলে, এক ৰাজনীতিৰ খেল খেলিলে তাৰ পাচত এই অ, গ, পই আলফা হৈ বিভিন্ন সময়ত বিভিন্ন ৰূপ ললে। এটা বছৰতেই এখন দোকানৰ পৰা ৫০ লাখ টকা লৈ গৈছে। আমাৰ কংগ্ৰেছ চৰকাৰে এতিয়া এই অৰাজকতা আৰু এই বিশৃংখল বিলাক দূৰ কৰি ৰাজ্যখনত শান্তি প্ৰতিষ্ঠা কৰি ৰাজ্যখনৰ ভাল কাম এটা কৰিবলৈ যাওঁতে তাত চাৰিও ফালৰ পৰা নানা ভাৱে বাধাৰ সৃষ্টি কৰি কিছুমান দলে ৰাজনৈতিক মুণাফা আদায় কৰাৰ বাবে চেষ্টা কৰিছে।

অসমৰ ৰাইজে পঞ্চায়ত নিৰ্বাচন পাতিলে এই নিৰ্বাচনত কংগ্ৰেছ দলে শতকৰা ৯০ ভাগতকৈ বেছি পাইছে। আমি ভাল কাম কৰাৰ কাৰণে বেছি ভোট পাইছোঁ। আজি বিধান সভাৰ মজিয়াত অনাস্থা প্ৰস্তাৱ আনিছে। এইখিনিতে মই কব বিচাৰিছো যে প্ৰাক্তন মুখ্য মন্ত্ৰীয়ে এখন কিতাপ লিখিছে আৰু তাত উল্লেখ কৰিছে ৩০ লাখতকৈ অধিক বিদেশী নাগৰিক আছে। যোৱা পাঁচ বছৰত কিমানজন বিদেশী নাগৰিক খেদিব পাৰিলে আমি জানো। নেতৃত্বত থাকিলে বহু কথাই এৰি দিব লগা হ'য়। যোৱা পাঁচ বছৰত কিমানজনক চাকৰি দিলে। প্ৰাক্তন গৃহমন্ত্ৰীয়ে কিমানজনক চাকৰি দিছে। জনসংখ্যা অনুপাতে ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু কিমানজনে চাব ইন্সপেক্টৰ চাকৰি পাইছে? বিভিন্ন চাকৰিৰ ক্ষেত্ৰত আজি আমাৰ কংগ্ৰেছ চৰকাৰ প্ৰতিষ্ঠিত হোৱাৰ লগে লগে মন কৰক বিভিন্ন বিভাগত জনসংখ্যা ভিত্তিত চাকৰি পাইছে। তেখেতে কৈছে স্কুলত দূৰ্নীতি হৈছে এইখিনিতে কব বিচাৰো শ্ৰীভূপেন ৰায় ডাঙৰীয়াক উত্তৰ শালমৰাত ৪৪ জনক চাকৰি দিয়া হৈছে। মোৰ লগত প্ৰতিদ্বন্দ্বিতা কৰা সমাজবাদী দলৰ প্ৰাৰ্থীক ১০ জনৰ চাকৰি আগতে দিয়া হৈছে। কংগ্ৰেছ দলৰ আদৰ্শ আছে। সেইমতে চিলেকশ্যন বৰ্ডত আগতে চাকৰি দিয়া হৈছে। আমি বহুত কষ্ট কৰিছিলো। অলপ কবলৈ দিয়ক মই বেছি দুৰ্নীতিৰ বিষয় নকওঁ। মীন উন্নয়ণ নিগমত মই নিজেই সভাপতি হিচাপে আছো। টি, য়ে আদি লৈছো বুলি বিধান সভাৰ মজিয়াত বহুত দুৰ্নীতি কথা আনিছে। আজি মই কবলৈ সুযোগ পাইছো ১৯৮৮ চনৰ পৰা ১৯৯০ চনলৈকে দুই কোটি আঠচল্লিশ লাখ টকা দিয়া হৈছে। তাৰে ৭ লাখ টকা প্ৰাক্তন মুখ্যমন্ত্ৰীয়ে নগাওঁ বাচষ্টেণ্ড চফা কৰিছিল সেই ৰেকৰ্ড মোৰ অফিচত আছে। এইটো অনুসন্ধান কৰিবৰ বাবে বিধান সভাৰ কমিটী গঠন কৰি দিয়ক।

তেনেকুৱা উদাহৰণ বহুত দেখাব পাৰিম। মই সভাপতি হোৱাৰ পাচত চি বি আইৰ অনুসন্ধান দাবি কৰিছিলো এই ২ কোটি ৪৮ লাখ টকা খৰছ কৰাৰ ৰেকৰ্ড পাতি জমা আছে। সেই সময়ৰ সভাপতি শ্ৰীযুগল শইকীয়াক দুৰ্নীতিৰ অপৰাধত প্ৰাক্তন মুখ্যমন্ত্ৰীয়ে সভাপতি পদৰ পৰা বিতাৰণ কৰিছিল। এই দুৰ্নীতিৰ কথা কবলৈ গ'লে বহুত সময় লাগিব। কংগ্ৰেছ চৰকাৰে দুৰ্নীতি কৰিছে বুলি কাগজে পত্ৰই প্ৰমান কৰি দিয়ক। কংগ্ৰেছ দলে ১০ টকা বা ৫ টকা লৈছে বুলি প্ৰমান কৰি দিব পাৰিলে আমি শাস্তি লব পাৰিম। প্ৰমান কৰিব নোৱাৰিলে বিধান সভাৰ সদস্য পদ এৰি দিব লাগিব। দুৰ্নীতি ৰেকৰ্ড বজোৱা কথাটো অসমৰ ৰাইজে কেতিয়াও বিশ্বাস নকৰে। যোৱা ৫ বছৰত মোৰ সমষ্টিত ১৫ জন কংগ্ৰেছ কৰ্মীক হত্যা কৰা হৈছে। কি অপৰাধত মই অভয়াপুৰী চহৰত ঘূৰি ফুৰিব নোৱাৰিছিলো। কংগ্ৰেছৰ আদৰ্শক মই বিশ্বাস কৰো। কংগ্ৰেছৰ সক্ৰিয় সদস্যক গুলিয়াই হত্যা কৰা হৈছে। যোৱা এবছৰত মাননীয় মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াৰ নেতৃত্বত এই চৰকাৰে সন্ত্ৰাসবাদ নিৰ্মূল কৰি আনিছে। অলপ বাকী আছে। বিৰোধী দলৰ সদস্যসকলক অনুৰোধ জনাইছো। ধৈৰ্য্য ধৰক ১ বছৰ সম্পূৰ্ণ হোৱা নাই অসমত শান্তি স্থাপন কৰিলে। অলপ সময় দিয়ক। অসমৰ নিবনুৱা সমস্যা অৰ্থনৈতিক সমস্যা পৰিস্কাৰ কৰিব পাৰিব। অসমৰ ৰাইজে বিশ্বাস ৰাখিছে। অসমৰ বৰ্ত্তমান যিটো জাতি গঠন কৰাৰ প্ৰক্ৰিয়া তাত বিভিন্ন সময়ত বিভিন্ন জনগোষ্ঠীৰ মাজত হিংসা হৈছে। ইয়াত সদায় উচতনি দিয়া হৈছে। লামডিং হোজাই গণ্ডগোলৰ কথাকে কওঁ। ইয়াত কংগ্ৰেছ দল লিপ্ত হৈছে বুলি কোৱা হৈছে। কংগ্ৰেছ দলৰ আদৰ্শ হৈছে ত্যাগ। মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শকীয়াই ত্যাগ স্বীকাৰ কৰাৰ কাৰণে প্ৰাক্তনমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত আৰু প্ৰাক্তন গৃহমন্ত্ৰী শ্ৰীভৃগু কুমাৰ ফুকন মন্ত্ৰী হব পাৰিছিল। ১৯৮৩ চনত নিৰ্বাচিত চৰকাৰ আছিল। অসম চুক্তিক স্বীকাৰ কৰি অসমত প্ৰতিষ্ঠিত চৰকাৰখনে নিজে দায়িত্ব ভাৰ এৰি দিছিল— অসমৰ অস্তিত্ব ৰক্ষা হওঁক। কিন্তু অসমৰ অস্তিত্ব ৰক্ষা হোৱা নাই। অসমৰ জংঘলবোৰত ট্ৰেইনিং কেম্প হ'ল। পৃথিবীৰ ইতিহাসত নাই যে বন্দুকৰ গুলিৰে, চাবুকেৰে কোবাই অন্তৰ জয় কৰা যায়। যেতিয়া ভাৰতবৰ্ষৰ চাৰি সীমাৰ পৰা কোনো দেশ বিতাৰিত কৰিব বিছাৰে সেই উচতনি নিৰ্মূল কৰাৰ কাৰণে আৰামৰ দৰকাৰ। ভাৰতবৰ্ষৰ কিছুমান শক্তিয়ে উঠিপৰি লাগিছে। সেইটো নিৰ্মূল কৰাৰ কাৰণে অসমত আৰমি অনা

হৈছে। এ জি পি দলেও শাসনৰ গাদীত থকা হ'লে আৰমি আনিব লাগিল হেঁতেন। অসমখনত বিদেশী ৰাষ্ট্ৰই আক্ৰমণ কৰিব বিচাৰিছে। সন্ত্ৰাসবাদ নিৰ্মূল কৰিব লাগিব। এই ক্ষেত্ৰত আৰু বহুত কথা কব লগা আছে। আমাৰ বিৰোধী দলে অসমৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত অনাস্থা প্ৰস্তাৱ উঠাই লয় যেন। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Honourable Deputy Speaker : Now Honourable Member Shri Mission Ranjan Das.

*Shri Mission Ranjan Das : Honourable Deputy Speaker, Sir, I am participating in this discussion supporting the No Confidence Motion. Sir, we lost confidence in this Government for its multiple failures. Sir, this Government has failed in deporting the infiltrators from Bangladesh, in supplying regular electricity. This Government has also failed in maintaining law and order, in checking corruption in almost all spheres. Sir, infiltration from Bangladesh and Pakistan into India is known to all. Central Government admitted that in all States infiltrations from Bangladesh and Pakistan are taking place. Infiltration from Bangladesh to Assam has been admitted by the Honourable Chief Minister, Assam, and also by Honourable Governor of Assam. In last Budget session Honourable Chief Minister of Assam boldly declared that Assam will not be a colony of Bangladesh. Bangladesh is interfering into the internal problems of Assam by throwing its population through different means.

We appreciate the Chief Minister for his courageous declaration that he will deport all the infiltrators from Assam. In reply to a call attention motion raised by Honourable Member Shri Prafulla Kumar Mahanta on 10th April 1992

---

★ Speech not Corrected.

Honourable Chief Minister declared in the floor of the House that in Assam there were around 30 lakhs infiltrators living in Assam. But after a few days when the Muslim Forum threatend that Hiteswar Saikia Government will be pulled down within 5 minutes unless the Chief Minister withdraw his statement regarding infiltration from Bangladesh we observed that the Chief Minister came down from his earlier statement. Not only this the Chief Minister claimed that there is no infiltrators in Assam. But at the same time Honourable Governor of Assam claimed that there is large influx of poulation in Assam from Bangladesh. So by saying this the Honourable Chief Minister misled the House and betrayed the interest of Assam.

Sir, it is really surprise that Honourable Chief Minister admitted the presence of infiiltrators in Assam and assured that Central Government have sanctioned crores of rupees to take action in this regard. He also stated that identity cards will be issued in border areas of the State. Nobody in Assam can say that there is no infiltrators. It is known to all, India is disturbed from Bangladesh and Pakistan. Both the countries are throwing their additional population to India. In Assam almost all reserved forests, kash land, Char areas are captured by infiltrators. Sir Law and order situation is Assam is very bad state. I have visited Lumding on 7th June and have seen what police did. There was police firing killing 3 innocent persons. There was no lathi charge, no tear gas cell bursting, no curfew, no magistrarial order for firing. It was totally an unprovoked firing for various interest of the ruling party. Police was searching absconders,

criminals' at the same time they are issuing statements from the M.L.A. Hostel. We demand unqualified apology of the M,L.A. for justifying police firing.

Mr. Deputy Speaker : I want to know whether you will take the fullest responsibility of the allegation that you have made against the M.L.A. of the Lumding constituency ? This my simple question ?

★ ডাঃ ভূমিধৰ বৰ্মণ, (শিক্ষামন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, সদনৰ বিৰোধী দ'লৰ নেতা প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই তেখেতৰ ভাষণত কৈছে যে মাননীয় উপাধ্যক্ষৰ ঘটনাটোৰ লগত একো নাই। তাৰ পিছতো বিৰোধী দ'লৰ এজন সদস্য হৈ তেখেতে এই বিষয়টো উত্থাপন কৰাত মই দুখ পাইছোঁ।

★Shri Mission Ranjan Das : Let me conclude my speech first, sir, you can contradict it later on.

* Dr. Ardhendu Kumar Dey (Minister) : Sir, I am quoting the Rule. As per rule he cannot raise this (interference and voices).

★ Shri Nagen Sharma : Sir, He is not the Minister for Parliamentary Affairs. So, he cannot speak on this.

Mr. Deputy Speaker : I have the right to ask the question since I am occupying the Chair. My simple question is whether the Honourable Member Shri Das will take the fullest responsibility of what is alleging against the M.L.A of Lumding constituency ?

* Dr. Ardhendu Kumar Dey ( Minister ): Sir, under Rules of Procedures and Conduct of Business of the Assam Legislative Assembly, I quote 'it shall not relate to any

---

★Speech not Corrected

matter which is under adjudication by a Court of Law having jurisdiction in any part of India'. The matter which has been referred to by the Honourable Member Shri Das is under investigation by a Commissioner. There, the matter is subjudiced and cannot raised in the House.

Mr. Deputy Speaker : Being in the Chair, I asking this question as per rule, whether you are ready to take the fullest responsibility of the allegation raised by you ?

• Shri Promode Gogoi : Mr. Deputy Speaker, Sir, my humble request is that since you are in the Chair you are to conduct the proceedings of the House in a smooth way and without controversy. Fortunately or unfortunately, you represent the Lumding constituency where the incident has taken place. But now you are occupying the Chair and, therefore, have to conduct the business of the House. Kindly donot intervenc in the proceedings which may lead to controversy and confusion in the House.

Mr. Deputy Speaker : I fully endorse the views of Mr. Gogoi. But I have the right to ask whether Honourable Member Shri Das will take fullest responsibility of the allegation that he has made. Because nobody can mislead the House. This my submission to him.

* Shri Mission Ranjan Das : I take the fullest responsibility of what I have said.

Mr Deputy Speaker : Ok, than please continue.

* Shri Mission Ranjan Das : Sir, on 14th April, 1992, the police in civil drass beaten up bus driver and conductor of the marriage party. Public protested against this. They

*Speech not Corrected

also protested against inflicting griovious injuries to the bus driver and conductor in public place without any rhyme and reason. Sir, the Police in return beat up the public brutally followed by lathi charge and than firing. Sir, the police let loose a reign of terror in the area and made selective arreste of political workers and activists of particular political party, student leaders and vidictively beaten them up for avvenging old grudge. I sent a telegram to the Honourable Chief Minister, who alao admitted it. A Magisterial Inquiry was ordered to investigate into the incident and the inquiry is still going on. I hope that such kind of police high-handedness and vindictive attituds and selective arrests of innocent people will be stopped. Sir, we have also seen that Police is being used by the ruling party for political purposes. In this connection, I want to site an example. Sir, in Karimganj district, there is a Akhra known as 'Radha Raman Akhra' at Barigram. A plot of land was allotted in the vicinity of the Akhra for constructing the office of Gram Sevak. While allotting this plot of land it was stated in the order that if the land is not utilised for the purpose it has been so allotted, the land will automatically revested with the Government. But Sir, that plot of land has been forbihly santch away and accupied by the Congress (I) and they have constructed their office there. The Akhra Cemmittee lodged a complaint with the Police but the police remained silent and the Deputy Commissioner kept mum. Sir, such kind of high-handedness and callousness is going on in the whole of Assam.

Sir, coming to the question of corruption, I want to

say that corruption is going on unabated and rampant in the State. We have seen in the newspaper 'The Assam Tribune' published on 13th May, 1992 that illegal admission has been given to students in the Guwahati Medical College by taking bribe from each of the stduents of Rs. 40,000. Sir, I demand an inquiry into the matter. It will be better if Government conducts a Judicial Inquiry into the incident. Sir, there is a big question mark against the Silchar Medical College as to whether its recognition will continue or not. Can the Honourable Chief Minister site an example that amongst the 85 Medical Colleges throughout the country against which the question of de-recognition has ever been thought of. It is only in the case of Silchar Medical College that the question of de-recognition is being thought of. My humble submission is whether the State Government is considering the matter with all its seriousness that such a step could be avoided. Sir, in the last session, We brought an Adjournment Motion and the Honourable Chief Minister in his reply assured us that all the posts will be sanctioned and filled up. For this purpose, a sum of Rs. 15 Lakhs were already sanctioned that the Silchar Medical College will not be de-recognised. But, Sir, what has now come overground is that all the assurances have fallen felt and proved falss.

Sir, Government had stated that 17 posts were filled up but from the order which I have in my hand now shows that only 6 posts were filled. The students and staff of the Silchar Medical College are agitating for their security.

Sir, this Government promises to provide improved and regular electricity in Barak valley. Sir, situation has not charged and hours and hours and days together the whole valley remain in dark and the people are facing great difficulties in these days of soultering heat. The industrial and commercial activities have been very badly affected and we have reasons to suspect that this Government has become antibarak valley Government Sir, we have time and against raised this matter in this House and Government had also assured us that it will take urgent measures to improve the electricity supply in the Barak valley. But, sir, all these assurances bore not fruit and the situation in Barak valley has remained unchaged.

Mr. Deputy Speaker : There are other Honourable Members who also want to speak. Do you want to take the whole 30 minutes time. If you want so, you can continue.

Shri Mission Ranjan Das : Sir, this Government has totally failed to keep its promises to provide bettar electricity to the people of the valley. Why does it not take up some projects based on local resourses based on gas. We have time and against told the Government to install gas-based electricity generation projects in Assam, particularly in Barak valley. Sir, this Government has not taken any action on this demand so far. Sir, with these few words I conclude my speech.

*শ্ৰীনুৰ জামাল সৰকাৰ : মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই সদনত সকলো বিৰোধী পক্ষৰ সদস্যই আৰু সন্মানীত সদস্য শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনিছে । সেই প্ৰস্তাৱত মই বিৰোধিতা কৰি ক'ব বিচাৰিছোঁ যে তেখেতে এই প্ৰস্তাৱ অনাৰ আগতে কি

★ Speech not corrected.

ভিত্তিত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বিৰুদ্ধে এই প্ৰস্তাৱ অনাত কেৱল আমিয়েই নহয় কবলৈ গলে গোটেই অসমৰ ৰাইজে বুজিবলৈ টান পাইছে। আজি আমাৰ চৰকাৰ গঠন কৰা প্ৰায় ১ বছৰ হ'ল। এই এবছৰৰ মূৰত শান্তি-সম্প্ৰীতি ঘূৰি আহিছে। আজি অসমৰ সকলো শ্ৰেণী মানুহে নিৰাপত্তা অনুভৱ কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা এবছৰৰ আগতে পূৰ্বৰ চৰকাৰে তেখেত সকলৰ দিনত কি ঘটনা ঘটিছিল সেইটো সকলোৱে জানে। অ, গ, প চৰকাৰৰ দিনত কি ঘটনা ঘটিছিল হয়তো অসমৰ কোনো মন্ত্ৰী সভাতে তেনে ধৰণৰ ঘটনা ঘটা নাছিল। দুৰ্নীতি কথাই কওঁক, আইন-শৃংখলাৰ কথাই কওঁক বা অন্যান্য কথাই কওঁক সকলো ক্ষেত্ৰতে ৰাইজ বিমুৰত পৰিছিল। সঁচা কথা ক'বলৈ গ'লে আইন-শৃংখলাৰ নামত একোৱেই নাছিল। মানুহক হত্যা কৰা হৈছিল, ধন-সম্পত্তি লুণ্ঠন কৰা হৈছিল, ৰাষ্টা-ঘাটৰ পৰা মানুহক অপহৰণ কৰা হৈছিল। বিশেষকৈ আমাৰ কংগ্ৰেছ পাৰ্টিৰ মানুহক মাৰধৰ অত্যাচাৰ বহুতো কৰা হৈছিল। ১৯৮৩ চনত জিলাৰ সভাপতি অৰ্থাৎ শোণিতপুৰ জিলাৰ দুলাল ভূঞাক হত্যা কৰা হৈছিল। তেনেকে যোৱা চৰকাৰৰ দিনত বহুতো কংগ্ৰেছী কৰ্মীক হত্যা কৰা হৈছিল। আমি হত্যাকাৰীক ধৰা পেলাই দিলেও তেওঁলোকে হত্যাকাৰীক ধৰা নাছিল। এচ, পিকো ধৰিবলৈ মানা কৰা হৈছিল। তেওঁলোকে শৃংখলা কেনেকৈ অটুত ৰাখিছিল? পূৰ্বৰ চৰকাৰৰ দিনত আইন-শৃংখলাৰ নামত যিবিলাক ঘটিছিল অন্ততঃ বৰ্তমান চৰকাৰৰ দিনত ঘটা নাই। তেনে স্থলত তেওঁলোকে এতিয়া আইন শৃংখলাৰ কথা কৈছে?

মাননীয় উপাধ্যক্ষ মহোদয়, অ, গ, প, চৰকাৰৰ দিনত আনকি আমাৰ দলৰ কৰ্মীয়ে বিয়া-বাৰু খাব পৰা নাছিল। ৰাস্তাত মুকলি-মুৰীয়াকৈ ঘূৰি ফুৰিব নোৱাৰিছিল। তেখেত সকলৰ দিনত যদি ভাল কাম কৰিলেহেঁতেন তেতিয়াহ'লে এতিয়া যিবিলাক কথা কৈছে সেই বিলাক শুনিবলৈ ভাল পালোহেঁতেন। তেখেত সকলে দুৰ্নীতিৰ কথা কৈছে কিন্তু তেখেত সকলৰ দিনত আটাইতকৈ বেচি দুৰ্নীতি হৈছিল। ষ্টেটফেদৰ কেলেংকাৰী ঘটিছিল। এনেকুৱা বিভিন্ন ধৰণৰ দুৰ্নীতিৰ কথা আপোনালোক সকলোৱে জানে।

মাননীয় উপাধ্যক্ষ মহোদয়, এই বিলাক পৰিপ্ৰেক্ষিততে আমাৰ চৰকাৰে শাসনৰ গাদীলৈ আহিলে। ৰাইজে আমাক ভোট দিছে। আমাৰ ওপৰত আস্থা ৰাখিছে। শোণিতপুৰ ডিষ্ট্ৰিকত ৭ টা চিটত আমাৰ দ'ল জয়ী হৈছে। মানুহৰ

ওচৰলৈ আমাৰ পাৰ্টিৰ কৰ্মী যাব পৰা নাছিল ভোট আদি বিচাৰি। তথাপি কংগ্ৰেছ দ'ল জিকিলে। ৰাইজে আমাক ভোট দিছিল সেই মতেই আমি আজি চৰকাৰ গঠন কৰিছো। যাৰ ফলত অসমৰ সকলো ৰাইজ আজি মুকলি-মূৰীয়াকৈ ৰাস্তা-ঘাটে ঘূৰি ফুৰিব পাৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে এই দৰে আমাৰ চৰকাৰৰ ওপৰত অনাস্থা প্ৰস্তাৱ নানি শান্তি বাতাবৰণ সৃষ্টি কৰাত সহায় কৰিলেহেঁতেন তেতিয়াহ'লে আমি ভাল পালোহেঁতেন তথা ৰাজ্য খনৰ মংগল হ'লহেঁতেন। আজি গোটেই ৰাজ্যখনতে বহু সমস্যাই আগুৰি ধৰিছে। যেনে আলফা সমস্যা, বড়ো সকলৰ সমস্যা, কাৰ্বি সকলৰ সমস্যা এই আটাই বিলাকতে তেখেত সকলে চৰকাৰৰ লগত আলোচনা কৰি কি কি কৰিলে ৰাজ্য খনত শান্তি হয় তাৰ পথ উলিয়াই দিব পাৰিলেহেঁতেন? তাকে নকৰি আজি আমাৰ চৰকাৰৰ ওপৰত অনাস্থা প্ৰস্তাৱ আনিছে। আমাৰ চৰকাৰৰ কালৰ পৰা বহুতো উন্নয়নমূলক আঁচনি লৈছে আৰু সেই মতেই কাম কৰি আছে। আমাৰ চৰকাৰে প্ৰাইভেট স্কুল চৰকাৰীকৰণ কৰিলে। কোনো চৰকাৰৰ দিনত ইমানখিনি স্কুল চৰকাৰীকৰণ কৰা নাছিল। চাকৰি সৃষ্টি কৰিছে সেই মতেই ল'ৰা-ছোৱালীয়ে চাকৰি পাইছে। সেইদৰে আমাৰ চকৰাৰে উন্নয়নমূলক যিবিলাক আঁচনি হাতত লৈছে সেইবিলাক আগন্তুক ৫ বছৰৰ ভিতৰত সমাধা হ'ব বুলি আমাৰ বিশ্বাস।

(at about 1-14 P.M. Mr. Speaker occupied the Chair and Mr. Deputy Speaker left.)

মাননীয় অধ্যক্ষ মহোদয়, শেষত মই এটা কথাই কব বিচাৰিছোঁ যে আমাৰ চৰকাৰৰ দিনত পঞ্চায়ত নিৰ্বাচন পাতিম বুলি কৈছিল আৰু সেই মৰ্মে পাতিছে। কিন্তু অ, গ, প, চৰকাৰে তেওঁলোকৰ দিনত পঞ্চায়ত নিৰ্বাচন পাতিম বুলিও পাতিব নোৱাৰিলে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পঞ্চায়ত নিৰ্বাচন যথা সময়তেই পাতিলে।

এইবাৰ পঞ্চায়ত নিৰ্বাচনত ৰাইজে আমাকে নিৰ্বাচিত কৰিলে। বিশেষকৈ বিশ্বনাথ সমষ্টিত বা বিশ্বনাথ মহকুমাত যোৱা ২০ বছৰে কংগ্ৰেছ দলৰ কোনো সদস্য নাছিল। কিন্তু এইবাৰ ২১ টা গাওঁ পঞ্চায়তৰ সকলো কেইটাতে কংগ্ৰেছ দলৰ প্ৰাৰ্থী জিকিছে। তেওঁলোকে আজি তাত জিকিল কিয়? কংগ্ৰেছ দলে আজি যি বলিষ্ঠ পদক্ষেপ হাতত লৈছে সেই পদক্ষেপৰ দ্বাৰা নিশ্চয় অসমৰ

ভবিষ্যত ভাল হব আৰু সেই কাৰণেই অসমৰ ৰাইজে এই দলক সমৰ্থন জনাইছে। এই খিনিতে মই এটা কথা কব খুজিছো যে আজি বিৰোধী দলৰ সদস্য কিছুমানে বিদেশীৰ কথা উল্লেখ কৰিছে। শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই এটা সময়ত ছাত্ৰ নেতা আছিল আৰু সেই সময়ৰ পৰাই বিদেশী খেদা আন্দোলন কৰি এটা সময়ত অসমৰ মুখ্য মন্ত্ৰী হৈছিল। কিন্তু তেওঁ মুখ্য মন্ত্ৰী হোৱাৰ পিচত মাত্ৰ ৩৫০ জন বিদেশী চিনাক্তকৰণ কৰিব পাৰিলে। আজি আকৌ তেখেতেই বিদেশী খেদাৰ আলম লৈ ৰাইজৰ সমৰ্থন আদায় কৰিব বিচাৰিছে। কিন্তু অসমৰ ৰাইজে আজি তেওঁলোকৰ সেই প্ৰলোভন ভৰা কথাত কেতিয়াও বিশ্বাস নকৰে আৰু তেওঁ-লোকৰ এনেবোৰ কথাত কেতিয়াও সমৰ্থন নিদিয়ে। অসমৰ ৰাইজে এইটো ভুৱা বুলি গম পাইছে। সেই কাৰণে তেখেত সকলে আজি যিটো অনাস্থা প্ৰস্তাৱ দাঙি ধৰিছে সেইটো অসমৰ ৰাইজক দেখুৱাবলৈহে আনিছে। সেই কাৰণে আমি এতিয়া কি কৰিছো আৰু তেওঁলোকে যোৱা পাঁচটা বছৰত কি কৰিলে সেইবোৰ সমালোচনা নকৰি চৰকাৰে লোৱা কাৰ্য্য ব্যৱস্থাবোৰত বিৰোধী পক্ষৰ সদস্য সকলেও আলোচনা বিলোচনা আদিৰে পৰামৰ্শ আগবঢ়াই অসমত যাতে শান্তি প্ৰতিস্থা কৰিব পাৰি তাৰ বাবে চেষ্টা কৰিব লাগে। আজি আমাৰ আগত আলফাকে ধৰি বড়োলেণ্ড, কাৰ্বি আংলংৰ যি বোৰ সমস্যাই দেখা দিছে সেই সমস্যাবোৰ সমাধান কৰাৰ বাবে সকলোৱে চেষ্টা কৰা উচিত। এইখিনিকে কৈ সকলোকে ধন্যবাদ জনায় মোৰ ভাষণৰ সামৰণি মাৰিলো।

* শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ : মাননীয় অধ্যক্ষ ডাঙৰীয়া, অনাস্থা প্ৰস্তাৱৰ সমৰ্থনত মই কেইটামান বিষয় উত্থাপন কৰিব খুজিছো। যোৱা জুলাই মাহৰ ৩০ তাৰিখে এই চৰকাৰৰ প্ৰথম অধিৱেশনত ৰাজ্যপাল ডাঙৰীয়াই যি ভাষণ দিছিল তাত অসম চৰকাৰে এবছৰৰ ভিতৰত কি কি কাম কৰিব তাৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল। এই এবছৰ পাৰ হবলৈ আৰু মাত্ৰ ১৫ দিন বাকী আছে। চৰকাৰৰ আৰু প্ৰতিশ্ৰুতি আছিল এবছৰৰ ভিতৰত দুই লাখ যুৱকক সংস্থাপন কৰিব। কিন্তু এতিয়ালৈ চৰকাৰী তথ্য মতে খুব বেছি ৫০ হাজাৰ যুৱকক চৰকাৰে সংস্থাপন কৰিব পাৰিছে। তেতিয়াই তেখেত সকলে আৰু এটা প্ৰতিশ্ৰুতি দিছিলযে দৰিদ্ৰ সীমাৰেখাৰ তলত থকা প্ৰত্যেকটো পৰিয়ালকে প্ৰত্যেক মাহেকত দুটকা কেঃ জিঃকৈ ১৫ কেঃজি, চাউল যোগান ধৰা হব। এতিয়ালৈকে আমি জনামতে প্ৰত্যেকখন সুলভ মূল্যৰ দোকানৰ জৰিয়তে মাত্ৰ ৩/৪ জন মানুহকহে

★ Speech not Corrected.

এই চাউল যোগান ধৰা হৈছে। আৰু এটা কথাত চৰকাৰে প্ৰতিশ্ৰুতি দিছিল যে ১৯৮৫ চনৰ ১৫ আগষ্টত যি অসম চুক্তি সাক্ষৰিত হৈছিল সেই চুক্তি এই চৰকাৰে আন্তৰিকতাৰে আৰু নিৰ্দিষ্ট কাৰ্য্যসূচীৰ ভিত্তিত কাৰ্য্যকৰী কৰিব সেই কাৰণে আজি আমি জানিব বিচাৰিছোঁ যে এই প্ৰতিশ্ৰুতি বিলাক চৰকাৰে ৰক্ষা কৰিব পাৰিছে নে নাই। এই ক্ষেত্ৰত মই আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছোঁ। যে যোৱা এপ্ৰিল মাহৰ ১০ তাৰিখে মুখ্য মন্ত্ৰী ডাঙৰীয়াই অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত যি বিবৃতি দিছিল তেতিয়া সদনক জনাইছিল যে প্ৰাপ্ত বাতৰি মতে পশ্চিমবঙ্গত ১৯৭৮ চনত ৪.৪ নিযুত লোকৰ অনুপ্ৰৱেশ ঘটে। এতিয়া এই সংখ্যা ৫ নিযুত হব। অসমত এই অনুপ্ৰৱেশৰ সংখ্যা ২/৩ নিযুত হব। ১০ তাৰিখে মুখ্য মন্ত্ৰী ডাঙৰীয়াই সদনত এই সংখ্যাটো স্পষ্ট ভাবে দিছিল। মই এইটো কথা কব বিচাৰিছোঁ যে ১৯৭৭ চনত এক বছৰত ৩০ লাখ বিদেশীৰ অনুপ্ৰৱেশ হৈছে বুলি তেখেতে যিটো কথা কৈছিল সেইটো তেখেতে নিজে ব্যাখ্যা কৰিব। তেতিয়া এইটোকে লৈ বিতৰ্ক আৰম্ভ হ'ল। সেই বিতৰ্কৰ পিচত মুখ্য মন্ত্ৰীয়ে মে' মাহৰ ২৮ তাৰিখে 'চেন্টিনেল' কাকতত এটা ইন্টাৰভিউ দিছিল আৰু তাত এইদৰে কৈছিল—

"On May 28, in an interview to the Sentinel paper, Chief Minister, Shri Hiteswar Saikia Said—

"Yes, I spoke about the infiltration of 3 million Bangla Deshis in 1987 alone. But that was on the Government records. Now, according to provisional sensus data for 1991, which is more authentic in that case. That data is prepared for head count of population of Assam is 2.22 crores"....

তেখেতে তেতিয়া কৈছিল যে এইবোৰ 'বেচড অন ৰেকৰ্ড' বুলি। আজি আমি জানিব বিচাৰিছোঁ যে যি ৰেকৰ্ডৰ ওপৰত ভিত্তি কৰি ১৯৮৭ চনত ২০/৩০ লাখ মানুহ অনুপ্ৰৱেশ কৰা বুলি কৈছিল সেই ৰেকৰ্ড সদনত দাখিল কৰক। তাৰ পিছত জুন মাহৰ ৭ তাৰিখে নগাওঁৰ ডুবিয়াত বহা 'সদৌ অসম সংখ্যালঘু সংগঠন'ৰ অধিৱেশনত মুখ্যমন্ত্ৰী ডাঙৰীয়াই কয় যে কেন্দ্ৰীয় চৰকাৰৰ তথ্যৰ ওপৰত ভিত্তি কৰি যদিও অসমত বিদেশী অনুপ্ৰৱেশকাৰীৰ কথা কোৱা হৈছিল কিন্তু এতিয়া ৰাজ্য চৰকাৰৰ লোকপিয়লৰ পৰিসংখ্যা মতে অসমত

বিদেশীৰ অনুপ্ৰৱেশ ঘটা নাই বুলি তেখেতে কয় আৰু অসমত এজনো বিদেশী নাই বুলি কয়। এতিয়া দেখা গ'ল মুখ্যমন্ত্ৰীৰ বিবৃতি বিলাক যদি তথ্যৰ ওপৰত ভিত্তি কৰি দিয়া নহয় তেনেহ'লে সেইটো বৰ ডাঙৰ কথা। এই কথাটো মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

Mr. Speaker : It is now 1-30 p.m. Honourable Member Shri Gogoi will be continue in the afternoon session. House stands adjourned till 3-30 p.m. today.

( The House re-assembles at 3-30 p.m. with Mr. Speaker in the Chair. )

আজি ইং ১৬-৬-৯২ তাৰিখে আবেলি ৩-৩০ বজাত অসম বিধান সভাৰ অধ্যক্ষ শ্ৰীজীৱ কান্ত গগৈদেৱৰ সভাপতিত্বত সদন আৰম্ভ হয়।

Mr. Speaker : Honourable Member Promode Gogoi will continue his speech.

*শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া জুন মাহৰ ৬ তাৰিখে কৈছিল যে অসমত বিদেশী নাগৰিক এজনো নাই। সেই সংক্ৰান্তত মই ক'ব বিচাৰিছোঁ যে ৯ মাৰ্চৰ দিনা ৰাজ্যপাল ডাঙৰীয়াই ভাষণত কৈছিল যে ১৯৯১ চনৰ ডিচেম্বৰ মাহলৈকে আই, এম, ডি, টি আইন মতে অসমত ২৪৩৪২ টা গোচৰ দিয়া হৈছিল তাৰ ভিতৰত ৯৪১৮ টা গোচৰ নিষ্পত্তি কৰা হৈছে আৰু ৮১৮১ টা গোচৰ ৰদ হিচাপে সিদ্ধান্ত কৰা হৈছে। সেই আইন মতে যেতিয়ালৈকে ১৪৯২৪ টা গোচৰ যি ধৰণে হৈছিল ঠিক তেনেকৈ ১৯৯১ চনৰ ৩১ ডিচেম্বৰলৈ বিদেশী নাগৰিক আইনৰ অধীনত ৩৩১৬২ টা গোচৰ তৰা হৈছিল তাৰে ১৭৫৯৭ টা গোচৰ নিষ্পত্তি হৈছে। আৰু ১৫৫৬৫ টা গোচৰ বিবেচনাধীন হৈ আছে। ৰাজ্যপাল ডাঙৰীয়াই এই সদনতে যোৱা মাৰ্চ মাহত অসমত দুয়োখন আইনৰ অধীনত ৩১ ডিচেম্বৰলৈ প্ৰায় ২৯ হেজাৰ বিদেশী নাগৰিকৰ কেচ বিবেচনাধীন হৈ থকা কথা স্বীকাৰ কৰিছে। তেনেকুৱা এটা অৱস্থাত মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমত এজনো বিদেশী নাই বুলি কোৱা কথাটো কিমান দূৰ সত্য তাক তথ্যই প্ৰমাণ কৰিব আৰু আমি অনুভৱ কৰো যে এজন মুখ্যমন্ত্ৰী যিয়ে নহওঁক এনেকুৱা এটা স্পৰ্শকাতৰ বা প্ৰতিশ্ৰুতি বিৰোধী

---

* Speech not Corrected.

বিবৃতি দি জনসাধাৰণৰ মাজত আশংকা আৰু সন্দেহ হোৱাতো স্বাভাৱিক। আমি সেই কাৰণে আশা কৰো যে গোটেই বিষয়টো মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰকৃত অৰ্থ্য সহকাৰে এই সদনত তথ্য ভিত্তিত দাঙি ধৰিবলৈ চেষ্টা কৰিব। মই এটা কথা ক'ব বিচাৰিছোঁ যে আসাম ট্ৰিবিউনত ১৪ জুন তাৰিখত এটা কথা লিখিছে— তেখেত মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এজন বন্ধু তেখেতে সেইটোৰ ওপৰত এটা পৰামৰ্শ দিছে। তেখেত সেই কাকত খনৰ এজন সম্পাদক। কাকতত উল্লেখ কৰা লাইনটোৰ ওপৰত বিধান সভা মজিয়াত আলোচনা হ'ব বুলি সম্পাদক ডাঙৰীয়াই আশংকা কৰিছে।

His earlier statement in the Assembly may not have accurate but the amendment, it is believed in all quarters, is way of the mark. Hence his reply in the Assembly should be such that he sticks to the truth and does not make any irresponsible utterances.

মই আশা ৰাখিছোঁ যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰকৃত তথ্যৰ ওপৰত ভিত্তি কৰি এই বিষয়টো সদনত আৰু সদনৰ যোগেদি সমগ্ৰ অসমৰ মানুহক জানিবলৈ দিব। চৰকাৰ বিশেষকৈ গৃহ বিবাদত কিছু দিনৰ আগতে সমালোচনা হ'ল। অলপতে দুজন সাংবাদিক শ্ৰীঅজিত ভূঞা আৰু শ্ৰীপৰাগ দাস দুয়োজনকে হাতকেৰেয়া লগাইছিল। হাইকোৰ্টত ৰিদ্ পিটিচন দিয়া হয়। চৰকাৰৰ ফালৰ পৰা এফিডেফিদ দিলে যে তেওঁলোকে হাইকোৰ্টত ৰিদ্ পিটিচন দিয়া নাই। হাইকোৰ্টে তদন্ত কৰিব। তদন্তৰ ওপৰত প্ৰমাণিত হ'লে তেখেত সকলক পুনৰ নিৰাপত্তা ৰক্ষা আইনত হাতকেৰেয়া লগোৱা হ'ব। মাননীয় অধ্যক্ষ ডাঙৰীয়া, গৃহ-বিবাদৰ কথাটো এই কাৰণেই উলিয়াব বিচাৰিছোঁ হাইকোৰ্টেও তেখেত সকলৰ অসত্য কথা প্ৰচাৰ কৰে। তাৰ ফলত সৰ্বসাধাৰণ মানুহে বা গৃহবিভাগৰ ওপৰত কেনেকৈ নিৰ্ভৰ কৰিব? আপোনালোকে বিবেচনা কৰিব। মাননীয় অধ্যক্ষ ডাঙৰীয়া, শান্তি-শৃংখলা সম্পৰ্কত ২-১ আষাৰ কথা ক'ব বিচাৰিছোঁ। আইন-শৃংখলা উন্নতি হোৱাটো আমি বিচাৰো আৰু সেই বিষয়ে এটা কথা মই ক'ব লাগিব। চৰকাৰে কৈছে যে আইন-শৃংখলা অৱস্থা উন্নত হৈছে। কিন্তু সেই সময়ত আমি দেখিবলৈ পাইছোঁ অসমৰ তুলীয়াজানত যুৱতী ধৰ্ষণ আৰু হত্যা কৰিছে। তেনে গোচৰ ৫ তাৰিখৰ দিনা দেৱযানী দত্তক দিন দুপৰতে ঘৰৰ

ভিতৰত হত্যা কৰা হৈছে। তেজপুৰত বীনা বকৰাক হত্যা কৰা হৈছে। ডিচেম্বৰৰ ২টা ঘটনা মই উল্লেখ কৰিব বিচাৰিছোঁ যে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিজৰ সমষ্টিত ৫ এপ্ৰিলৰ দিনা পুলিচ বিভাগে ইচ্ছাকৃত ভাবে হেমাইী কৰে। লাকুৱা চাহ বাগিচাত ৯ মাৰ্চ তাৰিখে কেন্দ্ৰীয় নিৰাপত্তা বাহিনীয়ে চাহ বনুৱাৰ ওপৰত গুলি চলোৱাত থিতাতে ৪ জনৰ মৃত্যু হয়। তেতিয়া হ'লে আইন-শৃংখলা ক'ত? লামডিঙৰ ঘটনা সম্পৰ্কে আলোচনা হৈছে। সেই সম্পৰ্কত মই ক'ব নিবিচাৰো। বিষয়টো বিবেচনাধীন হৈ আছে। এই বিষয়টোৰ লগত জড়িত বুলি আমাৰ মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ কথাও আলোচনা হৈছে। অসমৰ মৰ্যদাপূৰ্ণ আসনত থকা সময়ত এনে ঘটনা ঘটাত তেখেতে আমাক এটা স্পষ্টীকৰণ দিব লাগে। ইয়াৰ আগতেও মুখ্যমন্ত্ৰী ডাঙৰীয়াই ২৫-৭-৯১ তাৰিখে এটা গোচৰ আছিল বেলা নাথক হত্যা কৰা হৈছিল। ইতিমধ্যে চান চৌধুৰী লামডিঙৰ কংগ্ৰেছৰ সভাপতি আছিল। এই বিষয়টো গৃহ বিভাগত তদন্ত কৰাৰ কাৰণে ১০ আগষ্ট তাৰিখে তদন্তকাৰী পঠিয়াইছিল মই নাজানো।

অধ্যক্ষ মহোদয়, মই এইটো ক'বলৈ বিচাৰিছোঁ আমাৰ এই বিষয় বিলাক সম্পৰ্কে চৰকাৰে ব্যৱস্থা লোৱা উচিত। মই দুৰ্নীতি সংক্ৰান্তৰ এটা কথা ক'বলৈ বিচাৰিছোঁ, আজি এই কথা কাৰো অবিদিত নহয় সকলো বিভাগতে নিয়োগৰ ক্ষেত্ৰত শিক্ষা বিভাগেই হওঁক বা অন্য ক্ষেত্ৰতেই হওঁক দুৰ্নীতিৰ অভিযোগ বিলাক ওলাইছে। যিবিলাক কাগজে চৰকাৰক সমৰ্থন কৰে সেই কাগজ বিলাকতেই চৰকাৰৰ কথা ওলাইছে। চৰকাৰে নিয়োগৰ ক্ষেত্ৰত দুৰ্নীতি নিবাৰণৰ কাৰণে কটকটীয়া ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন। আমাৰ চৰকাৰৰ পক্ষৰ সদস্য সকলে দাবী কৰিছে যে অসমত শান্তি-সম্প্ৰীতি ফিৰি আহিছে, চৰকাৰ জনপ্ৰিয়। যদি সেইটো সত্য হয় সকলো মানুহে চৰকাৰক অকুণ্ঠভাৱে সমৰ্থন কৰে, সৈন্য বাহিনীৰ প্ৰয়োজন কি? যদি সেই কথাটো সত্য হয় তাক যদি চৰকাৰে দাবী কৰে তেতিয়া হ'লে ততাক্ষিকে সৈন্য বাহিনী, কলা আইন প্ৰত্যাহাৰ কৰা হওঁক। অসমীয়া মানুহক নাগৰিক অধিকাৰৰ সুযোগ দিয়া হওঁক। ধন্যবাদ।

★ শ্ৰীআব্দুল জেলিল ৰাগিবী: মাননীয় অধ্যক্ষ মহোদয়, আজি বিধান সভাৰ মজিয়াত বিৰোধী পক্ষৰ ফালৰ পৰা উত্থাপিত অনাস্থা প্ৰস্তাৱৰ ওপৰত আলোচনা বিলোচনা চলি আছে। এতিয়ালৈকে বিৰোধী পক্ষৰ ফালৰ পৰা অনাস্থা প্ৰস্তাৱৰ সপক্ষে যিবিলাক বিষয় আলোচনা কৰা হ'ল বা উত্থাপন কৰা হ'ল

---

★Speech not Corrected

আৰু চৰকাৰৰ বিৰুদ্ধে অভিযোগ কৰা হ'ল সেই বিলাকৰ ভিতৰত মই যিমানখিনি অনুভৱ কৰিব পাৰিছোঁ তাৰ ভিতৰত তিনিটা বিষয় গুৰুতৰ সহকাৰে উত্থাপন কৰা হৈছে ; প্ৰথম বিষয় হ'ল আলফা সম্পৰ্কে, দ্বিতীয় হ'ল আইন শৃঙ্খলা সম্পৰ্ক আৰু তৃতীয় বিষয় হ'ল বিদেশী নাগৰিক সম্পৰ্কে। এই তিনিটা বিষয় সম্পৰ্কে যিবিলাক মন্তব্য বা বক্তব্য উত্থাপন কৰা হৈছে বা যুক্তি দিয়া হৈছে মই সেই সম্পৰ্কে দুষাৰ কম বুলি ভাবিছোঁ।

অধ্যক্ষ মহোদয়, মই সৰ্ব্বপ্ৰথমে বিদেশী সমস্যালৈ আলোচনা কৰিবলৈ বিচাৰিছোঁ। এই বিষয়টো আজি ইয়াত উত্থাপন কৰা হৈছে। আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ এটা বিবৃতিত কেন্দ্ৰ কৰিছে যে অসমত ৩০ লাখ বিদেশীৰ অনুপ্ৰবেশ হৈছে'—তাৰ পিচত মুখ্য মন্ত্ৰী ডাঙৰীয়াই গি স্পষ্টীকৰণ দিছে সেই সম্পৰ্কেও ইয়াত উত্থাপন কৰা হৈছে। বিদেশী সমস্যাৰ ক্ষেত্ৰত অসমত বিদেশী কিমান আছিল আৰু সেই বিদেশী সকলক বহিষ্কাৰ কৰিব লাগে এই গোটেই বিষয়টো অসমৰ জনসাধাৰণৰ ওপৰত ভেকো ভাওনা হৈছে। ইয়াৰ কোনো গুৰুত্ব নাই। বিধান সভাৰ মজিয়াত ৰাজনৈতিক স্বাৰ্থ উদ্ধাৰ কৰাৰ কাৰণে এই বিলাক উত্থাপন কৰিব পৰা যায়, কিন্তু অসমৰ জনসাধাৰণৰ কাৰণে বিদেশী সমস্যাটো সমস্যা হৈ থকা নাই অসমৰ জনসাধাৰণে এই সকলো কথা ভালদৰে জানে। এসময়ত অসমৰ যুৱক সকলে গোটেই অসমৰ গাৱে ভুঁইয়ে ঘূৰি ফুৰি অসমৰ জনসাধাৰণক এই কথা বুজাবৰ কাৰণে চেষ্টা কৰিছিল যে লাখ লাখ বিদেশী অসমত আছে। তেওঁলোক বেআইনী ভাবে অসমলৈ সোমাই আহিছে আৰু সেই বিলাক বিদেশীৰ কাৰণে আজি অসমীয়া জাতীয় জীৱন বিপদাপন্ন হৈছে। সেই বিলাক বিদেশীৰ কাৰণে অসমীয়া জাতিৰ ভাষা কৃষ্টি সংস্কৃতি সকলো বিপদাপন্ন হৈছে। এই বিলাক কথা অসম আন্দোলনত সৃষ্টি কৰা হৈছিল আৰু অস্থিৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল। কিছুমানে কয় অসমত ৭০ লাখ বিদেশী আছে, কোনোবাই কয় ৫০ লাখ আৰু কোনোবাই কয় ৪৫ লাখ আছে। এই কথা বিলাক অসমৰ জনসাধাৰণে সহজ ভাবে লৈছিল। তেওঁলোকে ভাবিছিল এই কথা বিলাক সঁচা, ইমান বিলাক বিদেশী অসমলৈ সোমাইছে। সেই কাৰণে অস্থিৰ হৈছে। আমাৰ কথা হ'ল কৃষ্টি ভাষা সংস্কৃতিৰ কাৰণে ঢাব লাগিব। সেই কাৰণে যুৱক যুৱতী সকলে ঘৰৰ পৰা ওলাই আহি আন্দোলনত নামিছে। সেই সময়ত ৬ বছৰ আন্দোলন চলিছিল, সেই ছবছৰীয়া আন্দোলনৰ পিচত অসম চুক্তি

হ'ল। অসম চুক্তি মতে যি সকল যুৱক যুৱতীয়ে আন্দোলন কৰিছিল অসমত বিদেশী আছে বিদেশী খেদিম। বিদেশীৰ কাৰণে অসম বিপদাপন্ন হৈছে। পিচত কেন্দ্ৰীয় চৰকাৰে চুক্তি কৰাৰ পিচত ইয়াত থকা চৰকাৰখন ভঙ্গ কৰি দিছিল। আন্দোলনকাৰী সকলক দায়িত্ব দিছিল যে আপোনালোকে চৰকাৰ গঠন কৰক। আপোনালোকে বিদেশী উলিয়াই সেই বিলাকক বহিস্কাৰ কৰক। তেতিয়া তেওঁলোকে অসমৰ জনসাধাৰণক প্ৰতিশ্ৰুতি দিছিল যে অসমত লাখ লাখ বিদেশী বেআইনী ভাবে সোমাইছে, সেই সকলক বহিস্কাৰ কৰি অসমৰ জনসাধাৰণৰ কল্যানৰ হকে নিজকে ন্যস্ত কৰিম আৰু অসম সোনৰ অসম হিচাপে গঢ়ি তুলিম। এই প্ৰতিশ্ৰুতি দিয়াৰ পিচত অসমৰ জনসাধাৰণে স্বত: স্ফুৰ্ত ভাবে সমৰ্থন জনায় আৰু সেই সকলৰ হাতত শাসন ভাৰ গটাই দিলে। তেওঁলোকে পাচঁ বছৰ কাল শাসন চলালে। সেই পাচঁ বছৰীয়া কালছোৱাত বিদেশী বিচাৰি বিচাৰি তেওঁলোকৰ ৰেকৰ্ড মতে মাত্ৰ আঢ়ৈশ বিদেশী উলিয়ালে। আজি আমাৰ অসমত মুখ্য মন্ত্ৰী ভাওৰীয়াই ৩০ লাখ বিদেশী আছিল বুলি কৈছিল আৰু ইয়াৰ স্পষ্টীকৰণো দিছিল। এইটো লৈ বিৰাট হৈ চৈ চলি আছে। কিন্তু এই খিনিতে মই প্ৰশ্ন কৰিব খোজো যে আগৰ এ, জি, পি, চৰকাৰৰ প্ৰাক্তন মুখ্য মন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই নিজে কিতাপ লিখিছিল।

আৰু যি জন মুখ্য মন্ত্ৰীয়ে এই কিতাপ লিখিছিল সেই জনেই যেতিয়া মুখ্য মন্ত্ৰীৰ গাডীত বহিল তেতিয়া মই এই বিধান সভাত এটা প্ৰশ্ন কৰিছিলো। অসমত কিমান জন বিদেশী নাগৰিক আছে ? তেখেতে উত্তৰ দিছিল কিমানজন আছে নাজানো। যি জন মুখ্য মন্ত্ৰীয়ে ৬০ লাখ বিদেশী নাগৰিক আছে বুলি অৰ্থাৎ ৬০ লাখ বিদেশী নাগৰিক বে-আইনী ভাৱে আমাৰ অসমত বসবাস কৰি আছে বুলি কিতাপত লিখিছিল সেই জন মুখ্য মন্ত্ৰীয়েই বিধান সভাৰ মজিয়াত সোধা প্ৰশ্নৰ উত্তৰত বিদেশী নাগৰিক কিমান আছে নাজানো বুলি কয়। গতিকে আচলতে বিদেশী নাগৰিকৰ কথাটো এটা হৈ চৈ কৰা উদ্দেশ্যৰ কথাহে। বৰ্তমান চৰকাৰৰ উদ্দেশ্যে অনা অভিযোগৰ কোনো অৰ্থ নাই। কাৰণ তেওঁলোকে নিজেই শাসনৰ গাডীত বহি কোনো বিদেশী নাগৰিক উলিয়াব নোৱাৰিলে। এই বিলাক অসমৰ জন গনক এটা ভুৱা দিয়াৰ প্ৰচেষ্টাহে। এই বিলাক হৈছে ৰাজনীতিৰ ক্ষেত্ৰত অসমৰ জনসাধাৰণৰ ওপৰত এটা সন্দেহৰ ভাৱৰ জাপি দিয়াৰ প্ৰচেষ্টা। কিন্তু অসমৰ জনসাধাৰণে বুজি পাইছে যে এই সকলো বিলাক ভেকো ভাওনা।

প্ৰকৃততে অসমত কোনো বিদেশী নাগৰিক নাই। যি সকলে আন্দোলন কৰিছিল তেওঁলোকেই শাসন ভাৰ গ্ৰহণ কৰিছিল। তেওঁলোকে মাত্ৰ ২৫০ জনহে বিদেশী নাগৰিকক বহিস্কাৰ কৰাৰ কথা কলে। এতিয়া আচল হিচাপটো মইহে দিম। আচলতে কোনো বিদেশী নাগৰিকক বহিস্কাৰ কৰা হোৱা নাই। বোৰ্ডাৰত থকা কোনোবা গৰখীয়া লৰাক পুলিচে আহি পঠাই দিছে। সেইটোৱেই কাগজেপত্ৰে বহিস্কাৰ বুলি দেখুৱা হৈছে। আচলতে অসমত কোনো বিদেশী নাগৰিক নাই। থকা হলে নিশ্চয় তেওঁলোকে বহিস্কাৰ কৰিব পাৰিলেহেতেন সেইটোৱেই যিহেতু তেওঁলোকৰে মৌলিক দায়িত্ব আছিল। বিদেশী নাগৰিক বহিস্কাৰ ক্ষেত্ৰত সুকীয়া দপ্তৰ আৰু মন্ত্ৰী নিয়োগ কৰা হৈছিল। তেওঁলোকৰ জৰিয়তে অসমৰ চুকে কোনে মানুহৰ ঘৰে ঘৰে, গাওঁ ভূঁই পুলিচে তদন্ত চলাইছিল। মানুহৰ ঘৰে ঘৰে নাগৰিকত্বৰ প্ৰমান পত্ৰ চাইছে। কিন্তু কোনো এজনো বিদেশী নাগৰিক নাপালে। গতিকে কোনো বিদেশী নাগৰিক নাই। গগৈ ডাঙৰীয়া, মহন্ত ডাঙৰীয়া আৰু ফুকন ডাঙৰীয়াৰ এই বিলাক দৰাচলতে ভেকো ভাওনা। এই ইচুটো সকলোকে বিভ্ৰান্ত কৰিবলৈ উলিওৱা হৈছে। আৰু উত্থাপন কৰা হৈছে। হলেও এই কথা সকলোৱে বুজি পাইছে যে এই কথাৰ কোনো গুৰুত্ব নাই। দ্বিতীয় কথা হ'ল আলফা ইচু। মহন্ত ডাঙৰীয়া আৰু ফুকন ডাঙৰীয়াই আলফা সম্পৰ্কে উত্থাপন কৰিছে আৰু লগতে প্ৰশ্ন কৰিছে যে আলফা সমস্যা সমাধানত চৰকাৰে কি ব্যৱস্থা লৈছে। আলোচনা বিলাচেনাৰ ক্ষেত্ৰত কিমান দূৰ আগবাঢ়িছে ইয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে আলোচনাত আলফাৰ সৈতে কিমান দূৰ সফল হৈছে। ব্যৰ্থ হৈছে নে কি পৰ্য্যায়ত আছে। এই সকলো বোৰ আলোচনা কৰাৰ আগতে আমি আগেয়ে কিছু আগলৈ ঘূৰি যাব লাগিব। আলফা কোনে সৃষ্টি কৰিছিল আৰু কেনেকৈ সৃষ্টি হবলৈ পালে? তেওঁলোকৰ কাৰ্য্য কলাপ কি আছিল আৰু অসমক কি ধৰণে কি পৰিৱেশলৈ ঠেলি দিছিল। তাৰ পাচতহে সঠিক সিদ্ধান্ত লব পৰা যায়। মাননীয় অধ্যক্ষ মহোদয়, এইটো অস্পষ্ট হৈ থকা নাই সকলোৱে জানিছে, জ্ঞানী গুনি সাংবাদিক সকলো মানুহে জানিছে যে আচু, এজিপি, আলফা একেটাই বস্তু। ৰাতিপুৱা আচু দুপৰীয়া এজিপি আৰু ৰাতি হলে আলফা হয়। এইটো কথা বাৰবাৰ উত্থাপন কৰা হৈছে এই খিনিতে এটা চাকৰী গোৱাৰ ইচ্ছা আছিল কিন্তু সকলোৱে বেয়া পায়। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ যিবিলাক প্ৰবীন সাংবাদিক, ৰাজনীতিবিদ, শিক্ষা বিদ

আছে একে গুৰু শিষ্য তেনেকৈ সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে তেওঁলোকৰো পৰিবৰ্ত্তন হয়, তেনেকৈ আচুই আন্দোলন কৰে এজিপিয়ে শাসন আৰু আলফাই ৰাতি হলে দকাইতি কৰে। গতিকে তিনিটা বস্তু একেটাই।

অধ্যক্ষ মহোদয়, এ, জি, পি, চৰকাৰৰ তত্বাৱধানত নিজৰ পৃষ্ঠপোষকতাৰে আলফাক জন্ম দি আলফাক নিজৰ কাৰ্য্যকলাপ অবাধে অসমত চলাই যাবলৈ দিয়া হৈছিল। অতি পৰিতাপৰ বিষয় যে, এই দলটোৱে অসমৰ বনাঞ্চলত নিজৰ স্থায়ী খুটি পুতি বিদেশৰ পৰা অস্ত্ৰ-শস্ত্ৰ আমদানী কৰিছিল। বাহিৰত প্ৰশিক্ষণ লৈছিল আৰু তেওঁলোকে দিন দুপৰতে মানুহক হত্যা কৰিছিল, লুট-পাট কৰিছিল, ধন সংগ্ৰহ কৰিছিল, এইবিলাক কথা আমি সকলোৱে জানো। আৰু আমাৰ প্ৰাক্তন গৃহমন্ত্ৰী ফুকন চাহাবে এই কথা স্বীকাৰ কৰিছে। তেখেতক এবাৰ এখন সাংবাদিক মেলত প্ৰশ্ন কৰিছিল আৰু তেতিয়া তেখেতে অলপ বৈ উত্তৰ দিছিল যে, প্ৰশ্নটো আছিল অ, গ, পৰ লগত আলফাৰ সম্বন্ধ আছেনে? অলপ বৈ উত্তৰ দিছিল হয়, আছে।

(সদনত গণ্ডগোল)

*শ্ৰীযতীন মালী : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এই কথাটো জানেনে যে, এ, জি, পি, আচু মাজত একে নহয় আৰু চিনাক্তকৰণ কৰিব পাৰিনে? যদি নাই পৰা তেনেহ'লে এজন দায়ীত্বশীল ব্যক্তি হৈ এইবিলাক ক'ব নালাগে।

(সদনত গণ্ডগোল)

*শ্ৰীআব্দুল জেলিল ৰাগিবি : এইটো প্ৰতিজন মাননীয় সদস্যৰে অধিকাৰ আছে। নীতি আৰু আদৰ্শেৰে এই বিধান সভাৰ মজিয়াত—(সদনত গণ্ডগোল) অধ্যক্ষ মহোদয়, অনুগ্ৰহ কৰি মই আপোনাৰ পৰা জানিব বিচাৰো যে এই সদস্য গৰাকীৰ আপত্তি কি?

*শ্ৰীভৰত চন্দ্ৰ নৰহ : আমাৰ মুখ্যমন্ত্ৰী অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি থাকোতে নিৰ্বাচনৰ সময়ত আলফাৰ সহায় লোৱা হ'ব বুলি কৈছিল।

মাননীয় অধ্যক্ষ : কোনোবাই কিবা ক'বলগীয়া থাকিলে পিচত ক'ব।

*শ্ৰীআব্দুল জেলিল ৰাগিবি : আমাৰ আগৰ গৃহমন্ত্ৰীক প্ৰশ্ন কৰা হৈছিল

★Speech not corrected.

আৰু প্ৰশ্নটো আছিল যে, অ, গ, পৰ লগত আলফাৰ সম্বন্ধ আছে নেকি ? উত্তৰত কৈছিল হয় আছে আৰু কৈছিল মোৰ হাতত লিখিত প্ৰমাণ আছে ।

শ্ৰীভৰত চন্দ্ৰ নৰহ : সেইটো কাগজৰ ওপৰত গোচৰ তৰা হৈছে ।

*শ্ৰীআব্দুল জেলিল ৰাগিবি : আচল কথা হৈছে যে, আলফা আৰু অ, গ, পৰ মাজত এটা ঘনিষ্ঠ সম্বন্ধ আছে । অ, গ, পৰ চত্ৰছায়াত আলফাই অসমৰ বনাঞ্চলত শিবিৰ পাতি বিদেশৰ পৰা অস্ত্ৰ-শস্ত্ৰ আনি অসমৰ নাগৰিক সকলক অবাধে হত্যা কৰি ধন সংগ্ৰহ কৰিছিল । অসমত অভুতপূৰ্ব অশান্তিৰ সৃষ্টি কৰিছিল । ( সদনত গণ্ডগোল )

অসমৰ ৰাইজে নিৰাপত্তা ভোগ কৰা নাছিল । তাৰোপৰি তেতিয়াৰ বন বিভাগৰ মন্ত্ৰী থকা সত্বেও অসমৰ বিভিন্ন বনাঞ্চলত আলফাই শিবিৰ পাতি তেওঁলোকৰ কাৰ্য্যকলাপ চলাই গৈছিল । কিন্তু চৰকাৰী শাসন যন্ত্ৰই কোনো ব্যৱস্থা লোৱা নাছিল । কেন্দ্ৰীয় চৰকাৰে এই দুষ্কৃতিকাৰীক কৰায়ত্ব কৰাৰ বাবে নিৰ্দেশ দিছিল কিন্তু পুলিছে গ্ৰেপ্তাৰ কৰাৰ পিছতে এই ল'ৰাবিলাকক গ্ৰেপ্তাৰ কৰিব নালাগে বুলি চাৰিও ফালে হুলস্থুল হৈছিল । অসমৰ মাটিত নিজৰ ৰাজত্বত সন্ত্ৰাসবাদী সকলে অবাধে কাৰ্য্যকলাপ চলাই থকিব পাৰে তাৰ কাৰণে এই চৰকাৰে এটা মুকলি পৰিবেশ সৃষ্টি কৰি দিছিল ।

★শ্ৰীৰমেন কলিতা : মাননীয় সদস্য গৰাকীয়ে চাবজুদিচৰ কথা উল্লেখ কৰিছে ।

( সদনত গণ্ডগোল )

★শ্ৰীভৰত নৰহ : এই চৰকাৰেই অনুপচেতিয়া আৰু প্ৰদীপ গগৈক কিয় বাংলাদেশলৈ যাবলৈ দিলে ?

মাননীয় অধ্যক্ষ : এজন সদস্যই কৈ থাকোতে আপোনালোকে নকব ।

★শ্ৰীহিৰণ্য বৰা : মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়াৰ খুজুৰতী উঠে নেকি ?

★শ্ৰীৰমেন কলিতা : তেতিয়াহলে আমি নিমখৰ কথা কওঁ ।

*শ্ৰীআব্দুল জেলিল ৰাগিবী : মাননীয় অধ্যক্ষ মহোদয়, নিমখৰ কথা কম নে চিনেমাৰ কথা কম নে চাউলৰ কেলেংকাৰীৰ কথা কম ? আকৌ ৰেইলওৱে শ্লিপাৰৰ কথা কম নে ষ্টেটফেদৰ কথা কম ? কিহৰ কথা কম, তেওঁলোকৰ শাসন কালত এশ একুৰি কেলেংকাৰী আছে, যোৱা ৫ টা বছৰত এই কেলেংকাৰী বিলাক ঘটিছিল ।

( সদনত ভয়ংকৰ গণ্ডগোল )

---

* Speech not corrected

মাননীয় অধ্যক্ষ : মাননীয় মুখ্য মন্ত্ৰীৰ উত্তৰ দিওঁতে ডেৰঘণ্টা সময় লাগিব গতিকে আপুনি অলপ চমু কৰিব লাগে।

*শ্ৰীআব্দুল জেলিল ৰাগিবী : গতিকে এনেকুৱা এটা পৰিবেশ আৰু পৰিস্থিতিৰ মাজত বৰ্তমান চৰকাৰৰ দায়িত্বভাৰ লৈছিল। দায়িত্বভাৰ লোৱাৰ পাচত অধ্যক্ষ মহোদয়, আমি এইটো আগতে কোনেও কল্পনা কৰিব পৰা নাছিলো যে ইমান কম সময়ৰ ভিতৰত আলফাৰ নিচিনা সংগঠনে আমাৰ চৰকাৰৰ আহ্বান ক্ৰমে আৰু আমাৰ চৰকাৰৰ আহ্বানক সমৰ্থন জনাই আলোচনাৰ মেজলৈ আহিব আৰু নিজেই একপক্ষীয়ভাৱে অস্ত্ৰ সম্বৰণ কৰিব আৰু দিল্লীত এফালে প্ৰধানমন্ত্ৰী আৰু আনফালে আমাৰ অসমৰ মুখ্যমন্ত্ৰী আৰু এফালে সেই মেজতে আলফাৰ সদস্যসকলে একেলগে বহিব। আলফাৰ সদস্য সকলে আমাৰ মুখ্য-মন্ত্ৰীকো সন্মানেৰে উপহাৰ দিছে চাদৰ আৰু আমাৰ মুখ্য মন্ত্ৰীয়ে তেওঁলোকক উপহাৰ হিচাবে কলম দিছে। আমাৰ মুখ্য মন্ত্ৰীয়ে কলম দি বুজাইছে কলমৰ সহায়েৰে সমাজত দেশখনত শান্তি-সম্প্ৰীতি ঘূৰাই আনিব পাৰে, ৰাজ্যখনৰ বিভিন্ন স্তৰত উন্নতি সাধন কৰিব পাৰি। অসমৰ উন্নতি কামনা কৰিলে আৰু অসমৰ জনসাধাৰণৰ কল্যাণ সাধন কৰিবলৈ ইচ্ছা থাকিলে অস্ত্ৰৰে নহয় কলমৰ জৰিয়তেহে সমাধা কৰিব পাৰি আৰু আলফা সংগঠনেও আমাৰ চৰকাৰৰ আহ্বানক সমৰ্থন জনাই এক পক্ষীয়ভাবে অস্ত্ৰ সম্বৰণ কৰি এতিয়া আলোচনাৰ মেজলৈ আহিছে। তেওঁলোকে অস্ত্ৰ সম্বৰণ কৰা দিন ধৰি এতিয়ালৈকে তেনে ধৰণৰ কোনো বিক্ষিপ্ত ঘটনা সংঘঠিত হোৱা নাই। কিন্তু এতিয়াও এটা গুণে আলোচনাত বহাৰ পক্ষ-পাতিত্ব কৰা নাই কিয়নো যিসকল ৰাজনৈতিক দলে অৰ্থাত্ বিশেষকৈ অ,গ,প, দলে এই আলফাৰ সৃষ্টি কৰিছিল তেওঁলোকৰ উচতনিত একচাম আলফা গ্ৰুপে এতিয়াও আগবাঢ়ি অহা নাই। কিন্তু আলফাৰ প্ৰধান গোটটোয়ে বুজি উঠিছে যে ৰাজ্যখনৰ বিভিন্ন স্তৰত উন্নতি সাধন কৰিবলৈ হ'লে অস্ত্ৰৰে যে সেইটো কৰিব পৰা নহব তাক ভাল ধৰণে বুজি উঠিছে আৰু আমাৰ চৰকাৰে যি আশ্বাস দিছে সেই আস্বাসক সৰ্বান্তকৰণে সমৰ্থন জনাইছে। এতিয়া এই আলোচনাৰ কিমান দূৰ আগবাঢ়িছে সেই বিষয়ে আলোচনা হৈ আছে কিন্তু সেইটো ডাঙৰ কথা নহয়, ডাঙৰ কথাটো হ'ল আলফাৰ নিচিনা সংগঠনে আমাৰ চৰকাৰৰ আস্বাসক্ৰমে গোটেই কথাটো বিবেচনা কৰি উপলব্ধি কৰিছে আৰু আলোচনাৰ মেজলৈ

*Speech not Corrected

আহিবলৈ আগবাঢ়ি আহিছে, তাৰ বাবে বৰ্তমান চৰকাৰ নিশ্চয় ধন্যবাদৰ পাত্ৰ। এতিয়াও এই সম্পৰ্কত পূৰ্ণদমে প্ৰচেষ্টা চলি আছে। আমাৰ চৰকাৰৰ বিভিন্ন যুক্তিত তেওঁলোক বশিভূত হৈছে। হাজাৰ উচতনি হলেও তেওঁলোকে হয়তো বিপথে পৰিচালিত নহব। আগৰ যিসকল নেতাই এই সংগঠনৰ সৃষ্টি কৰিছিল সেইসকলৰ উচতনিত এটা গ্ৰুপে এতিয়াও আলোচনাত বহিবলৈ ৰাজি হোৱা নাই, সেই গ্ৰুপটোক জোৰ জবৰদস্তি উচতনি দি তেওঁলোকক আতঁৰাই ৰখাৰ কাৰণে চেষ্টা কৰিছে নহলে যে তেওঁলোকৰ অস্তিত্বই নাথাকিব। গতিকে এনেদৰে উচতনি দি কিবা এটা হুলস্থুল কৰি থাকিলে তেওঁলোকৰ অস্তিত্ব থাকিব আৰু সেই কাৰণেই তেওঁলোকৰ স্থিতি ৰক্ষা কৰিবলৈ গৈ আলোচনাৰ মেজলৈ অহাত বিৰোধিতা কৰি আছে। সেয়েহে প্ৰকৃতপক্ষে সেই চাম আগৰ নেতাই সক্ৰিয় উচতনি দি আলফাৰ আনটো গ্ৰুপক আতৰাই ৰখাত বিভিন্ন প্ৰকাৰে চেষ্টা চলাই আছে আৰু তেতিয়াহে তেওঁলোকৰ অস্তিত্ব বজাই ৰাখিব পাৰিব বুলি তেওঁলোকে ভাবিছে।

এতিয়া আলফাৰ সমস্যা নাই। আলফাৰ কাৰ্যা-কলাপ বন্ধ কৰিব পাৰিছোঁ। এতিয়া এটা শান্তিপূৰ্ণ পৰিবেশ আছে। ব্যৱসায়-বাণিজ্য কৰি আছে, শিক্ষানুষ্ঠান বিলাকত শৈক্ষিক পৰিৱেশ ঘূৰি আহিছে। জীৱনৰ সকলো স্তৰতে শান্তি বিৰাজ কৰিছে। সকলোৱে নিজৰ নিজৰ কাম বনত মন লগাব পাৰিছে। আলফা সমস্যাটো আলোচনা কৰি যাতে এটা স্থায়ী ব্যৱস্থা উলিয়াব পৰা যায়, সেইটো প্ৰক্ৰিয়া চলি আছে। গতিকে এই ক্ষেত্ৰত চৰকাৰৰ বিৰুদ্ধে অভিযোগ হ'ব নোৱাৰে। তেখেত সকল যেতিয়া আছিল তেতিয়া এটা অৰাজকতাৰ সৃষ্টি হৈছিল। অসমত এ, জি, পিৰ নে আচুৰ নে আলফাৰ চৰকাৰ আছিল নে কোনো চৰকাৰ নাছিল, এনেকুৱা এটা পৰিবেশৰ সৃষ্টি হৈছিল। এনেকুৱা এটা অৱস্থাক স্থিতিশীল অবস্থালৈ আনিব পৰাত চৰকাৰক ধন্যবাদ দিব লাগিছিল। এই খিনিতে মই এটা কথা উল্লেখ কৰিব বিচাৰিছোঁ যে আলফাই অস্ত্ৰ সম্বৰণ কৰিছে, তেনেকুৱা ধৰণৰ হত্যাকাণ্ড, লুণ্ঠন নকৰে বুলি ঘোষণা কৰিছে। আলোচনাৰ মেজলৈ আহিম বুলি ক'লে যাৰ ফলত শান্তিপূৰ্ণ পৰিবেশৰ সৃষ্টি হৈছে। তেনে সময়ত আগৰ এ, জি, পি চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী এগৰাকীয়ে দিল্লীলৈ গৈ আগৰ মন্ত্ৰী সভাৰ এজন মন্ত্ৰীক লগ ধৰি ক'লে সৰ্বনাশ হ'ল। তেওঁ ক'লে ক্যা সৰ্বনাশ হো গয়া? তেওঁ ক'লে আসাম মে শান্তি আ গয়া। এইটো একেবাৰে সত্য ঘটনা। এতিয়া শান্তিৰ পৰিবেশ ঘূৰি আহিছে।

*শ্ৰীভৰত চন্দ্ৰ নৰহ : প্ৰাক্তন মন্ত্ৰীজনৰ নাম কওঁক।

( গণ্ডগোল )

*শ্ৰীঅব্দুল জেলিল ৰাগিবী : পুলিচে গুলিয়াই হত্যা কৰিছে, এইটোত মৰম উপজিছে। এই ছবিবোৰ দেখিছে—এইটো আলফাৰ হত্যাকাণ্ডৰ করুণ দৃশ্য। ই অসমৰ কলংকময় ইতিহাসত কলংকময় অধ্যায় হৈ থাকিব। এইবিলাক হত্যা কৰা হৈছিল আৰু নৰকংকাল উদ্ধাৰ কৰা হৈছিল। তেখেত সকলৰ লাজ লগা নাছিল। যি সকল অসমৰ বাহিৰৰ পৰা আহিছিল কাম কৰিবৰ কাৰণে, সেই সকলক অত্যাচাৰ কৰা হৈছিল। নিৰ্মম ভাবে হত্যাকাণ্ড সংঘটিত হৈছিল। সেই বিলাক কথা মনত আছে নে নাই? ইয়াত ধৰ্ষণৰ কথা কোৱা হৈছে। যোৱা ৬/৭ মাহত কোনো ধৰ্ষণৰ ঘটনা হোৱা নাই। তেখেত সকলৰ দিনত যি ধৰ্ষণৰ ঘটনা হৈছিল সেই বিলাক মনত পেলোৱা উচিত। তেখেত সকলৰ সমালোচনা কৰাৰ নৈতিক অধিকাৰ নাই। মোৰ বোধেৰে তেখেত সকলৰ চৰকাৰৰ বিৰুদ্ধে আলফা সমস্যা লৈ, বিদেশী সমস্যা লৈ আইন-শৃংখলাৰ সমস্যা লৈ মাত মতাৰ নৈতিক অধিকাৰ নাই। এই বিলাক কথা ক'বলৈ লাজ লাগে। এজন পাৰস্য কবিয়ে কৈছে—উৰ্দ্ধ্ত—। তোমাৰ মনটো যদি সজীৱ কৰিব বিচৰা তেন্তে আগৰ যন্ত্ৰণাময় ঘটনাৱলী মাজে মাজে মনত পেলাব লাগিব। স্থিতি শক্তি পিচফালে উভতি যাওঁতে সেই দিন বোৰৰ, ৰাতি বোৰৰ পুৰা, সন্ধিয়াৰ করুণ দৃশ্যবোৰ মনত পেলোৱা। আগৰ এ, জি, পি দলৰ সদস্য সকলে চৰকাৰৰ বিৰুদ্ধে যেতিয়া আলোচনা কৰে আমি দুখ পাওঁ। তেখেত সকলৰ দিনত কিমান লুণ্ঠন হৈছিল, হত্যাকাণ্ড হৈছিল, ধৰ্ষণ হৈছিল? ৰাষ্ট্ৰপতি শাসনৰ আগত কোনো চৰকাৰ নাছিল। অসমত এ, জি, পিৰ চৰকাৰ চলিছেনে, আলফাৰ চৰকাৰ চলিছেনে, আচুৰ চৰকাৰ চলিছে তাৰ ঠিক নাছিল। নিৰাপত্তা বিন্দু মাত্ৰ নাছিল। তেনেকুৱা এখন অসমত আজি শান্তিময় পৰিবেশ। গতিকে এ, জি, পিৰ সমালোচনা কৰাৰ নৈতিক অধিকাৰ নাই।

অধ্যক্ষ : মুখ্যমন্ত্ৰীৰ উত্তৰ দিবলৈ বাকী আছে।

*শ্ৰীআব্দুল জেলিল ৰাগিবী : যোৱা ৫ বছৰৰ ঘটনাৰে যিটো বিৱৰণ সেইটো ক'বলৈ বুকু কঁপি যায়। মই এটা কথা কৈ সামৰণি মাৰিব বিচাৰিছোঁ যে বিদেশী সমস্যা লৈ, আলফা সমস্যা লৈ, অইন-শৃংখলা সমস্যা লৈ চৰকাৰক

*Speech not Corrected

সমালোচনা কৰাৰ নৈতিক অধিকাৰ তেখেত সকলৰ নাই। আজি আইন-শৃংখলাৰ পৰিস্থিতিৰ সৃষ্টি হোৱা নাই। আইন-শৃংখলাৰ যিটো অৱনতি ঘটিছিল সেইটো উদ্ধাৰ কৰি পৰিবেশ সৃষ্টি কৰা হৈছে। বিদেশী নাই বুলি তেখেত সকলৰ কামৰ জৰিয়তে প্ৰমাণ কৰিছিল। তেখেত সকলে ঘৰে ঘৰে তদন্ত কৰি এটাও বিদেশী উলিয়াব নোৱাৰিলে। প্ৰাক্তন গৃহমন্ত্ৰী শ্ৰীভৃগুকুমাৰ ফুকন চাহাবে কৈছে যে গণতান্ত্ৰিক পৰম্পৰা অনুসৰি অনাস্থা প্ৰস্তাৱ অনা হৈছে। ইয়াত অনাস্থা তনাস্থাৰ কথা আলোচনা কৰি লাভ নাই। আস্থাৰ বাবে জন-সাধাৰণৰ মাজলৈ যাব লাগে। এতিয়া অসমৰ ৰাইজে শান্তিত বাস কৰিছে। এ, জি পিৰ সদস্য সকলে আলফা সমস্যা, আইন-শৃংখলাৰ সমস্যা, বিদেশী সমস্যাৰ বিষয়ে আলোচনা কৰিলে 'অসমৰ ৰাইজে নাহাঁহিবনে? অসমৰ জন-সাধাৰণৰ আস্থাত এই চৰকাৰ প্ৰতিষ্ঠিত হৈছে। এই চৰকাৰৰ প্ৰতি থকা আস্থাৰ নিদৰ্শন হ'ল পঞ্চায়ত নিৰ্বাচন। তেখেত সকলক নিৰ্লজ্জ ভাৱে প্ৰত্যাখ্যান কৰি এই চৰকাৰক জনসাধাৰণে জিকাই দিছে। গতিকে তেখেত সকলে চিন্তা কৰিব লাগে শ্ৰীহিতেশ্বৰ শইকীয়াৰ চৰকাৰৰ প্ৰতি ৰাইজৰ আস্থা আছে নে নাই। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আজিৰ সদনত অসম চৰকাৰৰ বিৰুদ্ধে যি অনাস্থা প্ৰস্তাব উথাপিত হৈছে সেইটো সমৰ্থন কৰি দুই চাৰিটা কথা ক'বলৈ বিচাৰিছো। ইতিমধ্যে সদনত এই সম্পৰ্কত বিশদ ভাৱে আলোচনা হৈ গৈছে। আজিৰ সদনত আমি দেখিবলৈ পাইছোঁ যে কিছুমান কথাত আমি যুক্তিৰ খাতিৰত ইজনে সিজনক কি ভাবে দোষাৰোপ কৰিব পাৰি সেই বিষয়টোত গুৰুত্ব দিয়ে আৰু আচল বিষয় বস্তুৰ পৰা আমি সক-লোৱে এৰাই গৈছোঁ। এই চৰকাৰ প্ৰতিষ্ঠিত হোৱাৰ পাছত শান্তিৰ বাতাবৰণৰ নামত বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। তেনে ব্যৱস্থা লৈ শান্তিৰ বাতাবৰণ সৃষ্টি কৰিবলৈ যাওঁতে সঁচাকৈ শান্তিৰ সৃষ্টি হ'বনে অশান্তিৰ সৃষ্টি হ'ব নে অসমত আকৌ নতুন পৰিস্থিতিৰ উদ্ভৱ হ'ব। এই বাস্তৱ কথাবিলাক আলোচনা কৰাৰ অৰ্থ এইটো নহয় যে শ্ৰীশইকীয়া ডাঙৰীয়াৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনিছো। We will through out Ministry in a day out right. মই কব বিচাৰিছোঁ। অসম চৰকাৰৰ যিখিনি ভুল ত্ৰুটি আছে তাক শুধৰাই লওঁক।

★ Speech not Corrected.

আলফা সমস্যা লৈ শ্ৰীৰাগিবীয়ে ব্যাখ্যা দিছে মই সেইটোত একমত নহয়। এই কাৰণেই একমত নহয় আলফা সমস্যা সমাধান হ'ব লাগে। অসমত শান্তিৰ বাতাবৰণ সৃষ্টি হ'লে অসমৰ উন্নতি হ'ব। আৰ্থ সামাজিক দিশত আগবাঢ়ি যাব লাগে। আমি দেখা পাইছো শান্তিৰ বাতাবৰণ আলোচনাৰ নামত ইয়াৰ আগৰ বিধান সভাত মুখ্যমন্ত্ৰীয়ে যি বক্তব্য দাঙি ধৰিছিল সেইটোৰ লগত মিল নাই। আমি এটা কথা লক্ষ্য কৰিছো মুখ্যমন্ত্ৰীয়ে খোলোচা ভাৱে সদনত কোৱা নাই। মানবেন্দ্ৰ শৰ্মাৰ হত্যা হৈছিল, লুণ্ঠন হৈছিল। সেই পটভূমিত বজৰং আৰু ৰাইনো অপাৰেশ্যান হৈছিল। সেই পটভূমি আৰু আজিৰ পটভূমিৰ পাৰ্থক্য আছে। আজিৰ পটভূমিত আলফা হত্যাকাণ্ডত লিপ্ত হোৱা নাই, ভাবুকি দিয়া নাই। আলফাৰ স্থিতি ঠিকেই ৰাখিছে। আজিৰ পটভূমিত আৰ্মি মাতি অনাৰ কি যুক্তি আছে। বাতৰি কাকতত দেখা পাইছো চক্ৰ গোহাঁইক ১০ তাৰিখলৈ সময় সীমা বঢ়াই দিছে। পিছত সেই সীমা ২৫ তাৰিখলে বঢ়াই দিছে। গতিকে এনেকুৱা লাগিছে যেন শান্তিৰ বাতাবৰণত অশান্তি সৃষ্টি হৈছে। আলোচনাৰ প্ৰক্ৰিয়াত দেখা গ'ল ১০/২৫ আদি কৰি তাৰিখ বঢ়াই দিয়া হৈছে। কথাটো এনেকুৱা হৈছে শ্ৰীশইকীয়া ভাওৰীয়াই বেত লৈ কৈছে আলোচনাত বহিব লাগিব নহ'লে আৰ্মি মাতি আনিম। অসম পুলিচ নিষ্ক্ৰিয় বাবে আৰ্মি মাতি অনা হৈছে, ২৫ তাৰিখৰ পাচত সেনাৰ নিয়ন্ত্ৰণত দিয়া হ'বনেকি? এটা কথা বাৰম্বাৰ কম যে সোণকুৰীহা গাওঁত সেনাবাহিনীৰ নিৰপৰাধী লোকক যি হত্যা কৰা হ'ল তাক গৰিহণা দিছোঁ। সেই ঘটনাৰ লগত জড়িত লোকক শাস্তি দিয়ক, কিন্তু সোণকুৰীহাৰ পৰা ১০ কিলোমিটাৰ দূৰৰ ধৰ্মপুৰ, চামতা, বেলশৰ, কৈঠালকুছি ৰাইজে কি কৰিছে। বোমা বিস্ফোৰণৰ জড়িত লোকক ধৰিব লাগিছিল। সেই গাওঁখনৰ এনেকুৱা এজন ব্যক্তি নাই যাৰ ভৰিৰ আঠুৰ ছাল যোৱা নাই। আনকি থানা আগকালৰ পৰা বন্ধ ৰখিছে। পুলিচকো আৰ্মিয়ে মাৰিছে। Because, the situation warrants. Whether the army was called in Assam in aid of the civil administration or the other way out.

গতিকে আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে স্পষ্টকৈ এটা কথা কব লাগে আৰ্মি তেখেতে চিভিল এডমিনিষ্ট্ৰেচনক সহায় কৰিবলৈ আনিছে নে আলফাৰ যি এ বি চি নাজানে তেনে মানুহৰ ওপৰত বৰ্বৰ অত্যাচাৰ কৰিবলৈ আনিছে?

আমাৰ কথা হ'ল যি সময়ত সমগ্ৰ মন্ত্ৰী সভা মাদ্ৰাজত আছিল সেই সময়তে আৰ্মিয়ে অসম পুলিচক টেক অভাৰ কৰি সৰ্বসাধাৰণ ৰাইজৰ ওপৰত বৰ্বৰ অত্যাচাৰ চলাইছিল, তেতিয়া চৰকাৰ বা চৰকাৰী যন্ত্ৰটো ক'ত আছিল সেই মাননীয় সদস্য শ্ৰীবাগিৰী ডাঙৰীয়াৰ কথাৰ ওপৰতে এটা কথা কব বিছাৰিছোঁ। ১৪ জুনৰ নৰ্থ ইষ্ট টাইমচত বাতৰিটো ওলাইছে।

এইটো এটা এচ, পিৰ ষ্টেটমেণ্ট। গতিকে আলফা ইছু চৰকাৰেই জীয়াই ৰাখিব বিছাৰিছে। গতিকে ৯০০ আলফা লৰাক বোলে নিযুক্তি দিছে এজন পি, এচ ওই মানুহক মাৰিব পাৰে বুলি কৈছে। গতিকে শান্তিৰ নামত অশান্তিৰ বাতাবৰণৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত স্পষ্ট জবাব দিব লাগে। সিদিনা জনক্ৰান্তিত এটা বাতৰি ওলাইছে, কংগ্ৰেছত পয়ালগা বুলি। শিৱসাগৰত বিধায়কৰ উদ্ভান্দালি বুলি। মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিব লগা হৈছে। এইজনা বিধায়কে এ, জি, পি, এচ,পিৰ লগত লগ লাগি এই কামবিলাক কৰিছে। মুখ্য মন্ত্ৰী মহোদয়ক মই এটা কথা কব বিচাৰিছোঁ— পানবাৰী কাৰ্নেজত কথা কলে আজিও আমাৰ মাননীয় সদস্য শ্ৰীপৰমেশ্বৰ ব্ৰহ্ম ডাঙৰীয়াই দুখ পায়। এই পানবাৰী কাৰ্নেজৰ কথা চৰকাৰে অনুসন্ধান কৰক ইয়াত এজন বিধায়ক শাসক দলৰ বিধায়ক আৰু চৰকাৰী বিষয়া জৰিত আছে, অনুসন্ধান কৰিলে নিশ্চয় গম পাব। সিদিনা মাননীয় সদস্য শ্ৰীহিৰন্য বৰাক কওঁতে কৈছিল স্থানীয় বিধায়ক মানে মোৰ কথন কৈছে নেকি? মই কৈছিলো যে স্থানীয় বিধায় মানে নাম নকওঁ কিন্তু আপুনি নহয়

( সময়ৰ সংকেট )

দ্বিতীয় কথা এটা কব বিছাৰিছোঁ প্ৰাইচ ৰাইজৰ সংক্ৰান্তত। এজন মানুহে সিদিনা মোক কৈছিল যে এইজন বিভাগীয় মন্ত্ৰীক ফাঁচী বজাৰৰ কোনো ব্যৱসায়ীয়ে গাইদ কৰি আছে নেকি? কাৰণ জানুৱাৰী মাহত যিটো চাউলৰ মূল্য আছিল ৫ টকা এতিয়া ৮.৫০ টকা হৈছে। এজন মানুহে সিদিনা কৈছিল যে এজন পাঠশালাৰ মাষ্টৰ আছিল। মৰাৰ পাছত পোষ্ট মৰ্টেম কৰিবলৈ নিলে, পোষ্ট মাৰ্টম হ'লত পোষ্ট মাৰ্টেম কৰিবলৈ লওঁতে দেদবডি উঠি বহিল কলে যে দুদিনমান খাই লওঁ পাছত পোষ্ট মাৰ্টম কৰিব কিন্তু যোগান মন্ত্ৰীৰ কথা যেতিয়া কলে যে চাউলৰ দাম ইমান টকা তেলৰ দাম ইমান টকা কৰিছে তেতিয়া দেদদডিয়ে কলে যে তেনেহলে মোক পোষ্ট মৰ্টেম কৰক। গতিকে মূল্য বৃদ্ধিৰ উৰ্দ্ধগামী কথাটো এই চৰকাৰে চিন্তা কৰিব লাগে। দুৰ্নীতিৰ কথা কৈছে। পাঠশালাৰ

পণ্ডিত নিয়োগ কৰোতে টকা লৈছে বুলি কোৱা হৈছে। মুখ্য মন্ত্ৰীক কথাটো কৈছিলোঁ তেখেতে আৰু লব নোৱাৰে বুলি কৈছে বোৰ্ড বিলাক ভাঙি দিছে। এইখিনিতে এটা কথা মনত পৰিছে যাত্ৰা কালত তিনিজন বন্ধু গোট খালে—কথোপকথনত ৰাছিয়ান বন্ধু জনক কোৱা হ'ল আপোনালোকৰ দেশত দুৰ্নীতি আছে নে নাই ভগৱানে কলে যে ৰাছিয়াত দুৰ্নীতি নিবাৰণ কৰিবলৈ আৰু ১০ বছৰ লাগিব তেতিয়া ৰাচিয়ান বন্ধুজনে কান্দিব ধৰিলে কিয়নো তেওঁ বুঢ়া মানুহ তেওঁ আৰু ১০ বছৰ জীয়াই নাথাকে, তাৰ পিছত আমেৰিকাৰ কথা কলে আমেৰিকাত দুৰ্নীতি দূৰ কৰিবলৈ হ'লে ২০ বছৰ সময় লাগিব বুলি কলে তেতিয়া আমেৰিকান জনে কান্দিবলৈ লাগিল কাৰণ তেওঁও বুঢ়া মানুহ কিজানি ইমান দিন জীয়াই নাথাকে। তাৰ পিছত অসমৰ কথা ওলাল— বন্ধুজনে কলে যে অসমত দুৰ্নীতি নাই যিখিনি আছে কেতিয়া দূৰ হব বুলি ভগবানক সুধিলে তেতিয়া ভগবানেই কান্দিবলৈ ধৰিলে - সোধাত ভগবানে কলে যে অসম হেনো কৰাপচন ফ্ৰি নহয়।

( সময়ৰ সংকেট )

গতিকে অনাস্থা প্ৰস্তাৱ আনি যিবিলাক ইছু ইয়াত ৰেইজ কৰা হৈছে সেইবিলাক আপোনালোকে চাব লাগে। চাবনো কি যোৱা কালি মোৰ ওচৰলৈ এজন মানুহ আহিল। তেখেতে কলে যে মোক মুখ্য মন্ত্ৰীক লগ কৰাই দিব লাগে। মই তেতিয়া কলো যে মুখ্য মন্ত্ৰী ব্যস্ত হৈছে আমাৰ মামচ হৈছেতো দৰ্খাস্ত এখন দিয়ক আমাৰ সমষ্টিত বহুতক পইচা দিছে আপোনাকো মই লিখি আনি দিম। তেতিয়া মানুহজনে কলে যে মোক টকা নালাগে মোক মাত্ৰ মুখ্য মন্ত্ৰীক দেখা কৰাই দিব লাগে। তেতিয়া মই কলো আপোনাৰ মামচহে হৈছে দৰ্খাস্তখন মোক দিয়ক তেওঁ তেতিয়া কলে যে নহয় কাগজে পত্ৰই বহুত কথা পাইছোঁ যে শইকীয়া চৰকাৰে য'তে হাত দিয়া নাইকীয়া হয় সেয়ে মোৰ গাতো হাত দিলে নাইকীয়া হব।

( সময়ৰ সংকেট )

সকলো কথাই আমি বিৰোধীপক্ষই কোৱা বুলি ধৰি লব নালাগে আপোনালোক নিজেও ভাবি চাওঁক। আপোনালোকে ভাবি চাওঁক— আপোনালোক ১০০ বছৰ গাদীত থাকক চেষ্টা কোৰাওঁক কিন্তু নাভাবিব মেন্দেট সলনি নহব বুলি। তেওঁলোকক যেনেকৈ ৰিপ্লেচ কৰিছে আপোনালোককও ৰিপ্লেচ কৰিব।

এইখিনিকে কৈ বক্তৃতাৰ সামৰণি মাৰিলোঁ।

Mr. Speaker : Honourable Chief Minister will give his reply at 5 p.m. So, you should be very short.

*দেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, আমি এনে এটা সময়ত এই অনাস্থা প্ৰস্তাৱটো মই সমৰ্থন কৰিবলৈ উঠিছোঁ। যি সময়ত সমগ্ৰ দেশতে নিদাৰুণ এক অৰ্থনৈতিক সংকতে দেখা দিছে। আজি মূল্য বৃদ্ধিৰ সমস্যা এটা গগণচুম্বি অৱস্থাৰ ৰূপ ধাৰণ কৰিছে। নিবনুৱা সমস্যাই আজি এক অস্বাভাৱিক হাৰত দেখা দিছে। আজিৰ বাতৰি কাকতত প্ৰকাশ পাইছে যে অসমত ১৫ লাখ পঞ্জীয়নভুক্ত নিবনুৱা আছে। অধ্যক্ষ মহোদয়, এনে এটা নিদাৰুণ অৱস্থা আজি দেশৰ চাৰিওফালে গঢ়ি উঠিছে। আজি আমি এই অনাস্থা প্ৰস্তাৱটো এনে এটা সময়ত আনিছোঁ। যিটো সময়ত সমগ্ৰ দেশৰ লগতে অসমতো বিক্ষুব্ধ ৰাইজে এটা সাধাৰণ ধৰ্মঘট পালন কৰিবলৈ ওলাইছে। এই সাধাৰণ ধৰ্মঘটত অসমৰ ৰাইজেও সমৰ্থন জনাইছে। অধ্যক্ষ মহোদয়, আমি লক্ষ্য কৰিছোঁ যে যেতিয়া সৰ্বসাধাৰণ শোষিত, নীপিড়িত মানুহে আজি পুজিপতি চৰকাৰৰ বৈষম্য আৰু শোষণৰ বিৰুদ্ধে ঐকবদ্ধ হৈ আন্দোলনলৈ আগবাঢ়ি আহিছে। আমি দেখিবলৈ পাইছোঁ এই চৰকাৰে জনসাধাৰণৰ মাজত ভাঙোন আনিবৰ কাৰণে বিভিন্ন জাতি, গোষ্ঠী, ধৰ্ম ভাষাৰ লোকৰ মাজত বিভিন্ন ধৰণৰ ভাঙোন আনিবলৈ চেষ্টা কৰি আহিছে। এইটো আমি লক্ষ্য কৰি আহিছো। এই চেষ্টা চৰকাৰী পক্ষৰ পৰা অবিৰত ভাৱে চলি আহিছে। অধ্যক্ষ মহোদয়, আজি এটা কথা এইখিনিতে ক'ব লাগিব যে ১৯৭৮ চনত যেতিয়া কংগ্ৰেছ (আই) দলৰ চৰকাৰ ক্ষমতাচ্যুত হয়, সেই সময়ত পৰাজিত এচাম কংগ্ৰেছ নেতাই, এচাম আঞ্চলিকতাবাদ মানসিকতাপূৰ্ণ ৰাজনৈতিক নেতাৰ তথা শক্তিৰ লগ হৈ অসমত এটা বিদেশী নাগৰিকৰ সমস্যাৰ প্ৰশ্ন তুলি এনে এটা অৱস্থাৰ সৃষ্টি কৰিছিল যিটো কথা আমি সোনকালে পাহৰি যাব নোৱাৰো। ইতিমধ্যে ভালে কেইজন সদস্যই সেই কথা কৈ গৈছে। আজি প্ৰশ্ন হৈছে সেই সময়ত এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হৈছিল যি সময়ত এটা ভাতৃঘাটি সংঘৰ্ষই অসমত এটা অস্বাভাৱিক পৰিস্থিতিৰ সৃষ্টি কৰিছিল। সেই সময়ত ৬ বছৰীয়া আন্দোলনে কি এক অৱস্থাৰ সৃষ্টি কৰিছিল সেই বিষয়ে আমাৰ মাননীয় সদস্য শ্ৰীএল, পি গোহাঁই ডাঙৰীয়াই এটা খুউব ভাল কথা অলপ আগতে কৈছিল যে—কাউৰীয়ে পটা

*Speech not Corrected

হুটি লৈ গ'ল। এনেকুৱা যুক্তি এটাৰ আলমতে অসমত অতিৰঞ্জিত পৰিসংখ্যা ডাঙি ধৰিছিল যে অসমত ৩০, ৪০, ৫০ লাখ বিদেশী নাগৰিক আছে। অসমত অসমীয়া অস্তিত্ব বিপন্ন হৈ পৰিছে বুলি এক উত্তাৱল অৱস্থাৰ সৃষ্টি কৰিছিল। সেই সময়ত কি অৱস্থাৰ সৃষ্টি হৈছিল সেইটো আমি সকলোৱে জানো আজি এতিয়া প্ৰশ্ন হৈছে সেই অৱস্থা আমি আজিও দেখিবলৈ পাইছোঁ। তেতিয়া যি যুই নহওঁক সেই অৱস্থাৰ এটা পৰিণতি হৈছিল। সেই সময়ৰ আন্দোলনৰ নেতা সকলক ৰাইজে ক্ষমতাত বহুৱাইছিল, সেই সকলে ৫ বছৰত কিমান বিদেশী বহিস্কাৰ কৰিলে এই সদনতে তাৰ তথ্য দিয়া হৈছে। এতিয়া প্ৰশ্ন হৈছে এই কংগ্ৰেছ আই দল পুনৰ ক্ষমতাৰ গাডীলৈ ঘূৰি আহিছে। কিহৰ ভিত্তিত তেওঁলোক ক্ষমতালৈ আহিছে—তেওঁলোকে জনসাধাৰণক মিঠা মিঠা প্ৰতিশ্ৰুতি দিছিল নিৰ্বচনী ইস্তাহাৰত। সেইবোৰ হৈছে—নিবনুৱা সকলক চাকৰি দিয়া, ২ টকা কিলোত চাউল দিয়া, মূল্য বৃদ্ধি ৰোধ, বৃদ্ধ পেনচন দিয়া আৰু তেওঁলোকে দুৰ্নীতি দমন কৰিব—তেওঁলোকে কি নকৰিব ? ভূমিহীনক ভূমি দিব, বছৰত ২ লাখকৈ ৫ বছৰত ১০ লাখ নিবনুৱাক চাকৰি দিব। তেওঁলোকৰ শাসনকাল এবছৰ পূৰ হ'বই এতিয়া কিন্তু চাকৰি কিমানক দিছে ? সমগ্ৰ অসমতে বৰ্ত্তমান কৰ্মচাৰী ১০ লাখ নাই, ৯ লাখৰ কিছু বেচি আছে। (সময় সংকেত) অধ্যক্ষ মহোদয়, মোক আৰু অলপ সময় দিয়ক। তেওঁলোকে ৫০ হেজাৰক চাকৰি দিম বুলি কৈছে, কিহৰ ভিত্তিত দিব ? কোনো নীতি-নিয়ম নাই। পপুলেচনৰ কথা কোৱা হৈছে কিন্তু কাৰ্য্যত নাই। যোগ্যতা জোখা হৈছে কেৱল দুৰ্নীতিৰ জৰিয়তে। কিমান প্ৰমাণ লাগে এই দুৰ্নীতিৰ ? এই কথা কেইজনমান মন্ত্ৰীয়েও স্বীকাৰ কৰিছে। এই দুৰ্নীতিৰ কাৰণে আমি বেছি দূৰলৈ যাব নেলাগে, ইয়াৰ পৰা মাত্ৰ ২ কিলোমিটাৰ আঁতৰত থকা ডি পি, আই অফিচকৈকে চাওক—তাত চাকৰিৰ কি খোলা নিলাম বজাৰ বহি আছে। এই চৰকাৰৰ সাধ্য নাই যে এজন অফিচাৰকো শাস্তি দিব পাৰে। চৰকাৰে কেনেকৈ শাস্তি দিব ? যাৰ নিজৰ ভৰি বোকাত সোমাই থাকে আনক কেতিয়াও সহায় কৰিব নোৱাৰে। দুৰ্নীতিৰ উদাহৰণৰ বিষয়ে শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই কৈছে। এখোখন থানাৰ অ'চি জনে জিলাৰ এচ, পি জনক মাহে মাহে ১৫ হেজাৰকৈ টকা দিব লাগে। শ্ৰীৰামপুৰ, চাগলীয়া চেক গেটৰ পৰা মাহে মাহে পুলিচে টকা তুলি দিব লাগে। আজি দেশত সেই কাৰণেই আইন-শৃংখলা নোহোৱা

হৈছে, পুলিচৰ কাম নোহোৱা হৈছে। এই কথা চৰকাৰে নেজানে নেকি? এইটো মুখ্যমন্ত্ৰীৰ নিজৰ বিভাগ। তেখেতে জানে কিন্তু শাস্তিমূলক ব্যৱস্থা লোৱাৰ সৎসাহস নাই। তেখেতে দুৰ্নীতি দমন কৰ'ৰ এটা উদাহৰণ দাঙি ধৰকচোন? তেখেতে কৃতিত্ব দাবী কৰিলে আমি দিবলৈ ৰাজী আছোঁ। তেখেতে দুৰ্নীতি দমনৰ এটা দৃষ্টান্তমূলক উদাহৰণ দাঙি ধৰকচোন। আমি আশা কৰি হতাশ হৈছো, তেখেত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। আজি তেখেতে ১০ লাখৰ চাকৰি দিব বুলি কৈছে—কিন্তু কেনেকৈ? ইয়াৰ কাৰণে শিল্প উন্নয়ণ হ'ব লাগিব। নতুন শিল্প গঢ় লৈ উঠিব লাগিব। আজি অশোক কাগজ কল, নুমলিগড়ৰ শোধনাগাৰ, কঠালগুৰিৰ গেচ ক্ৰেকাৰ আদি উদ্যোগ গঢ়ি তুলি শিল্প উন্নয়ণ কৰিব লাগিব চাকৰি দিবলৈ হ'লে। কিন্তু উদ্যোগ চলিবলৈ বিদ্যুৎ লাগিব। আজি দিনটোৰ ২৪ ঘণ্টাৰ ভিতৰত ২০ ঘণ্টাই বিদ্যুৎ নেথাকে। থকা কেইটা উদ্যোগ আজি বিজুলীৰ অভাৱত হাহাকাৰ কৰিছে। তেখেতে কিহৰ ভিত্তিত দেশৰ অৰ্থনৈতিক অৱস্থা ভাল কৰিব? নিবনুৱা সমস্যাৰ সমাধান কৰিব? তেখেতে বাস্তৱমুখী আৰু প্ৰগতিবাদী নীতি গ্ৰহণ কৰিব লাগিব। কিন্তু এই ক্ষেত্ৰত তেখেতে সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমি আজি আমি লক্ষ্য কৰিছোঁ মাননীয় মুখ্যমন্ত্ৰীয়ে এপ্ৰিল মাহৰ ১০ তাৰিখে দিয়া তেখেতৰ বিবৃতিত আকৌ পুৰণা কৌশল অৱলম্বন কৰি ৩০ লাখ বাংলাদেশী ১৯৮৭ চনত সোমাইছেহি বুলি কৈছে। এই লৈ আমাৰ মুখমন্ত্ৰী আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী দুয়োজনৰ কোনজনে বিদেশী বিতাৰণ বেছিকৈ কৰিলে এই লৈ প্ৰতিদ্বন্দিতাত নামিছে। কিন্তু এই ক্ষেত্ৰত ইতিমধ্যে যথেষ্ট ডেমেজ কৰা হৈ গ'ল। এই মন্তব্যৰ কাৰণে অসমৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত, বিভিন্ন সংখ্যালঘু সম্প্ৰদায়ৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছে। পৰস্পৰৰ প্ৰতি পৰস্পৰৰ সন্দেহ ভাৱ জাগি উঠিছে। আজি নতুনকৈ মুছলিম ফ'ৰাম গঢ়ি উঠিছে, মাইন'ৰিটি কাউন্সিল হৈছে। আজি অসমৰ বিভিন্ন সংখ্যালঘু সম্প্ৰদায় লোকৰ মাজত এক ভয়-ভাৱৰ সৃষ্টি হৈছে। পুলিচে সংখ্যালঘু লোকৰ ওপৰত জোৰ-জুলুম আৰম্ভ কৰিছে—বিশেষকৈ গুৱাহাটীত দিন হাজিৰা কৰা এনে লোকৰ ওপৰত।

মাননীয় অধ্যক্ষ মহোদয়, মই শেষত এটা কথা কৈ শেষ কৰিম। আজি 'ডিভাইদ এণ্ড ৰুল' যিটো কৰিছে ইয়াৰ দ্বাৰা অদূৰ ভৱিষ্যতে অত্যন্ত বিদ্বেষময় হ'ব আৰু অগণতান্ত্ৰিক হ'ব। (সময়ৰ সংকেট) আমি আজি বহুবিলাক কাৰণত

অনাস্থা প্ৰস্তাৱ আনিবলৈ বাধ্য হৈছো আৰু তাক সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

মাননীয় অধ্যক্ষ : আজি অনাস্থা প্ৰস্তাৱৰ ওপৰত ১৬ জন মাননীয় সদস্যই তেখেত সকলৰ ভাষণ ডাঙি ধৰিলে আৰু প্ৰত্যেক দলৰ দলপতি আৰু সদস্যই ভাষণ দিলে। এতিয়া ৫ টা বাজিছে। মুখ্যমন্ত্ৰীয়ে ডেৰ ঘণ্টা সময় ভাষণ দিব। এতিয়া আধা ঘণ্টা সময় টি-ব্ৰেক দিয়া হৈছে তাৰ আগতে আমাৰ উপাধ্যক্ষই এটা ক্লিয়েৰফিকেচন দিব।

শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে এনাউন্স কৰিছিল এ, জি, পিয়ে এঘণ্টা সময় কব। এতিয়া আমাক ৩৭ মিনিট দিছে। বাকী সময় কি কৰিলে ?

মাননীয় অধ্যক্ষ : আপোনালোকে ৩৭ মিনিট ক'লে অলপ চেক্ৰিফাইজ কৰিলে ভাল হয়। চন্দ্ৰমোহন পাটোৱাৰী আৰু আব্দুল ৰাগিবীয়ে প্ৰত্যেকেই ৩ মিনিটৰ বিপৰীতে ১২ মিনিটকৈ ক'লে।

Already 16 Honourable Members have spoken and the allotted time has been consumed. No members need speak any further....

Shri Joii Nath Sarma : Sir, a point of order. The House should not be guided by 'Anko'. The House should be guided by your announcement.

Mr. Speaker : Everything is subject to rectification.

মাননীয় উপাধ্যক্ষ : মাননীয় অধ্যক্ষ মহোদয়, মই এটা লামডিঙৰ ঘটনা সম্পৰ্কত ক্লিয়েৰিফিকেচন দিব বিচাৰিছো। মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই ক্লিয়েৰফিকেচন বিচাৰিছে। আজি আপোনালোকৰ ভুল বুজাবুজি হ'ব পাৰে য'ত নেকি ন' কনফিডেন্স মোচন আনিব পাৰে। মোৰ বিৰুদ্ধে যেতিয়া অভিযোগ আহিছে তেতিয়া হ'লে মই ন' কনফিডেন্স অনাৰ আগতে ক'ব পাৰো। মাননীয় সদস্য শ্ৰীহলিৰাম টেৰাং ডাঙৰীয়াই ডেপুটি স্পীকাৰ বুলি কোৱা নাই, এম, এল, এ হিচাপেহে এই অভিযোগটো আনিছে। এম, এল, এ তাত জড়িত হ'ব পাৰে আৰু এজন মাননীয় সদস্য প্ৰমোদ গগৈ ডাঙৰীয়াই কৈছে যে ষ্টেট মিনিষ্টাৰ হৈ থাকোতে ভুল কৰিছিল। আৰু লামডিঙৰ গুলি

কৰা ঘটনাৰ লগত উপাধ্যক্ষ জড়িত। সেই কাৰণে মই আজি এটা স্পষ্টীকৰণ দিব বিচাৰিছো। আৰু এটা কথা এই সংক্ৰান্তত মোৰ অনুপস্থিতিত পৰিবাৰৰ ওচৰলৈ আহি তেখেতকো জড়িত কৰিব বিচাৰিছে। মোৰ পৰিবাৰ স্কুলৰ শিক্ষয়িত্ৰী। তেওঁ কোনো ৰাজনৈতিক ভাৱে ৰাজনীতিত জড়িত নহয়। যি সময়ত লামডিঙত গুলি কৰিবলৈ অৰ্ডাৰ দিছিল সেই সময়ত মই লামডিঙত নাই। মই দিল্লীৰ পৰা উৰাজাহাজেৰে আহি আছিলো। সেই মুহূৰ্তত মই কেনেকৈ গুলি কৰিবলৈ অৰ্ডাৰ দিব পাৰো। ডেপুটি স্পীকাৰে অৰ্ডাৰ দিব পাৰেনে? মই সেই কাৰণে কব বিচাৰিছো যে এইটো উদ্দেশ্য প্ৰণোদিত ভাৱে এম, এল, এ, কিম্বা ডেপুটি স্পীকাৰক জড়িত কৰিব বিচাৰি হেয় প্ৰতিপন্ন কৰিব বিচাৰিছে। সেয়েহে মই পুনৰবাৰ আপোনালোকক ক'ব বিচাৰিছো যে লামডিঙৰ গুলী চালনা কৰাৰ সংক্ৰান্তত মই জড়িত নাই।

মাননীয় অধ্যক্ষ: এতিয়া আমি আধা ঘণ্টাৰ কাৰণে সদন স্থগিত ৰাখিম আৰু সকলো মাননীয় সদস্য আৰু বিষয়া বৰ্গক চাহ খাবলৈ যাবলৈ অনুৰোধ জনালো। তাৰ পিচতে সদনৰ কাম সম্পূৰ্ণ কৰিবলৈ আমাৰ আৰু কিছু সময় বৃদ্ধি কৰাৰ প্ৰয়োজন হব। তাৰ কাৰণে মই সকলো মাননীয় সদস্যৰ কনচেন্‌চাচ বিচাৰিছো।

Is it the pleasure of the House to extend time till today's business of the House is over?

( voices . .... yes, yes )

With the leave of the House time is extended. Now I request all Ministers, Honourable Members, pressmen, officers present to come for a cup of tea at Room No. 1

( Tea Break )

( House resumed after tea break at 5·40 p. m with Honourable Speaker in the Chair. )

Mr. Speaker : Now, Honourable Chief Minister will reply.

*শ্ৰীযতীন মালি: মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সময় আছিল। সেই সময় আমাক দিব লাগে।

---

★ Speech not Corrected.

*শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, আমাক অলপ সময় দিলে ভাল হয়।

*শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, অনাস্থা প্ৰস্তাৱ বিৰোধী পক্ষই আনিছে। আমাৰ ভিউ প্ৰকাশ কৰিবলৈ নাপাওতে শাসকীয় দলক বেছি সময় দিলে। আমাৰ প্ৰাপ্য সময়খিনিও আমাক দিয়া নাই। অনাস্থা প্ৰস্তাব ৰুলিং পাৰ্টিয়ে অনা নাই, আমি আনিছে। গতিকে আমাক সময় দিব লাগে।

মাননীয় অধ্যক্ষ : শাসকীয় দলকো সময় বেছিকৈ দিয়া নাই। হিচাবমতে আপোনালোকে ৩ ঘন্টা পায় তাৰে ২০ মিনিট সময় বাকী আছে। সকলো দলৰ সদস্যকে কবলৈ দিয়া হ'ল। আপোনালোকৰ দলপতিয়ে কোৱাৰ পিচত আপোনালোকে কোৱা কোনো লাভ নাই। এতিয়া মই মাননীয় মুখ্য মন্ত্ৰীক উত্তৰ দিবলৈ অনুৰোধ জনাইছো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই এই অনাস্থা প্ৰস্তাৱ আনি আমাৰ চৰকাৰৰ কামবিলাকৰ সমালোচনা কৰিছে। আমাৰ দলৰ ফালৰ পৰাও ভালে কেইজন সদস্যই মন্তব্য প্ৰকাশ কৰিছে। মই দেখিছো যে প্ৰায়বিলাক কথাই প্ৰকাশ হৈ গৈছে। মই মূল বিষয় কেইটাৰ ওপৰত কব খুজিছো। ফৰেৰ্নাচ্ ইছ, বড়োলেণ্ড প্ৰবলেম অটোনমাচ ষ্টেট, আল্ফা প্ৰবলেম এইবিলাকৰ ওপৰত মই থুলমুলকৈ কম। ইয়াৰ লগতে ল এণ্ড অৰ্ডাৰ, এমপ্ল,ইমেণ্ট আদিৰ যিখিনি পইণ্ট কভাৰ কৰা নাই তাৰো উত্তৰ দিম। অধ্যক্ষ ডাঙৰীয়া, বিদেশী বহিষ্কাৰৰ কাৰণে বহুত কেইজন মাননীয় সদস্যই বহুত কথা কৈছে, এইটো মই অস্বীকাৰ নকৰো। বিধান সভাৰ মজিয়াত কোৱা কথাৰ উত্তৰ বিধান সভাৰ মজিয়াতে দিব লাগিছিল। কিন্তু ইতিমধ্যে এইটোক লৈ ভালেখিনি ঘটনা ঘটি গৈছে। শ্ৰীমহন্ত ডাঙৰীয়াই বিদেশী নাগৰিকৰ কথা কৈছে আৰু এ, জি, পি, দলৰ ফালৰ পৰা গৈ প্ৰধানমন্ত্ৰীক লগ ধৰিছে আৰু ধৰ্না'ও দিছে। এই কথা কাকতত প্ৰকাশ পাইছে। শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াৰ উত্তৰত কোৱা কথাখিনি আজি ইয়াত উদ্ধৃতি দিছো। এইটো সত্য মই আকৌ কৈছো— মোৰ বক্তব্য সেইদিনা সদনত পাঠ কৰা বিবৃতিৰ উক্ত পাৰাগ্ৰাফটো এনেকুৱা আছিল। পশ্চিমবঙ্গ, ১৯৮৭ চনত ৪.৪ নিযুত লোকৰ অনুপ্ৰৱেশ হৈছিল। এতিয়া এই সংখ্যা ৫ নিযুত হব। অসমত এই অনুপ্ৰৱেশৰ সংখ্যা ২/৩ নিযুত হব। মাননীয় অধ্যক্ষ ডাঙৰীয়া

★Speech not Corrected

১৯৮২ চনৰ ২৪ মাৰ্চত ভাৰত চৰকাৰ গৃহ সচিব আৰু ৰাজ্যবিলাকৰ মুখ্য সচিবৰ লগত মিটিং হৈছিল। তাৰ এটা এজেণ্ডাৰ নোট মই পঢ়ি দিছো।

"Agenda Notes for the meeting of the Home Secretary with Chief Secretary and other officers on March, 24, 1982. According to figure available the total number of infiltrants is 4·40 million or it may be near about 5 million. to day. For Assam the estimated figure of infiltrants today is 2·23 million," ....

Register General of India Population figure অৰ্থাৎ in 1971, 2·289 lakhs of population as per estimate of 1987 এই বাক্য কেইটা হুবহু নকল।

অধ্যক্ষ ডাঙৰীয়া, এই গোটেই কথাখিনি হৈছে প্ৰজেক্টেড পপুলেশ্বন ফিগাৰৰ ওপৰত ১৯৭১ চনৰ পিচত অসমত কোনো গন পিয়ল হোৱা নাই। ৰেজিষ্ট্ৰেচন জেনেৰেল অব ইণ্ডিয়াৰ তেওঁলোকৰ বিভাগত আমাৰ ৰাজ্য বিলাকৰ পপুলেশ্বন ফিগাৰ প্ৰজেক্টেড হয়। ১৯৮৭ চনত ১ কোটি ২৮ লাখ ২০০ এনুৱেল ইষ্টিমেট অব পপুলেশ্বন আছিল। এইটো হৈছে গভৰ্ণমেণ্ট ইণ্ডিয়াৰ ফিগাৰ। ১৯৭১ চনৰ গণপিয়লৰ ভিত্তিত। আৰু তেওঁলোকে ১৯৯১ চনত দেখুৱাইছে ২ কোটি ৫০ লাখ ১ হেজাৰ ৪০। গননাৰ ভিত্তিত প্ৰভিজনেল ফিগাৰ আছিল, তাৰ ওপৰত ভিত্তি কৰা হৈছে। অসমৰ জনসংখ্যা ১৯৯১ চনত ২ কোটি ২২ লাখ ৯৫ হেজাৰ। এই ৩০ হেজাৰৰ কথা প্ৰজেক্টেড পপুলেশ্বন ফিগাৰ। তাত ২ কোটি ৫১ লাখ দেখুৱাইছে। কিন্তু আমি মূৰগণনাত পাইছো ২ কোটি ২২ লাখ। মই সেয়ে কৈছো যে এইখিনি সত্য নহয়। শ্ৰীমহন্ত ডাঙৰীয়াই বিদেশী খেদাৰ হিচাব বিচাৰিছে। আমাৰ চৰকাৰৰ তথ্য মতে ১৯৫২ চনৰ পৰা ১৯৮৫ চনলৈ ৩ লাখ ২৩ হেজাৰ ৫ শ ৬২ জন হিচাব দিছে। শ্ৰীগগৈ ডাঙৰীয়াৰ উত্তৰত কৈছো যে ৰাজ্যপালৰ ভাষনত ১৯ হেজাৰৰ কথা কৈছে। সেইবিলাক কথা মই ধৰিছোহে। এতিয়াও ট্ৰায়েল হোৱা নাই। সেয়ে একো কব বিচৰা নাই। কবলৈ অপাৰগ এই সম্পৰ্কত ত্ৰিবুনেলে কি জাষ্টিচ দিয়ে তাৰ ওপৰত নিৰ্ভৰ কৰিব। মই আবদুৰ কথা কব খুজিছো, মাননীয় সদস্য শ্ৰীপৰমেশ্বৰ ডাঙৰীয়াই দুটা অভিযোগ আনিছে যে আমি বিৰোধী দলক মিচলেট কৰিছো আৰু

তেখেতসকলৰ প্ৰতি বহুতখিনি কথাতে অন্যায় কৰিছো। টেবাং ভাঙৰীয়াই কৈছে যে তেখেতসকলৰ লগত বন্ধুত্ব আছিল, এতিয়া সেই বন্ধুত্ব বেয়া হৈছে। প্ৰকৃত কথা কবলৈ গলে বিৰোধিতা হোৱাৰ কোনো কথাই নাই। বড়োলেণ্ড সমস্যাৰ সমাধান হওঁক বুলিয়েই আমি আন্তৰিকতাৰে চেষ্টা কৰিছো। মই এই সদনতে কৈছিলো তেখেতসকলৰ আন্দোলন আৰম্ভ হোৱাৰ পাছতেই কেইবাদিনো দিল্লীত সাক্ষাতেই পোৱা নাছিল। ১৯৮৭ চনত মোৰ শৰীৰ অসুস্থতাৰ কাৰণে মিজোৰামৰ পৰা গৈ এ, আই, আই, এম, এচ, হস্পিতেলত আছিলো। তেতিয়া আবছুৰ স্বৰ্গীয় উপেন ব্ৰহ্ম আৰু ৫ জন তেখেতৰ সহযোগীয়ে তাত মোক লগ ধৰি কৈছিল যে আমাক কোনেও লগ নকৰে। তেওঁলোকে কলে যে কেন্দ্ৰীয় চৰকাৰে ভাবিছে নেকি যে A. G. P. চৰকাৰে বেয়া পাব। কেন্দ্ৰীয় চৰকাৰক পোনপতীয়াকৈ লগ ধৰিলে বেয়া পাব বুলিয়ে মোক লগ ধৰিছিল। মই কলো বেয়া পোৱাৰ প্ৰশ্নই নুঠে। মই হস্পিতেলৰ পৰাই টেলিফোন কৰি গৃহ মন্ত্ৰীৰ লগত যোগাযোগ কৰিছিলো। মই গৃহ মন্ত্ৰীক কৈছিলো তেওঁলোকৰ কাগজপত্ৰ চাবলৈ কি আপত্তি থাকিব পাৰে আপোনাৰ। বড়োলেণ্ড দিয়ক নিদিয়ক সেইটো কথা নহয়। কথা হল কাগজ পাতি চাওঁক।

তাৰ পিচত এক্সপাৰ্ট কমিটীত কৰাৰ সিদ্ধান্ত হোৱাৰ পিচত গণপৰিষদৰ ফালৰ পৰা ক্লিয়াৰিফিকেশ্বন বিচাৰি থাকোতে এক্সপাৰ্ট কমিটী হৈ নুথিল। তাৰ পিচত ভি, পি, সিং চৰকাৰ ভাগিল আৰু চন্দ্ৰ শেখৰ চৰকাৰ আহিল। তাৰ পিচত এক্সপাৰ্ট কমিটী বন্ধ হৈ গল। এক্সপাৰ্ট কমিটী কৰাৰ কাৰণে মই তেখেত সকলৰ হৈ ৰাজীৱ গান্ধীক লগ ধৰিছিলো। মোৰ মনত আছে সেই দিনা মই কথা পাতি থাকোতে শ্ৰীজয়নাথ শৰ্মা আৰু ভৃগু ফুকনো তালৈ গৈছিল।

(শ্ৰীজয়নাথ শৰ্মা— আপোনাক আমি দেখা নাই)।

মই আপোনালোকক দেখিছিলো। প্ৰধানমন্ত্ৰীৰ সচিব জনে মোক কলে যে শ্ৰীশৰ্মা আৰু শ্ৰীফুকন আহিছে। কিন্তু আপোনালোকৰ লগত দেখাদেখি নকৰিলো। সেই সময়ত মই ৰাষ্ট্ৰপতি শাসন দিয়া নিদিয়া নিৰ্বাচন আদি নানা কথা চলি আছিল। সেই দিনাখন এক্সপাৰ্ট কমিটীৰ কথা পাতিছিলো। এক্সপাৰ্ট কমিটীৰ ৰিকমেণ্ডেচনৰ বাবে তেওঁলোকে কিবা পালে সেইটো বিৰোধিতা নকৰো। কিবা সিদ্ধান্ত হোৱাৰ পিচত এক্সপাৰ্ট কমিটিয়ে 'ৰিপৰ্ট দিলে অশান্তি নোহোৱাত ৬ মাহ লাগে। এই সময় চোৱাত ৰাজীৱ গান্ধীক কৈছিলো যে শান্তিৰ পৰিবেশ সৃষ্টি হৈছে।

সেই মতেই হল। এক্সপাৰ্ট কমিটীৰ ক্ষেত্ৰত তেখেতসকলৰ আন্তৰিকতা বেছি আছিল। শ্ৰীমহন্ত ডাঙৰীয়াই নিশ্চয় কব যে তেখেতসকলে ভীষন প্ৰেছাৰ দিছিল। নানা কথাত সেইয়া কৰিব পৰা নাছিল কাৰণে কেন্দ্ৰীয় চৰকাৰত ইতিমধ্যে ভি, পি, সিং চৰকাৰ পৰিল। ভি, পি, সিং চৰকাৰ পৰাত মহন্ত ডাঙৰীয়াৰ পাৱাৰ নাইকীয়া হ'ল। সেয়ে মোক ধৰিলে।

সি যিকি নহওক এক্সপাৰ্ট কমিটীয়ে এটা ৰিপোৰ্ট দিলে। এইটো কিমান পাব লাগে আগতেও কোৱা হৈছে। এতিয়াও সদনত কৈছো। এক্সপাৰ্ট কমিটীৰ ৰিপোৰ্ট আহক বা নাহক মই মুখ্যমন্ত্ৰী হিচাবে কথা পাতিব লাগে আৰু এটা সিদ্ধান্ত লব লাগে। সেইমতে সিদ্ধান্ত লোৱাৰ পথত আগবাঢ়ি আছো। আলোচনা আৰম্ভ হোৱাৰ পিচত আমি এটা সিদ্ধান্তলৈ আহিলো। এডমিনিষ্ট্ৰেশ্বন Set-up কেনেকুৱা হব ইত্যাদি চোৱা হৈ আছে। যেতিয়া মেপখন লৈ আহিল বুজিলো যে এইটো মই অকলে কৰা কাম নহয়। মুখ্যমন্ত্ৰী হলো কাৰণে অসমখন মোৰ নহয়, অসমৰ ৰাইজে আৰু সকলো দলেই ইয়াক মানি লব লাগিব। একপক্ষীয় ভাবে সিদ্ধান্ত ললে ভায়োলেন্স হব পাৰে, আন্দোলন হব পাৰে। সেই কাৰণে সৰ্বদলীয় সিদ্ধান্তৰ কাৰণে চাইছো। মই কাগজখন দেখুৱাব বিচাৰিছো। অলপ সময় লৈছো অধ্যক্ষ ডাঙৰীয়া। এক্সপাৰ্ট কমিটীৰ পৰা এই মেপখন দিছিল।

(সদনত মেপৰ কপি দেখুৱায়)

সদনত দিছো। এইবিলাক একো একোটা ষ্টেজত আছে। শেষত মই পবিত্ৰ সদনত কৈছো শেষ সিদ্ধান্ত দিছে গহপুৰৰ পৰা বিহপুৰীয়া শিমলিয়ালৈকে লাগে। তেখেতসকলে প্ৰথমতে এই কেইটা সমষ্টি বিচাৰিছে: গোসাই গাওঁ, কোকৰাঝাৰ ইষ্ট, ওৱেষ্ট, বিজনী, চিড়লী, তাৰ পিচত কলাইগাওঁ, মাজবাট ইত্যাদি। মই কৈছো ইয়াতো কিছুমান সমস্যা আছে। মাজবাট বা ঢেকিয়াজুলিত আন কিছুমান গাওঁ আছে যিবিলাক নপৰে। ইতিমধ্যে প্ৰধান মন্ত্ৰীয়ে ডিফেন্স মিনিষ্টাৰৰ লগত আমাৰ আলোচনাৰ ব্যৱস্থা কৰিলে। তেওঁলোকে ৪৪৪৩ খন গাওঁ বিচাৰিছে। এই ৪৪৪৩ খন গাওঁ ইতিমধ্যে এক্সপাৰ্ট কমিটীয়ে লৈছে। ৰিপোৰ্টত দিছে। তেওঁলোকে কিছুমান এৰিয়া স্পষ্ট কৰি দিছে। ৪৪৪৩ খন গাওঁৰ আমি জনসংখ্যা চাব লাগিব। চেনচাচ যিটো চলাই আছো তাত ওলাই পৰিব। তেওঁলোকে কৈছে যে চেন্‌চাচ্ ভুল। ৰিচেন্‌চাচ্ হলে তেওঁলোকৰ প্ৰতিনিধি থাকক, কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি থাকক আৰু অসম চৰকাৰৰ প্ৰতিনিধি থাকক তেতিয়া কথাটো ওলাই পৰিব। চাৰ্ভে

অৰ ইণ্ডিয়াক এৰি দিব পাৰি। এওঁলোকৰ তথাৰ ওপৰত ভিত্তি কৰিয়েই অৰুনাচল, মিজোৰাম, নগালেণ্ড হৈছিল। এতিয়া কাকতে পত্রে কৈ আছে মিচলিড কৰি আছে বুলি। ইয়াত মোৰ কোনো কু অভিপ্ৰায় নাই। অধ্যক্ষ মহোদয়, এইটো মোৰ নিজৰ সম্পত্তি নহয়, অসমৰ ৰাইজ আছে, মাননীয় সদস্যসকল আছে, সকলোৱে বুজাপৰাত আহিব লাগিব। সেই কাৰণে গোটেইখিনি কথা সৰ্বদলীয় সিদ্ধান্তৰ ওপৰত এৰি দিছো। আমাৰ দলৰ কোনো ৰিজিদিটি নাই। সৰ্বদলীয় সিদ্ধান্ত যিটো হব তাকে মানি লম। তাৰ বাহিৰে কি কৰিম। গোটেইখিনি কথা সেই কাৰণে বিৰোধী দলৰ ওপৰত এৰি দিছো কিয়নো তেওঁলোকে বিৰোধী দলৰ লগতে ধৰ্মঘটো কৰে অনাস্থা প্ৰস্তাৱো আনে। তেওঁলোক বিৰোধী দলৰ সহযোগী। সেই কাৰণে মই কৈছো আমাৰ কোনো কু অভিপ্ৰায় নাই। অসমৰ বিভাজন নোহোৱাকৈ তেখেত সকলৰ ভাষা সংস্কৃতিয়েই ৰক্ষা হওঁক বা আন সকলোখিনি হওঁক মই মুখ্য মন্ত্ৰী হিচাৱে কলেই নহব অসমৰ ৰাইজৰ কথাও লব লাগিব। আমি একেলগ হৈ আলোচনা বিলোচনা কৰিলে নিশ্চয় কিবা এটা সিদ্ধান্ত ওলাব। সিদিনা মিটিং পাতিছিলো তেখেতসকল অহা নাই। নাহো বুলি কৈছে। আমি মিলেৰেও বিভাজন হব পাৰো। তিনিবাৰ মাতিছো কিন্তু তেখেতসকল অহা নাই। বিৰোধী দলসমূহকো মিচলিড কৰা নাই যি বিচাৰিছে তাকে দিছো, মেপ দিছো, ফিগাৰ দিছো আৰু ৩০ তাৰিখে বহাৰ কথাও কৈছো। প্ৰশসনীয় এলেকা আৰু প্ৰশাসনীয় গাঁথনি কেনেধৰনৰ হব সেইটো সৰ্বদলীয় বৈঠকে যি সিদ্ধান্ত লয় তাকে মানি লম। ডিমাছা আৰু কাৰ্বিসকলৰ লগত আলোচনা চলি আছে। তেখেতসকলৰ অসুবিধা আছে বুলি মই জানো। টেৰাং ডাঙৰীয়াই জানে প্ৰথম অৱস্থাত কেন্দ্ৰীয় চৰকাৰে কথাই নাপাতে, মই কথা পাতিবলৈ জোৰ দিয়াত তেওঁলোকে মোকো সন্দেহ কৰিছিল। মই ডাঃ জয়ন্ত ৰংপীক আগত ৰাখিয়ে টেলিফোন কৰিছিলো। আন্তৰিকতা নাথাকিলে এইটো নকৰিলোহেঁতেন।

আবছুৰ বিৰুদ্ধে B. S. F আৰু P. T. C. A উঠি পৰি লাগিছে। আমাৰ মতলব বেয়া হোৱা হলে আমি বি, এচ এফ মেলি দিলোহেতেন। মই কেন্দ্ৰীয় চৰকাৰক জনাইছো যে B.S.F ক বেণ্ড কৰিব লাগে। মই জনাত কিছু দিনৰ আগতে কোকৰাঝাৰত P.T.C. এৰ লোকৰ ঘৰবাৰী ভাঙি লুট পাট কৰি অত্যাচাৰ কৰাত আমি আৰ্মী দি প্ৰটেকচন দিছিলো, আবছুৰ পৰিয়ালক

প্ৰটেকচন দিছো। ভুটানলৈ আমি পঠাইছো। আমি বেয়া মতলব থকা হ'লে B. S. F. ক বেণ্ড কৰিব নকলোহেঁতেন। এইটো ভাবিব নালাগে যে তেওঁলোকে বড়োলেণ্ড ডিমাণ্ড কৰিছে আমি বাধা দিছো। তেওঁলোকৰ সভা বহি বহি আছে কাগজত ষ্টেটমেণ্ট ওলাই আছে। এনে কথা কব নালাগে যিবিলাকে পাৰ্থক্য আনে। যোৱা ১৪ তাৰিখে আমাৰ সভা বহিছিল সিদ্ধান্তও হৈছিল যে আকৌ অহা ২৪ তাৰিখে সভা বহিব। আলোচনা হব। আজি অসমত স্বায়ত্ব শাসিত ৰাজ্যৰ কথা আহিছে। অসমখনক খণ্ড খণ্ড কৰা হ'ল। অসমৰ পৰা মেঘালয়, অৰুনাচল, নাগালেণ্ড, মিজোৰাম ফালৰি কাটি গ'ল। অসমৰ ৰাইজে আমাক ক্ষমা কৰিবনে? অসমৰ ৰাইজে বুজিব লাগিব। ডিমাছা আৰু কাৰ্বি সকলক কিয় ৰাজ্য দিব লগা হল। অসমৰ ৰাইজৰ লগত বুজাপৰা হব লাগিব কি কাৰণে দিব লগা হ'ল। এ, এচ, ডি, চি আৰু বি, এল, পিৰ মাননীয় সদস্যসকলে এইটো বুজি পাব লাগিব যে আমি কোনো কু অভিপ্ৰায় লৈ ৰাস্তা বন্ধ কৰা নাই। আমি আলোচনা বিচাৰিছো। বড়োলেণ্ডৰ কথা কওঁ, এইটো ১৯৬৭ চনতে আৰম্ভ হোৱা সমস্যা। ১৯৬৭ চনৰ পৰা আজিলৈকে সুদীৰ্ঘ ২৫ বছৰ সমাধান নোহোৱা কথানো আজি এবছৰতে মই কেনেকৈ মীমাংসা কৰিব পাৰো? ২৫ বছৰে সমাধান নোহোৱা কথাটো আজি এবছৰতে মোক বাধ্য কৰাব বিচাৰিছে। মই সমাধান কৰি দিব লাগে। আমাৰ জনজাতি সকলৰ প্ৰতি কোনো ধৰণৰ কু অভিপ্ৰায় নাই। তেওঁলোকৰ আশা আকাংখ্যা পূৰণৰ বাবে অসম চৰকাৰে যিমান খিনি কৰিব পাৰে, কৰিব। সীমিত বেৰৰ মাজত কৰিব পৰা খিনি কৰি যাব। অধ্যক্ষ মহোদয়, মই যিখিনি কৰিব নোৱাৰো তাৰ বাবে যে মিচ্‌লিড্‌ কৰা হব সেইটো নহয়, মই আশা কৰো তেওঁলোকে এই কথা কেইটা মন কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, সদনত নানা ধৰণৰ কথা চলি আছে, বিশেষকৈ আলফাৰ কথাটো গুৰুত্ব আৰোপ কৰিছে, ইয়াৰ আগতে এটা কথা কওঁ। শ্ৰীপ্ৰমোদ গগৈ আৰু শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই আমি কি কি কাম কৰিছো জানিব বিচাৰিছে। শ্ৰীজয়নাল আবেদিনে একো কাম কৰা হোৱা নাই বুলি কৈছে। অধ্যক্ষ মহোদয়, আপুনি অসমৰ সমস্যাৰ কথা জানে। আইন শৃঙ্খলাৰ পৰিস্থিতি কেনেকৈ নিয়ন্ত্ৰন কৰিব বিচাৰিছো তাকো জানে। আমি ইতিমধ্যে কিমান কাম কৰিছো আপোনালোকক অবগত কৰিব বিচাৰিছো। ১১,৫,৩৪ জনক স্মল স্কেল আৰু (Tyni) টাইনি ইণ্ডাষ্ট্ৰি কৰিবলৈ দিয়া হৈছে। Self Employment

programmeত টকা দিয়া হৈছে। স্মল স্কেল ইণ্ডষ্ট্ৰি উদ্যোগ হৈছে ২,৯৯৩ টা। নিয়োজিত হব ১১,৫,৩৪ জন ! প্ৰত্যেকটো ইউনিটক গড়হিচাবে ৫ লাখৰ পৰা ৭ লাখ টকাৰ দিয়াৰ ব্যৱস্থা কৰা হব। শ্ৰীজয়নাথ শৰ্মাৰ সমষ্টিত থকা চিনথেটিক মিলটোৰ কাম অহা জুলাই আগষ্ট মানৰ পৰা আৰম্ভ কৰা হব। সেই কাম তেখেতৰ দিনতে আৰম্ভ হৈছে যদিও আমি চালু কৰিব বিচাৰিছো।

শ্ৰীজয়নাথ শৰ্মা: পাৱাৰৰ যিটো প্ৰবলেম্ হৈছে সেইটোৰ কাৰণে কি ব্যৱস্থা লৈছে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): সেইটো চোৱা হৈছে হস্ত শিল্প উদ্যোগৰ সংখ্যা হৈছে ২,৬১০। নিয়োজিত হৈছে ৭৪৯২ জন। ইয়াতো গড়ে ৫০ হাজাৰকৈ ধৰা হৈছে, Weaving unit of Assam State Textile Co-operation বিজনিত হৈছে। নিৰ্মান প্ৰায় সম্পূৰ্ণ, কাম আৰম্ভ হব। ইয়াত ১০ কোটি টকা ব্যয় হব। ১ জুলাইত ৪ৰ্থ তেল শোধনাগাৰৰ আধাৰশিলা প্ৰধান মন্ত্ৰীয়ে লে কৰাৰ কথা। গ্যাছ ক্ৰেকাৰ প্ৰকল্পৰ বাধাবিলাক আঁতৰ কৰা হৈছে। গ্যাছ অথৰিটি অব ইণ্ডিয়াই এটা L. P. G. plan লাকুৱাত clearance দিছে। এটা ডাঙৰ পৰিমাণৰ চিমেণ্ট প্ৰজেক্ট লোৱা হৈছে। ইতিমধ্যে ১০ টা মিনি প্লেণ্টৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ প্ৰত্যেকটোত ১৫০ কোটিকৈ টকা পৰিব। ১৩ টা লাইম প্লেণ্টৰ লাইচেন্স দিয়া হৈছে। তাৰ প্ৰত্যেকটোত ৩০ লাখকৈ টকা পৰিব। উইভিং Complex নগাঁৱৰ কাটিমাৰীত সম্পূৰ্ণ হৈছে। ইতিমধ্যে ৩,৪৮০ জন যুৱকক ২৫ হাজাৰকৈ কম্পজিট লোন দিয়া হৈছে। আৰু ১০ হাজাৰ নিবনুৱা যুৱকক প্ৰত্যেককে ৫০ হাজাৰকৈ দিবলৈ ৫০ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে।

অধ্যক্ষ মহোদয়, এই বছৰ আই, আৰ, দি, পিৰত ৪৬ হাজাৰ ৫ শ পৰিয়ালক ৩০ কোটি টকাৰ ঋন দিয়া হৈছে। তাৰোপৰি আমি ৪,৫৬৫ জন গাওঁ পঞ্চায়তত কৰ্মীৰ চাকৰি প্ৰভিনচিয়েলাইজ কৰা হৈছে। আমি কথা দিয়া মতে পঞ্চায়ত নিৰ্বাচন পাতিছো। পি, এইচ, ইত ৭৪ খন গাঁৱত পানীযোগানৰ ব্যৱস্থা কৰা হৈছে। ৫৫০ খন গাঁৱত পানী যোগান আঁচনিৰ কাম সম্পূৰ্ণ কৰা হৈছে। ২১৩ টা পাইপ স্কীমৰ আঁচনিৰ কাম সম্পূৰ্ণ কৰা হৈছে। এই বছৰ ৬৪,৩২৩ জনক ভেচেকটনিক নিয়োগ কৰা হৈছে। পৰিয়াল কল্যান কৰা হৈছে আৰু কৃষি বিভাগৰ পৰা ১৮,০৩৭ জনক চেলফ্ এমপ্লইমেণ্ট আঁচনিত টকা পইচা দিয়া হৈছে। হাউচিং বৰ্ডৰ ফালৰ পৰা নতুন আঁচনি লোৱা হৈছে। ১৪ হেজাৰ দুখীয়া মানুহক

৪ হেজাৰ টকাৰ ঘৰৰ সামগ্ৰী দিয়া হৈছে। বিধবা মহিলাৰ কল্যানৰ বাবে ১১২ খন তাঁতবশাল কৰাৰ বাবে টকা পইচা দিয়া হৈছে। এই বছৰ আমি ৩ হেজাৰ বেনিফিচিয়াৰি লৈছো। পি, ডব্লিও, ডিৰ কামৰো অগ্ৰগতি হৈছে। ৪১০ কিলোমিটাৰ ৰাস্তা কংক্ৰিট কৰা হৈছে। ১১৩ কিলোমিটাৰ ৰাস্তা প্ৰেভেল কৰা হৈছে। ৮৩ কিলোমিটাৰ ৰাস্তা ব্লেক টপিং কৰা হৈছে। এন, ই, চিৰ দ্বাৰা ৪০ খন দলং সম্পূৰ্ণ কৰা হৈছে। বৰ্দাৰ ৰোডত ৯ কিলোমিটাৰ ৰাস্তা কৰা হৈছে। with 607 parts of bridges কাম সম্পূৰ্ণ হৈছে। ইতিমধ্যে ২৪.৪৮০ একৰ মাটি মাটিহীনক দিয়া হৈছে। ১৮,২০০ পৰিয়ালক প্ৰত্যেককে ১ বিঘা কৰি মাটি আৰু ২.৫০ হাজাৰ কৰি টকা দিয়া হৈছে। যোৱা বাৰ সদনত আমি ২ টকা কিলোৰ চাউল দিয়া হব বুলি কোৱা হৈছিল। যোৱা ২১ মেৰ পৰা অসমৰ নগৰ অঞ্চলত ৫৯ হাজাৰ পৰিয়ালক ২ টকা দৰত ১৬ কেজিকৈ চাউল দিয়াৰ ব্যৱস্থা কৰা হৈছে। আমাৰ ৰাজ্যৰ দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত থকা মানুহক অৰ্থাৎ ১৫ লাখ মানুহক সহায় কৰা হ'ব।

*শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, দৰিদ্ৰতা সীমাৰেখাৰ তলত কিমান জনসংখ্যা আছে ৭ শতাংশ নে ১৫ লাখ ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী : অধ্যক্ষ মহোদয়, ১৫ লাখ পৰিয়াল।

*শ্ৰীজয় নাথ শৰ্মা : অধ্যক্ষ মহোদয়, এই তথ্য ক'ৰ পৰা দিছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ এটা হিচাব আছে। তাৰপৰা দিছো।

*শ্ৰীজয় নাথ শৰ্মা : অধ্যক্ষ মহোদয়, ৪৮ শতাংশ আপোনালোকে কভাৰ কৰিছেনে নাই ২৪ শতাংশ লৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয় (মুখ্যমন্ত্ৰী) : আমাক যিটো হিচাব দি, আৰ, দিয়ে দিছে, সেইটো দিছো।

*শ্ৰীনগেন শৰ্মা : অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰ থাকোতেই এইটোৰ প্ৰটেষ্ট কৰিছিলো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, যদি ইয়াত কিবা সংশোধন কৰিব লগা আছে তেনেহ'লে সংশোধন কৰা হ'ব। ৬,৪০০ টকাৰ কম আয়ৰ মানুহক দিয়া হৈছে। গাওঁ অঞ্চলত ৩ লাখ ৪১ হাজাৰ পৰিয়ালক দিয়াৰ

★ Speech not Corrected.

বাবে সিদ্ধান্ত লোৱা হৈছে। তাৰ বাবে গাওঁ পঞ্চায়ত বিলাক লোৱা হৈছে। এখন গাওঁ পঞ্চায়তত যদি ২০০ হয় তেনেহ'লে প্ৰত্যেক ৱাৰ্ডত ১০ টাকৈ দিয়া হ'ব। সেইটো নিয়ম কৰিলে কৃতকাৰ্য্য হ'ম। অহা ১ জুলাইৰ পৰা আমি ৩ লাখ ৪১ হাজাৰ পৰিয়ালক ১৬ কেজি কৰি চাউল দিয়াৰ বাবে সিদ্ধান্ত বস্তু মজুত আছে।

*দেৱান জয়নাল আবেদিন : মাটি সম্পৰ্কত যিটো পৰিসংখ্যা দিছে সেইটোৰ ক্ষেত্ৰত মই ক'ব বিচাৰো যে, চাউথ শালমৰাত ৫ হাজাৰ পৰিয়াল ভূমিহীন হৈছে। তাৰে ২৪ টা পৰিয়ালক চৰত মাটি দিছে টকা দিয়া নাই। ২/৫শ কৰি টকা দিছে বাকী বিলাকে একো পোৱা নাই।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাটি দিয়াত অসুবিধা হৈছে। চাউথ শালমৰাত মাটি একেবাৰেই নাই। চৰকাৰী মাটি পা'লে নাই। ৰিজাৰ্ভো নাই। মাটি দেখুৱাই দিলে মাটি দিব পাৰিম।

দেৱান জয়নাল আবেদিন : মাটি দেখুৱাই দিব পৰা হ'ব।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাটি তেনেহ'লে দিয়া হ'ব। এতিয়া শিক্ষা বিভাগৰ ক্ষেত্ৰত প্ৰাইমেৰী স্কুলত ৩ হাজাৰ শিক্ষকক নিযুক্তি দিয়া হৈছে। তাৰ কাৰণে টকাও চেংচন দিয়া হৈছে।

*ডাঃ ভূমিধৰ বৰ্মন : এইটো প্ৰচেচ কৰি থকা হৈছে।

*শ্ৰীজয় নাথ শৰ্মা : কোন বাজেটত ধৰা হৈছে ?

*ডাঃ ভূমিধৰ বৰ্মন : আমি আচলতে কাম জানুৱাৰী মাহৰ পৰাহে আৰম্ভ কৰিছো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : প্ৰাইমেৰীত ৭,৬০৬, M.E. ১২৫৫, বিজ্ঞান শিক্ষক ৫,৪৭৪, Asstt. Teacher 1,499, চকিদাৰ নিযুক্তি ৩১৭, হিন্দী শিক্ষক নিযুক্তি ৬০০।

*শ্ৰীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, এই যে ১২ জন চায়েন্স টিচাৰক এতিয়াও পোষ্টিং দিয়া হোৱা নাই, সেই বিষয়ে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : এই বিষয়ে শিক্ষা মন্ত্ৰীয়ে উত্তৰ দিব।

ভেটেৰিনাৰী বিভাগত তেখেতসকলে আঁচনি লৈছে, মাননীয় অধ্যক্ষ মহোদয়, ভালেমান ডিপাৰ্টমেণ্টৰ কিছু তথ্য-পাতি বৰ্ত্তমান মোৰ হাতত আহি পোৱা নাই। মই থোৰতে এইখিনি কৈছো।

---

*Speech not Corrected.

*Sri Parameswar Brahma : May I know from the Honourable Chief Minister whether all these appointments are made provisional and reservation quota is maintained. It is reported from Nalbari District that no such reservation is maintained. Not a single Bodo is given any appointment.

Sri Hiteswar Saikia (Chief Minister) : I am requesting the Education Minister to reply.

★শ্ৰীমনচিং ৰংপী : মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ লগতে মই কেইটামান স্পষ্টিকৰণ বিচাৰিছো। ডিফু চৰকাৰী কলেজত এতিয়ালৈকে কিমান টিচাৰ পোষ্টিং হ'ল আৰু কিমানটা পোষ্ট ভেকেন্ট থাকিল? তাৰোপৰি তাত পোষ্ট গ্ৰেজুৱেট চেকশ্যন খোলা কথা আছিল, কিন্তু এতিয়ালৈকে নহ'ল। কেতিয়াৰ পৰা খোলা হব সেই বিষয়ে জনাব নে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): পিছত ক্লিয়াৰিফিকেশ্যন দিম।

মাননীয় অধ্যক্ষ: তেখেতে কোৱাৰ পাচত আপোনালোকে কব।

★শ্ৰীকৰেন্দ্ৰ বসুমতাৰী : অধ্যক্ষ মহোদয়, পানবাৰীত যিখিনি লোক ক্ষতি-গ্ৰস্ত হ'ল তেওঁলোকক ক্ষতিপূৰণ দিয়াৰ কি ব্যৱস্থা কৰিলে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): নিয়োগৰ ক্ষেত্ৰত সমালোচনা কৰিছে, ইয়াৰ আগৰ অধিবেশনত মই দুবাৰকৈ এই বিষয়ে কলো। প্ৰায় ২ লাখ লোকক চাকৰি দিবলৈ যাওঁতে সকলোকে যে ক্লাইং কালাৰ চাকৰি দিয়া হব সেইটো নহয়, কেনেভাৱে নিযুক্তি দিয়া হব বা এনগেজ কৰা হব সেই বিষয়ে ডাঙি ধৰিব বিচাৰিছো। চেল্‌ফ এম্পলয়মেণ্ট স্কীমত ৫৬ ৯৮০ জনক সংস্থান দিয়াৰ কথা ভবা হৈছে। সেইদৰে স্মলস্কেল ইণ্ডাষ্ট্ৰি আৰু টাইনি ইণ্ডাষ্ট্ৰিত ২,৯৩০ টা ইউনিটত ১১,৫৩৪ জন লোকক সংস্থান দিয়াৰ কথা ভবা হৈছে। আকৌ হেণ্ডীক্ৰাফ ইউনিটত ২,৬১০ টাত ৭,৪৯২ জন লোকক সংস্থান দিয়াৰ কথা আৰু ইডোকেটেড আন এম্পলয়দ ইয়ঠত ৩,৪৮০ জন লোকক সংস্থাপন দিয়া আৰু আই, আৰ, ডি, পিত ৪,৬৫০০ জন লোকক আৰু ৫০,০০০ টকাকৈ মাৰজিন মানি ১০,০০০ জন লোকক আৰু ট্ৰাইচেম টেইনিং প্ৰোগ্ৰামত ৩৪,৫০৬ জনক আৰু এগ্ৰিকালচাৰ চেল্‌ফ এম্পলয়মেণ্টত ১৭,০৩৭ জন লোকক মুঠতে চেল্‌ফ এম্পলয়মেণ্টৰ এক লাখ ৩০ হাজাৰ ৫৪৯ জন লোকৰ সংস্থানৰ

---

* Speech not corrected

কথা ভবা হৈছে। যিসকল যুৱক-যুৱতী আত্মনিয়োগৰ উপায় হিচাবে বিভিন্ন ধৰণৰ ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰিছে। তেনে যুৱক-যুৱতীৰ বাৰ্ষিক আয় অতি কমেও ৩০০০ হাজাৰ জনে ক্ষুদ্ৰ উদ্যোগত সাধাৰণ ভাবে ৩০ ৰ পৰা ৬ জন লোকক নিয়োগ কৰাৰ সুবিধা থাকে। এনেদৰে নিয়োজিত লোকৰ বাৰ্ষিক আয় ১০,০০০ টকাৰ পৰা ১৮,০০০ টকা। হস্তশিল্পৰ ক্ষেত্ৰত প্ৰত্যেকজন লোকে বছৰি প্ৰায় ৯,০০০ টকা আয় কৰিব পাৰে ।। এইখিনিতে উল্লেখ কৰিব পাৰি আৰ্টিচিয়ান সকলে চিজ্‌নেল এম্পলয়মেণ্ট হিচাবেহে লয় আৰু এনে শিল্প গোটত দিন হাজিৰা হিচাবে লোক নিয়োগ কৰা হয়।

★শ্ৰীপৰমেশ্বৰ ব্ৰহ্ম : যিবিলাক ব্যৱস্থাৰ কথা ইয়াত কোৱা হৈছে সেই ব্যৱস্থা মতে ইয়াত এচ, চি আৰু এচ, টি প্ৰোপোৰশ্যনটো মেইনটেইন কৰা হৈছে নে নাই হোৱা ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : সেইটো কৰা হৈছে।

★মিলন বড়ো : বৰপেটা মহকুমাত বড়ো ভাষাৰ মাধ্যমৰ স্কুলত বড়ো ভাষা নজনা অনা বড়ো প্ৰাৰ্থীক বি, এচ, চি টিচাৰ হিচাবে নিযুক্তি দিয়া হৈছে সেইটো সঁচা নেকি ? সেই বিষয়ে জনাবনে ?

*শ্ৰীভৰত নৰহ : লক্ষীমপুৰ জিলাৰ ঢকুৱাখানাৰ ৯ জন বি, এচ, চি টিচাৰক এতিয়াও নিযুক্তি দিয়া হোৱা নাই। মই শিক্ষা মন্ত্ৰীক ৯ জনৰ নাম দিছো, শিক্ষা মন্ত্ৰীয়ে ডাইৰেক্টৰক লিখি দিছে আৰু ডাইৰেক্টৰে জইন্ট ডাইৰেক্টৰক দিছে। আৰু জইণ্ট ডাইৰেক্তৰেও আই, এচলৈ লিখি দিছে কিন্তু তেওঁলোকক এতিয়াও নিযুক্তি দিয়া নাই। লক্ষীমপুৰৰ আই, এচয়ে কৈছিল যে ১৩৫ জন টিচাৰ জিলাৰ বাহিৰৰ পৰা আনিব লগা হৈছে অথচ সেই মহকুমাৰে ৯ জন টিচাৰক এতিয়াও নিযুক্তি দিয়া নাই। জানিব পৰা মতে সেই মহকুমাৰে স্কুল বোৰ্ডৰ এজন মেম্বাৰে এই ৯ জন প্ৰাৰ্থীক ব্যক্তিগত ভাবে ভাল নাপায় কাৰণে ১৩৫ জন টিচাৰ বাহিৰৰ পৰা বিচাৰি থকা হৈছে অথচ ঢকুৱাখানাৰ সেই ৯ জনক কিয় দিয়া হোৱা নাই ? অথচ সেই লৰা কেইজনে শতকৰা ৫০/৫২ নম্বৰ পাইছে তথাপিতো দিয়া হোৱা নাই। গতিকে অতি সোনকালে এই ৯ জন টিচাৰক নিযুক্তি দিব লাগে।

★শ্ৰীদিলীপ শইকীয়া সোণোৱাল : অধ্যক্ষ মহোদয়, যোৱা বিধান সভাতে ধেমাজী কলেজৰ সম্পৰ্কত যি দুৰ্নীতি হৈছিল সেই বিষয়ে ব্যৱস্থা লম বুলি কৈছিল কিন্তু এতিয়ালৈকে লোৱা নাই। যোৱা বিধান সভাতে বাৰ বাৰ সোধাত কৈছিল যে যোগা-যোগ কৰি ব্যৱস্থা লোৱা হব কিন্তু একো নকৰিলে। ধেমাজী

Speech not corrected.

কলেজ★অধ্যক্ষই স্কলাৰচিপৰ ১ লাখ ৪০ হাজাৰ টকা আত্মসাৎ কৰিলে কিন্তু ব্যৱস্থা লম বুলিয়ো একো ব্যৱস্থা নল'লে। ইয়াৰ ওপৰত প্ৰতিশ্ৰুতি বিচাৰিছো।

% শ্ৰীপদ্মেশ্বৰ দলে : অধ্যক্ষ মহোদয়, ম'জুলীৰ ৪খন এম, ই, স্কুলৰ ৪ মাহ আগতেই প্ৰাদেশীকৰণ কৰাৰ অৰ্ডাৰ হ'ল কিন্তু আজিও সেই অৰ্ডাৰ ৰিলিজ নকৰাৰ কাৰণ কি?

★শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কিমান হাজাৰ শিক্ষকক নিযুক্তি দিছে সেই বিষয়ে তথ্য দাঙি ধৰিছে। এই চৰকাৰৰ দিনত নিযুক্তি দিয়া হৈছে। মূল প্ৰশ্ন হ'ল প্ৰাথমিক বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ যিসকল শিক্ষকক নিযুক্তি দিয়া হ'ল ইয়াৰ নীতি কি? কাৰণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক নিযুক্তিৰ বাবে চিলেকশ্বন ব'ৰ্ডৰ যোগেদি আবেদন বিচৰা হৈছিল। হাজাৰ হাজাৰ স্নাতকোত্তৰ প্ৰাৰ্থীয়ে আবেদন কৰিছে জীৱনত চাকৰি এটা পোৱাৰ আশাত। কিন্তু চিলেকশ্বনৰ ব্যৱস্থা নকৰি বিষয় শিক্ষক নিযুক্তি দিয়া হৈছে। ২৫/৩০ হাজাৰ টকা ভেটি লৈ নে ৰাজনৈতিক ভিত্তিত শিক্ষক নিযুক্তি দিয়া হৈছে। এই ক্ষেত্ৰত এটা স্পষ্টীকৰণৰ আহ্বান জনালো। দ্বিতীয় প্ৰশ্ন হ'ল উদ্যোগ মন্ত্ৰীৰ প্ৰতি। মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছে যে ১০ হাজাৰ যুৱকক ৫০ হাজাৰকৈ টকা দি স্বনিয়োজনৰ কাৰণে ৫০ কোটি টকাৰ আঁচনি লৈছে। বিগত দিনত অসমীয়া বহুত যুৱক-যুৱতীয়ে লাখ লাখ টকা লোণ লৈ পৰিশোধ কৰা নাই। গতিকে পৰিশোধ কৰাৰ কি ব্যৱস্থা কৰিব। বেংক বিভাগীয় অফিচাৰ আছে। কোটি কোটি টকাৰ শ্ৰাদ্ধ হ'ব নেকি?

★শ্ৰীঅতুল বৰা : মোৰ এটা প্ৰশ্ন হ'ল, ইঞ্জিনিয়াৰিং কলেজ আৰু প্ৰতিষ্ঠান বিলাকৰ লেকচাৰাৰ পদৰ বাবে আবেদন বিচৰা হৈছিল, তাত চেকেণ্ড ক্লাচ পোৱা সকলে নিযুক্তি পালে, আনহাতে শতকৰা ৮৭ ভাগ নম্বৰ পোৱা সকলে নিযুক্তি নাপালে। এইটো অনুসন্ধান কৰি ব্যৱস্থা ল'বনে ?

মাননীয় অধ্যক্ষ : ইমান প্ৰশ্ন কৰিলে মন্ত্ৰীয়ে উত্তৰ দিব নোৱাৰে।

•শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : অনাস্থা প্ৰস্তাৱত যিটো উত্তৰৰ ওপৰত পইণ্ট উঠিছে তাৰ উত্তৰ দিব লাগে। নতুন প্ৰশ্ন আনিব নোৱাৰে।

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : কিছুমান স্কুলত বহুত দিন কাম কৰি থকা শিক্ষকক ৰিটেন্স কৰি নতুন শিক্ষক নিযুক্তি দিয়া হৈছে। বহুত দিন কাম কৰা শিক্ষক সকলক নিযুক্তি দিয়া হ'ব নে নহয়?

---

• Speech not corrected.

★ডাঃ ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী) : মই কেইটামান বিশেষ প্ৰশ্নৰ উত্তৰ দিব বিচাৰিছো। ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেই বিষয়ে কৈ গৈছে। মাননীয় সদস্য শ্ৰীপৰমেশ্বৰ ব্ৰহ্মাই কৈছিল যে বড়ো ভাষী স্কুলক গুৰুত্ব দিয়া নাই। এই খিনিতে মই ক'ব বিচাৰিছো যে ১২৫৫ খন মিডল স্কুল প্ৰাদেশীকৰণ কৰা হৈছে, তাৰ ভিতৰত বড়ো অঞ্চলৰ টি, এচ, পি অঞ্চলৰ ১৮ খন স্কুল প্ৰাদেশীকৰণ কৰা হৈছে। বড়ো মাধ্যমৰ যে কৰা নাই সেইটো নহয়। অসমীয়া মাধ্যমৰ আগতে কৰা হৈছে। বড়ো মাধ্যমৰ যিখিনি আছে সেইখিনি প্ৰাদেশীকৰণ কৰাৰ বাবে আগতে নিৰ্দেশ দিয়া হৈছিল। তেওঁলোকে ১৮ x ৪ = ৭২ জন শিক্ষকৰ সুবিধা পাব। আগতে প্ৰাদেশীকৰণ কৰা ৩৩ খন স্কুলত পিছত বড়ো মাধ্যম প্ৰবৰ্তন কৰিছে। এই ৩৩ খন বড়ো মাধ্যমৰ চেকশ্যন লোৱাৰ ব্যৱস্থা কৰিছে। ১৩ শ খন এজনীয়া প্ৰাথমিক শিক্ষকৰ ৭ খন স্কুল এজনীয়া শিক্ষকৰ ৩৫৪টা বড়ো মাধ্যমৰ শিক্ষক লোৱা হৈছে। ৫৭৫ খন হাইস্কুলৰ ভিতৰত ২১১ খন বড়ো মাধ্যমৰ। মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰাৰ পাছত ৮ খন স্কুল কোকৰাঝাৰ জিলাত আছে।

* Shri Parameswar Brahma : Mr. Speaker Sir, we had meeting with the Government of Assam on 10.2.92. and the Chief Minister promised in the meeting to provincialise 8 Bodo medium schools and for creation of 1000 posts in lower primary schools, 800 in middle schools and 500 in high schools during this academic session. There was also a decision for introduction of Bodo Language in the Gauhati University. So, what steps have been taken ?

* ডাঃ ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী) : এইটো সিদ্ধান্ত প্ৰচেচত আছে। আমি বড়োৰ ক্ষেত্ৰত ব্যৱস্থা নোলোৱা নহয়। বড়ো হাইস্কুল উচ্চতৰ মাধ্যমিক শিক্ষা চোৱাৰ কাৰণে এজন এডিচনেল ডাইৰেক্টৰক দায়িত্ব দিছো।

* শ্ৰীপৰমেশ্বৰ ব্ৰহ্ম : ট্ৰাইবেল নহয়।

* ডাঃ ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী) : সোনোৱাল ট্ৰাইবেল। শিক্ষা বিভাগৰ নিযুক্তিত দুৰ্নীতি নাইকীয়া কৰাৰ কাৰণে প্ৰচেষ্টা লৈছো। এল, পি, স্কুলত,

---

★ Speech not Corrected.

যিবিলাক প্ৰথম বিভাগত পাচ কৰিছে সেই বিলাকক নিযুক্তি দিয়াৰ কাৰণে নিৰ্দেশ দিছো।

হাইস্কুলৰ ক্ষেত্ৰত বি, টি, অনাৰ্চ আৰু ডিষ্টিংচনক প্ৰিফাৰেঞ্চ দিয়াৰ কাৰণে নিৰ্দেশ দিছো। মাননীয় সদস্য শ্ৰীপৰমেশ্বৰ ব্ৰহ্ম ডাঙৰীয়াই কৈছে যে জনজাতিৰ লোকক দিয়া নাই। মই সদনৰ জ্ঞাতাৰ্থে কব বিচাৰিছো যে পপুলেচন পেটাৰ্ন ৰিফেলক কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। যদি কোনোবা বিষয়াই নকৰে তেওঁৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হব। মাননীয় সদস্যসকলে যদি ক'ৰবাত কিবা দেখে জনালে সেইমতে ব্যৱস্থা লম। মাননীয় সদস্য শ্ৰীব্ৰহ্ম ডাঙৰীয়াই নলবাৰীত শিক্ষক নিয়োগৰ ক্ষেত্ৰত জনজাতিৰ প্ৰাৰ্থী লোৱা নাই বুলি কৈছে কিন্তু নলবাৰী বিজ্ঞান স্নাতক লোৱা শেষ এতিয়াও হোৱা নাই। পপুলেচন পেটৰ্ন বা ৰেচিও মেণ্টেইন কৰা হব। মাননীয় সদস্য শ্ৰীনৰহ ডাঙৰীয়াই ধেমাজী কলেজৰ কথা কৈছে, যোৱা বিধান সভাতো তেখেতে উত্থাপন কৰিছিল। মই লগে লগে ফাইল আনি চাইছো। কিন্তু এইটো কোৰ্টৰ হুকুম নামানি উপায় নাই। মই দুই তিনিবাৰ পঢ়ি চাইছো। কোৰ্টক অৱমাননা কৰাৰ উপায় নাই।

★শ্ৰীজয়নাথ শৰ্মা: কোৰ্টৰ হুকুম হলেও এই অধ্যক্ষজনে যেতিয়া ১·৪৫ হাজাৰ টকা আত্মসাৎ কৰিছে। ইনজাংচন'টো ভেকেট কৰিব লাগে।

★শ্ৰীজগন্নাথ সিংহা: This is absolutely unprecedented.

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): এতিয়া মই মাননীয় সদস্য সকলে উত্থাপন কৰা প্ৰশ্ন কেইটামানৰ উত্তৰ দিব বিচাৰিছো। আমাৰ মাননীয় সদস্য শ্ৰীপ্ৰফুল্ল মহন্ত ডাঙৰীয়াই লামডিংৰ কথা কৈছে। লামডিংৰ বিষয়ে কমিচনাৰ পৰ্য্যায়ৰ অনুসন্ধান চলি আছে গতিকে একো নোকোৱাই ভাল। মৰিগাওঁৰ ঘটনাটোৰ সংক্ৰান্তত শ্ৰীভবানী চৰন দাসৰ মৃত্যুৰ সংক্ৰান্তত অনুসন্ধান চলি আছে। হত্যাৰ সংক্ৰান্তত আততায়ী জৰিত আছে বুলি সন্দেহ কৰা হৈছে। চুৰী সংক্ৰান্তত ইতিমধ্যে তিনিজনক গ্ৰেপ্তাৰ কৰা হৈছে। চুৰী সামগ্ৰী বিলাকৰ ভিতৰত ভিচিয়াৰ, টেপ ৰেকৰ্ডাৰ, কেমেৰা, সোন, কানফুলি আদি জব্দ কৰা হৈছে।

★প্ৰফুল্ল কুমাৰ মহন্ত: মই এটা স্পষ্টীকৰণ বিচাৰিছো, তেওঁলোকৰ পৰিয়ালৰ পৰা আপত্তি আহিছে যিজন বিষয়াই অনুসন্ধান কৰিছে তেওঁৰ ওপৰত সন্দেহ আছে গতিকে বিষয়টো চি, বি, আইক হেণ্ড অভাৰ কৰিব পাৰি নেকি?

★Speech not Corrected

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): কৰিব পৰা যাব।
এম, বি, বি, এচ এডমিচনৰ কথা কৈছে। মই এই সদনতে কৈছো যে যিবিলাক ব্ৰিলিয়েণ্ট লৰা তেওঁলোক বাদ পৰি গৈছে। যোৱা বাৰ চিলেকচনত বৰাক ভেলীৰ পৰা কম লৰাইহে ছিলেকচন পাইছিল, তাৰ কাৰণে তেওঁলোকে আন্দোলন কৰিছিল, তেওঁলোকে মেৰিট থকা স্বত্বেও পোৱা নাই বুলি আপত্তি কৰিছিল ৰিজিওনেল এস্পাইৰেচনৰ কাৰণেই তিনিখন মেডিকেল কলেজ কৰা হৈছিল। সেই কাৰণে বৰাক ভেলীত ১০ টা চিট বঢ়াই দিয়া হৈছে। এই যে ৪০ টা লৰাক চিলেকচন কৰা হ'ল সকলোকে মেৰিট বেচিচত চিলেকচন কৰা হৈছে। শ্ৰীচাজ্জিদ আহমেদ ৬০ ভাগ, নিককাহল ইচলাম ৬৪.২, শ্ৰীবিনা ৰাজ্জা ৭৮ ভাগ, চৈয়দ চজ্জিদ ৭০ ভাগ, অপূৰ্ব শৰ্মা ৬৪, মিঃ আহমেদ ৬৫, ৰাজেশ শৰ্মা ৭৫ অংকুতা শইকীয়া ৭৮, শোভন ৰাভা ৬২.৭ এই আটাইবিলাক প্ৰাৰ্থীয়ে শতকৰা ৬০ৰ পৰা ৮০ ভাগ পোৱা প্ৰাৰ্থী।

★শ্ৰীজয়নাথ শৰ্মা: মুখ্য মন্ত্ৰীয়ে বৰাক ভেলীত চিট বঢ়োৱা বুলি কৈছে যদিও অধিকাংশই কাছাৰৰ পৰা নহয়। এইখিনিতে মই চিঠি এখন কোট কৰিছো— এইখন লিখিছে স্বাস্থ্য সঞ্চালকে, যুটীয়া সঞ্চালক, কাৰিকৰিলৈ। গতিকে মন্ত্ৰীৰ কাৰ্য্যালয়ৰ পৰা ঠিকনা সংগ্ৰহ কৰিবলৈ কোৱা হৈছে যেতিয়া চিলেকচনটো নিশ্চয় পলিটিকেল হৈছে। আগতে অৰ্থাৎ ১০ বছৰমান আগতে জিলা ভিত্তিত চিলেকচন হৈছিল আজি কালি কোনো পলিচি নাই। আচলতে যদি পলিটিকেল নাছিল তেনেহলে নোটিশ বোৰ্ডত হেং আপ্ কৰিব লাগিছিল। চিলেকচন মেৰিটত হব লাগিছিল। এইবিলাক টেকনিকেল কথা কাৰণ খবৰ ঔষধ জ্বৰত দিলে কি হ'ব?

★শ্ৰীহিৰণ্য বৰা: অধ্যক্ষ মহোদয়, মেৰিট ডিফাই কৰা হৈছে এ, জি, পি চৰকাৰৰ দিনতহে।

*শ্ৰীজয়নাথ শৰ্মা: আপুনি তেতিয়া মনে মনে কিয় আছিল? আপোনাৰ সমষ্টিৰ নাম থকাৰ কাৰণে।

*শ্ৰীহিৰণ্য বৰা: মই অপ'জ কৰিছো।

*শ্ৰীজয়নাথ শৰ্মা: এই চিঠিখনৰ এড্ৰেচটো মন্ত্ৰীলৈ কিয় কৰিলে?

*শ্ৰীঅতুল বৰা: আপোনালোকে এ, জি, পিৰ দিনৰ কথা নকব। এ, জি, পিৰ

---

*Speech not Corrected.

দিনৰ গড়কাপ্তানি বিভাগত নিযুক্তি দিওতে ফাষ্ট ক্লাচ পোৱা লোকক দিয়াৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু এ, পি, এচ, চিয়ে চিলেক্ট কৰি দিলে চেকেণ্ড ক্লাচক। চেন্টিনেল কাকতত এই বিষয়ে ৩ দিন বহুত লিখা লেখি চলিল। এ, পি, এচ, চিৰ লগতো বহুত যুজ চলিল। এ, জি, পি, চৰকাৰে মেৰিটত গুৰুত্ব দিছিল। অৱশ্যে ২-১ টা অন্য ধৰণৰ কেচো নোহোৱাকৈ থকা নাই। মই মাননীয় শিক্ষামন্ত্ৰীৰ পৰা এটা কথা জানিব বিচাৰিছিলো যে ইঞ্জিনীয়াৰিং কলেজত লেকচাৰৰ পদত শতকৰা ৮৭ ভাগ নম্বৰ পোৱা লৰাক নিযুক্তি নিদি দ্বিতীয় শ্ৰেণী পোৱাক নিযুক্তি দিয়া হ'ল কিয় কিন্তু ইয়াৰ উত্তৰ তেখেতে নিদিলে। লৰা পঢ়ুৱাবলৈ ভাল মেৰিট থকা লোকক নিয়োগ কৰিলে ভাল।

*ডাঃ ভূমিধৰ বৰ্মন ( শিক্ষা মন্ত্ৰী ) : মই এই বিষয়ে চাম বুলি কৈছো।

*শ্ৰীঅতুল বৰা : এতিয়া কংগ্ৰেছ আই চৰকাৰৰ দিনত কোনোবা কোনোবা বিভাগত হয়তো এনেদৰে দূৰ্নীতি চলিছে। গোটেই চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনিছো যদিও কংগ্ৰেছ চৰকাৰৰ মাজতো ভাল মন্ত্ৰী নথকা নহয় আছে।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : এতিয়া শৰ্মা ডাঙৰীয়াই মন্ত্ৰীৰ কাগজৰ কথা কৈছে। মই ভাবো ১ মাহৰ ভিতৰতে ব্ৰেইন ঘোলা হব নোৱাৰে। শতকৰা ৮০ ভাগ পোৱাই নেপাব আৰু শতকৰা ৫০ ভাগ পোৱাই কেনেকৈ পাব? মই এইটো আজিও কৈছো, বাৰে বাৰে কৈছো মেৰিট বেচিচত হব লাগে। গুৱাহাটী মেডিকেল কলেজ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ তলত। এম, ডিত ফাষ্ট ক্লাছ পাইছে— একেখন বিশ্ববিদ্যালয়ৰ প্ৰফেচাৰে চাইছে। শতকৰা ৮০ ভাগ পোৱাজন ডিপ্ৰাইভ হৈছে আৰু ৫৫ পোৱাজন চাকৰি পাইছে।

*শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী গৰাকীয়ে গেলেৰীত বহা অফিচাৰৰ লগত কথা পাতি আছে। এইটো আউট অব প্ৰট'কোল। মুখ্যমন্ত্ৰীয়ে সদনত কথা কৈ থাকোতে এজন কেবিনেট মন্ত্ৰীয়ে গেলেৰীত বহা অফিচাৰৰ লগত কথা কৈ থকাতো শোভা নেপায়। সদনৰ ডেকৰাম ৰক্ষা কৰিব লাগে।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : ইয়াৰ পিচত কাচাৰৰ মেডিকেল কলেজৰ অধ্যাপক নিযুক্তি বিষয়টো মই বেলেগে উল্লেখ কৰিম।

*শ্ৰীজয়নাথ শৰ্মা : অফিচৰ পৰা এড্ৰেচ লব লাগে কিন্তু মন্ত্ৰীৰ পৰা কিয় লব লগা হল? ইয়াৰ কাৰণ কি? এইখন চিঠি অফিচৰ চিঠি। হেলথ্ ডিপাৰ্টমেণ্টৰ

*Speech not Corrected.

পৰা ঠিকনা আনিব লাগে। মন্ত্ৰীৰ পৰা কিয় ঠিকনা আনিব লাগে ?

*শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : বোধকৰো এইটো মন্ত্ৰীৰ ডিচক্ৰিচনেৰী কাৰণেই অফিচাৰে মন্ত্ৰীক ঠিকনা দিব পাৰে। ইয়াৰ পিচত শ্ৰীটেৰাং ডাঙৰীয়াই এল, পি স্কুলৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত যি বক্তব্য ৰাখিছে, ইয়াৰ ওপৰত ব্যৱস্থা লোৱা হব। শ্ৰীভৃগু কুমাৰ ফুকন ডাঙৰীয়াই আলফাৰ বিষয়ে যি কথা কৈছে তাৰ ব্যৱস্থা লোৱা হব। শ্ৰীশশকমঙ্গ সন্দিকৈ ডাঙৰীয়াই বেলৱে স্লিপাৰৰ বিষয়ে যি অভিযোগ আনিছে স্লিপাৰ ৰিজেক্ট কৰা বুলি, মই জনাত স্লিপাৰ ৰিজেক্ট হোৱা নাই। পেনচন বিভাগে ৪৩ হেজাৰমান লোকক পেনচন দিয়াৰ ব্যৱস্থা কৰিছে। ৰিলিফৰ ক্ষেত্ৰটো ব্যৱস্থা লোৱা হৈছে। শ্ৰীমিচন ৰঞ্জন দাস ডাঙৰীয়াই শিলচৰ মেডিকেল কলেজত শিক্ষক নিযুক্তিৰ কথা উল্লেখ কৰিছে— আমি ইতিমধ্যে তাত ২১ জন শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা লৈছো। পাৱাৰ সম্পৰ্কত কেইবাজনো সদস্যই কৈছে। এইটো কেৱল বৰাক ভেলিৰ সমস্যাই নহয়, গোটেই অসমৰে সমস্যা। এই বিষয়ে চিন্তা কৰা হৈছে :

শ্ৰীগগৈ ডাঙৰীয়াৰ আৰু এটা প্ৰশ্ন আছে। আসাম একৰ্ডৰ ওপৰত। লামডিঙৰ ঘটনাৰ ওপৰত যি প্ৰশ্ন উঠিছে সেই বিষয়ে মই পিছত কম। শ্ৰীগগৈ ডাঙৰীয়াই আৰু এটা কথা কৈছে যে যদি অসমলৈ শান্তি ঘূৰি আহিছে তেন্তে অসমৰ জনপ্ৰিয় চৰকাৰে অসমৰ পৰা আৰ্মি উঠাব লাগে। এই বিষয়ে এতিয়া মই কম। শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই কেতবোৰ ফিগাৰ দাঙি ধৰিছে, গুৱাহাটীত ক্ৰাইম বৃদ্ধি হৈছে বুলি। মই এই সম্পৰ্কত ক্ৰাইমৰ ওপৰত এখন তালিকা পঢ়ি দিছো।

**Crime figure in Guwahati**

| | July/88 | June/89-90-91 | 1991-92 |
|---|---|---|---|
| Dacoity | 42 | 90 - 71 | 59 |
| Robbery | 98 | 89 - 132 | 82 |

Baglury 1988-89—565 1989-90—601 1990-91—543 now 362

Thieft 88-89—1191, 89-90—1288, 90-91 1197 এতিয়া 964

ইয়াৰ পিছত শ্ৰীগগৈ ডাঙৰীয়াই অসমৰ অসমীয়া কলাকৃষ্টিৰ ওপৰত এটা প্ৰশ্ন কৰিছিল। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ নামৰ প্ৰকল্পটোৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ১৫ লাখ টকা মঞ্জুৰ কৰিছে। এই প্ৰকল্পটোৰ কাৰণে ১০ কোটি টকা ধাৰ্য্য

★ Speech not Corrected.

কৰা হৈছে। জ্যোতি চিত্ৰবনক সম্প্ৰসাৰণৰ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ গৃহবিভাগে এই প্ৰকল্পৰ কাৰণে ১০.৮৯ কোটি টকা পঠাইছে। ইয়াৰে প্ৰায় ২.৪০ কোটি টকাৰ বিদেশী সা-সৰঞ্জাম লাগিব। শ্ৰীচন্দন সৰকাৰে নিয়োগৰ বিষয়ে উল্লেখ কৰিছে। এই সম্পৰ্কত মই তথ্য দিছো।

Total Constable appointed—10437
Break up—SC 384, ST 1144, ST (H) 270, Minority 688
Bengalee Hindu—351, General 7600.

মই মূল্য বৃদ্ধি সম্পৰ্কে যাৱতীয় ব্যৱস্থা লৈছো কিন্তু বস্তু মূল্য আমি নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিছো। এই সংক্ৰান্তত বহুখিনি ব্যৱস্থা লোৱা হৈছে। কথা হৈছে বস্তু নিয়ন্ত্ৰণ কৰিবলৈ বেচি ভাগ সামগ্ৰী অসমৰ বাহিৰৰ পৰা আহে, অসমৰ সামগ্ৰীবোৰ বাহিৰৰ পৰা অহাৰ কাৰণে নিয়ন্ত্ৰণ কৰাৰ অসুবিধা হয়। তথাপি বস্তু মূল্য নিয়ন্ত্ৰণ যাতে হয় তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো।

★শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয় মই এটা কথা সুধিব বিচাৰিছো যোৱা কালি আমাৰ মহন্ত ডাঙৰীয়াই উলিয়াইছিল নগাওঁৰ এগৰাকী মন্ত্ৰীৰ পুতেকে আৰু এগৰাকী বিধায়কে তেখেত সকলে গৈ বিক্ষোভকাৰীক মাৰিবলৈ কৈছে। এই গোটেই কথাটো এটা এনকুৱাৰী কৰিব লাগে। কাৰণ মন্ত্ৰীৰ পুতেকে এনে এটা কাম কৰাটো অতি দুৰ্ভাগ্যজনক কথা। বিধায়কে ৰিভলভাৰ লৈ যোৱা বুলি গোটেই কথাখিনি পেপাৰত ওলাইছে। এই কথাটো এনকুৱাৰী কৰা হ'ব নে নহয়?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো এনকুৱাৰী কৰা হ'ব। গগৈদেৱে তুলিয়াজানৰ ৰেপৰ কথা কৈছে। তেখেতে যিটো কথা উল্লেখ কৰিছে সেইটো এটা ব্যক্তিগত কথা। সমাজৰ বিশৃংখলাৰ কাৰণে কেতিয়াবা ৰেপ হয়। এইবিলাক পুলিচ বাহিনী বা অন্যান্যই কৰিলে বেলেগ কথা আছিল কিন্তু গগৈদেৱে যিটো কথা উল্লেখ কৰিছে সেইটো সম্পূৰ্ণ ব্যক্তিগত কথা। আমাৰ ফালৰপৰা সকলো ব্যৱস্থা লোৱা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, অঞ্জন দত্তই জামুগুৰিৰ পৰা গেচ প্ৰজেক্টটো উঠোৱা হব নেকি সুধিছে, সেইটো আম-গুৰিতে হব। চৰকাৰখনক বহুতেই ২৮ পাৰচেণ্টৰ চৰকাৰ বুলিকৈ আৰু এইটো কাগজে পত্ৰই লিখিছে যে এইটো ২৮ পাৰচেণ্টৰ চৰকাৰৰ। এই সদনত পোন-

---

★ Speech not Corrected.

পোনপটিয়াকৈ কথাটো ক্লিয়েৰ কৰা ভাল। অধ্যক্ষ মহোদয়, ১৯৭৮ চনত আমাৰ অসমত জনতা চৰকাৰ হৈছিল তেওঁলোকে ভোট পাইছিল মুঠতে ২৬'৬৯ পাৰচেণ্ট। আৰু ১৯৮৫ চনত মহন্ত চৰকাৰ হৈছিল তেখেতে পাইছিল ৩৪'৫ পাৰচেণ্ট। গতিকে এই ২৬% আৰু ৩৪ৰ এইটো গ্ৰেচ মাৰ্কতহে পৰে। যিহেতু ৫০%ৰ তলত। (সদনত হুলস্থুল, শুনা নেযায়)

